# ASSAM
# LEGISLATIVE ASSEMBLY DEBATES

सत्यमेव जयते

## OFFICIAL REPORT

**SEVENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA**

## BUDGET SESSION

**NO. - 21**

**THE 21ST APRIL 1988**

**PRICE RS. : 28.00**

# CONTENTS

**BUDGET SESSION**

**VOLUME 1. NO. 21**

**DATED, THE 21ST APRIL 1988**


| | | Page |
|---|---|---|
| 1. | Questions & Answers | 1 – 50 |
| 2. | Voting on Demands for Grants | 51 – 101 |
| 3. | Report of the Business Advisory Committee | 101 – 102 |
| 4. | Arrest, Conviction and Release after Admonition | 102 |
| 5. | Adjournment | 103 |
| 6. | Annexure I, II | 104 – 108 |

## DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1988
## THURSDAY, APRIL '21, 1988

The House met at 10.00 A.M. of the Clock in the Assembly Chamber at Dispur, with Shri Pulakesh Baruah Speaker in the Chair.

## STARRED
## QUESTIONS & ANSWERS
(To which oral answers were given)

Mr. Speaker : Now Starred Question No. 361 Hon'ble member Dr. Kamal Kalita.

বিষয় ঃ-গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত EEG ৰ যন্ত্ৰ।

ডাঃ কমলা কলিতাই সুধিছে ঃ

★ ৩৬১। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ কাৰণে কেইটা EEG যন্ত্ৰ আছে আৰু কেতিয়া কিমান টকাত কিনা হৈছে?

(খ) এই যন্ত্ৰ কেইটা কাৰ্য্যক্ষম হৈ আছে নে?

(গ) যদি নাই, কেতিয়াৰ পৰা আৰু কিয় কাৰ্য্যক্ষম হৈ থকা নাই?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) দুটা EEG যন্ত্ৰ আছে। এটা ১৯৮১ চনত (16 Channel) যন্ত্ৰ মুঠ ১০,৩৮,৩৩৬.০০ টকাত আৰু আনটো (8 Channel) যন্ত্ৰ ১৯৮৬ চনত মুঠ ২,৫০,০০০.০০ টকাত ক্ৰয় কৰা হৈছিল।

(খ) বৰ্ত্তমানে এটাহে কাৰ্য্যক্ষম হৈ আছে।

(গ) ১৯৮১ চনত ক্ৰয় কৰা EEG যন্ত্ৰটো কাৰিকৰি বিজুতিৰ কাৰণে ১৯৮৫ চনৰ জুলাই মাহৰ পৰাই কাৰ্য্যক্ষম হৈ থকা নাই।

★ শ্ৰীদেবেশ্বৰ বৰা ঃ- মাননীয় অধ্যক্ষ মহোদয়, এই যন্ত্ৰটো বহুত দিন ধৰি কাৰ্য্যক্ষম হৈ থকা নাই। ইয়াৰ ফলত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত বহুত বিলাক অসুবিধা হৈছে। গতিকে এই সকলো বিলাক কথাৰ প্ৰতি লক্ষ্য ৰাখি এই সম্পৰ্কত অনুসন্ধান কৰি বিহিত ব্যৱস্থা লবনে?

★ শ্ৰীঅভিজিতশৰ্ম্মা (ৰাজ্যিক মন্ত্ৰী) ঃ- যিটো যন্ত্ৰ বেয়া হৈ আছে সেই যন্ত্ৰটো ক্ৰয় কৰা সময়তো

---

★ Speech not Corrected

কিছুমান খেলিমেলি হৈছিল। সেই কাৰণে এই গোটেই বস্তুটো ডিৰেক্টৰ ব'ৰো অব ইনভেচষ্টিগেচনক অনুসন্ধান কৰিবপৈ দিয়া হৈছে। তেওঁলোকে ইতিমধ্যে এই সম্পৰ্কীয় সকলো বিলাক কাগজপাতি জব্দ কৰিছে। এই সকলো বিলাকৰ কথা চৰকাৰৰ বিবেচনাধীন হৈ আছে।

**শ্ৰীদিলীপ কুমাৰ শইকীয়া** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছো যে কোনটো যন্ত্ৰ বেয়া হৈ আছে? আঢ়ৈ লাখ টকীয়াটো নে ১০ লাখ টকীয়াটো।

**শ্ৰীঅভিজিত শৰ্ম্মা** (ৰাজ্যিক মন্ত্ৰী) ঃ ১৬ চেনেলৰ যিটো যন্ত্ৰ ১৯৮১ চনত দিল্লীস্থ কোম্পানীৰ পৰা ক্ৰয় কৰা হৈছিল সেইটো যন্ত্ৰ বিকল হৈ আছে।

★ **ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই যন্ত্ৰ বিলাক চলাবৰ বাবে প্ৰশিক্ষণপ্ৰাপ্তলোক থাকিব লাগে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত এই যন্ত্ৰ বিলাক চলাবৰ বাবে উপযুক্ত প্ৰশিক্ষণপ্ৰাপ্ত লোক আছেনে নাই? প্ৰশিক্ষণপ্ৰাপ্ত লোক নহ'লে এই বিলাক সদায়েই বেয়া হৈ থাকিব। ডিফেক্ট কি নাজানিলে কামত নাহিব।

★ **শ্ৰীঅভিজিত শৰ্ম্মা** (ৰাজ্যিক মন্ত্ৰী) ঃ ইতিমধ্যে এটা যন্ত্ৰ কাৰ্য্যক্ষম হৈ আছে যেতিয়া তাৰ পৰা বুজা যায় যে তাত প্ৰশিক্ষশপ্ৰাপ্ত লোক নিশ্চয় আছে। যিটো মেচিন বেয়া হৈ আছে সেইটোৰ ক্ৰয় কৰা সম্পৰ্কত কিছু খেলিমেলি আছে বুলি মই ইতিমধ্যে কৈছোয়েই। আৰু অনুসন্ধান ব'ৰো অব ইনভেচন্টিগেচনক কৰিবলৈ দিয়া হৈছে।

★ **শ্ৰীআলটাফ হুছেইন মজুমদাৰ** ঃ মাননীয় অধ্যক্ষ মহোদয়, এনেকুৱা যন্ত্ৰ অসমৰ তিনিওখন মেডিকেল কলেজতে আছে নে আৰু যদি সেই বিলাক কাৰ্য্যক্ষম হৈ আছেনে বেয়া হৈ আছে? যদি কোনোবা মেডিকেল কলেজত নাই তেন্তে দিয়াৰ ব্যৱস্থা কৰিবনে?

★ **শ্ৰীহেমেন দাস** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্নটো বিধান সভাত আগতেও উঠিছিল। যিটো যন্ত্ৰ কিনিছিল সেইটোৰ মূল্য ১.৭৫ লাখ টকা। কিন্তু সেইটো যন্ত্ৰকে ১০ লাখ টকা দি কিনা হৈছে। এইটো অনুসন্ধান কৰি চাব লাগে। আৰু যিটো অনুসন্ধান চলি আছে সেইটো কিমান দিনৰে পৰাই চলি আছে?

★ **শ্ৰীঅভিজিত শৰ্ম্মা** (ৰাজ্যিক মন্ত্ৰী) ঃ এই যন্ত্ৰটো কিনাৰ ক্ষেত্ৰত খেলিমেলি হোৱাৰ কাৰণে সেইটো ব'ৰো অব ইনভেচন্টিগেচনক অনুসন্ধান কৰিবলৈ দিয়া হৈছে বুলি মই ইতিমধ্যে কৈছোয়েই। এই মেচিনটো ১৯৮১ চনতে দিল্লীস্থ এটা কোম্পানীৰ পৰা ক্ৰয় কৰা হৈছিল। অলপ দিন চলাৰ পিচতেই এই মেচিনটো বেয়া হৈ পৰে। গতিকে ইয়াৰ তদন্তৰ ভাৰ ব'ৰো অব ইনভেচটিগেচনক দিয়া হৈছে। তেওঁলোকে ইতিমধ্যে সকলো বিলাক কাগজপাতি এই সম্পৰ্কীয় জব্দ কৰিছে। প্ৰয়োজন হলে ইয়াৰ প্ৰতিলিপি মই সদনত দাখিল কৰিব পাৰিম।

---

★ Speech not Corrected

শ্ৰীহেমেন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, বুৰো অব ইনভেচটিগেচনে কিমান দিনৰে পৰা অনুসন্ধান কৰি আছে?

★ শ্ৰীঅভিজিত শৰ্ম্মা (ৰাজ্যিক মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ প্ৰতিবেদন মোৰ হাতত আছে। প্ৰয়োজন হলে মই সদনত দাখিল কৰিব পাৰিম।

★ শ্ৰীহেমেন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, ইয়াত নুবুলা এণ্ড কোম্পানী নামৰ এটা কোম্পানীয়ে বেপাৰ চলাই আছে। তেওঁলোকৰ পৰা এই ১.৭৫ লাখ টকাৰ মেচিনটো ১০ লাখ টকাত কিনিছে। তেওঁ এনেকুৱা বেপাৰ চলাই আছে যে এবাৰ ৩১ মাৰ্চ তাৰিখে কোনো বস্তু যোগান নিদিয়াকৈয়ে ৪৮ লাখ টকাৰ বিল দ্ৰ কৰিছে। তেতিয়াৰ পৰাই এই বিষয়টো তদন্ত হৈ আছে নেকি?

★ শ্ৰীঅভিজিত শৰ্ম্মা (ৰাজ্যিক মন্ত্ৰী) ঃ মেচিনটো বেয়া হোৱাৰ পিচতেই সকলো বিলাক কথাত সন্দেহ হয় আৰু তাৰ পিচতেই তদন্ত কৰিবলৈ দিয়া হৈছে।

★ শ্ৰীহেমেন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এটা উত্তৰ সঠিকভাবে দিয়া নাই। আচলতে যন্ত্ৰটো ব্যৱহাৰ কৰিবই পৰা নাছিল। অলপ দিন ব্যৱহাৰ কৰাৰ পিচত বেয়া হোৱা কথাটো নহয়। আচলতে এই মেচিনটো চলাবই নোৱাৰিলে।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ এই তদন্ত সোনকালে সমাপ্ত কৰিব পা ৰিলে ভাল হয়।

Shri Altaf Hussain Mazumdar ঃ The Hon'ble Minister has said that a report has been submitted and he is in possession of the report. Will he give us the findings of the report as we must know it ?

শ্ৰীঅভিজিত শৰ্ম্মা (ৰাজ্যিক মন্ত্ৰী) ঃ সদনৰ মেজত ৰখা হ'ব।

Mr. Speaker : Now Starred Question No. 362

**Re :- Number and names of Veterinary establishment.**

**Shri Holiram Terang, asked ঃ**

★ 362. Will the Minister, Veterinary be pleased to state ঃ

(a) The number and name of Veterinary establishment in Hamren Sub-Division including the administrative officer ?

(b) The number of persons (in employment) with designations in the above establishments ?

(c) The nature of work and function of the above establishments and personnels ?

(d) The amount of money earmarked for the whole Sub-division and the actual expenditure in the year 1985-86, 1986-87 and 1987-88 ?

---

★ Speech not Corrected

(A detailed breakup of different kinds of expenditure may please be given on the table of the House).

**Shri Nagen Sarmah (Minister of Veterinary) replied :**

(a) There are 21 Nos. of Veterinary establishments in Hamren Sub-division.

1) Poultry Farm, Hamren, 2) Pork Production Centre cum Breeding Farm, 3) Fodder Demonstration Farm, 4) Baithalangsu State Veterinary Dispensary, 5) Kherani State Veterinary Dispensary, 6) Hamren State Veterinary Dispensary, 7) Mobile Veterinary Dispensary, Hamren, 8) Block Veterinary Dispensary, Amri (Ulukunchi), 9) Block Veterinary Dispensary Suchung (Jirikinding), 10) Block Veterinary Dispensary, Rongkhang, 11) Chinthong I.T.D. Project (Extension Officer, Veterinary), 12) Veterinary Aid Centre, Kunduly, 13) Veterinary Aid Centre, Punahori, 14) Veterinary Aid Centre, Linsika, 15) Veterinary Aid Centre, Jengkha, 16) Veterinary Aid Centre, Vocksung, 17) Veterinary Aid Centre, Howaipur, 18) Veterinary, 20) Veterinary Aid Centre, Rongpongbong, 21) Veterinary Aid Centre, Trumprong, 22) Sub-divisional A.H.& Vety. Officer, Hamren. The name of the S.D.V.O. is Dr. Fazir Ali.

(b) The administrative officer of the sub-division and over and above the District. The District A.H.& Vety. Officer is the administrative officer.

| | | |
|---|---|---|
| 1) Sub-divisional A.H.& Vety. Officer | – | 1 No. |
| 2) V.A.S./E.O. (Vety) | – | 7 Nos. |
| 3) Manager for 2 Farm | – | 2 Nos. |
| 4) V.F.A. | – | 23 Nos. |
| 5) IV Grade | – | 27 Nos. |

(c) The V.A.S. & E.O. (Vety) is to look after the Health cover of

Animals and for the extension services of the area under their respective jurisdictions. Moreover, they also motivate the public for rearing Livestock and Poultry Industries, The Manager's are for the management of the Farms including drawing and disbursement.

The V.F.A. are utilised for the treatment of Livestock/ Poultry etc. under the guidance of the V.A.S./E.O. (Vety).

The IV Grade are engaged for look after the institution and carry Medicine/vaccine etc. and other allied matters of the respective Institutions.

(d)

| | Plan | | Non-Plan | |
|---|---|---|---|---|
| | Allotment | Expenditure | Allotment | Expenditure |
| 1985-86 | Rs.1,29,4000/- | Rs.1,26,840.61 | Rs.6,16,000/- | Rs.7,18,540.12 |
| 1986-87 | Rs.1,27,000/- | Rs.1,98,229.04 | Rs.7,43,300/- | Rs.8,13,543.19 |
| 1987-88 | Rs.5,98,360/- | Rs.4,59,855.50 | Rs.10,27,300/ | Rs.9,42,100.81 |

The following are the details breakup of expenditure :

| | | Plan | Non-Plan |
|---|---|---|---|
| 1985-86 | a) Salary– | Rs. 1,08,719.55 | Rs. 6,25,173,13 |
| | b) T.A.– | Rs. 3,548.70 | Rs. 30,490.01 |
| | c) Continency– | Rs. 14,572.36 | Rs. 62,876.98 |
| 1986-87 | a) Salary– | Rs. 1,18,778.05 | Rs. 7,02,686.94 |
| | b) T.A.– | Rs. 7,034.56 | Rs. 45,205.32 |
| | c) Continancy– | Rs. 72,416.43 | Rs. 65,650.93 |
| 1987-88 | a) Salary– | Rs. 1,53,501.45 | Rs. 6,60,765.09 |
| | b) T.A.– | Rs. 10,114.32 | Rs. 35,663.97 |
| | c) Continancy– | Rs. 3,06,239.73 | Rs. 2,45,671.75 |

Mr. Speaker : Now Starred Question No. 363

বিষয় ঃ NREP আৰু RLEGP ৰ অধীনত বিদ্যালয়ৰ গৃহ নিৰ্মাণ।

শ্ৰীবলোভদ্ৰ তামুলীয়ে সুধিছে ঃ

★ ৩৬৩। মাননীয় গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) NREP আৰু আৰু RLEGP শিতানত যোৰহাট প্ৰকল্প সঞ্চালকৰ অধিনত ১৯৮৬-'৮৭ চনত কিমানখন প্ৰাথমিক/মজলীয়া বিদ্যালয়ৰ গৃহ নিৰ্মাণৰ বাবে ব্যৱস্থা কৰা হৈছিল?

(খ) তাৰে কিমানখন বিদ্যালয় গৃহ সম্পূৰ্ণ হ'ল আৰু কিমানখন আধৰুৱা হৈ থাকিল?

(গ) গোলাঘাট মধ্য উন্নয়ন খণ্ড আৰু গোলাঘাট পশ্চিম উন্নয়ণ খণ্ডত কিমানখন বিদ্যালয় অসম্পূৰ্ণ হৈ আছে?

(ঘ) যদি আছে ইয়াৰ কাৰণ কি?

শ্ৰীচন্দ্ৰ আৰন্ধৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৮৬-৮৭ চনত যোৰহাট প্ৰকল্প সঞ্চালকৰ অধীনত NREP ৰ শিতানত ৩২ খন আৰু RLEGP শিতানত ৬৪ খন মুঠ ৯৬ খন প্ৰাথমিক/মজলীয়া বিদ্যালয় গৃহ নিৰ্মাণৰ বাবে লোৱা হৈছিল।

(খ) বিতং তথ্য সংগ্ৰহ কৰি থকা হৈছে আৰু সদনত দিয়া হ'ব।

(গ) প্ৰাপ্ত তথ্য মতে উন্নয়ন খণ্ডত ১০খন আৰু গোলাঘাট পশ্চিম উন্নয়ন খণ্ডত ১খন বিদ্যালয়ৰ কাম অসম্পূৰ্ণ হৈ আছে।

(ঘ) কিছুমান বিভাগীয় অসুবিধাৰ যেনে— সময়মতে উচিত মানব টিনপাত আৰু চিমেন্ট আদি লাগতীয়া সামগ্ৰীসমূহ নোপোৱাৰ বাবে আৰু উপৰ্য্যুপৰি হোৱা বানপানীৰ কাৰণে যোগাযোগ বিচিন্ন হোৱাত সময়ত যাবতীয় সামগ্ৰীৰ যোগান ধৰিব নোৱাৰাৰ বাবে কামবোৰ অসম্পূৰ্ণ হৈ আছে। বৰ্ত্তমানে সম্পূৰ্ণ কৰিবলৈ ব্যৱস্থা লোৱা হৈছে।

★ শ্ৰীদেবেশ্বৰ বৰা ঃ ১৯৮৬-৮৭ চনৰ আই, আৰ, ডি, পিৰ টকা ৰাস্তা, স্কুল আদিৰ শিতানত অহা নাই। গতিকে ভাৰত চৰকাৰৰ লগত যোগাযোগ কৰিছে নে নাই?

★ শ্ৰীচন্দ্ৰ আৰন্ধৰা (মন্ত্ৰী) ঃ এই বিষয়ে লৈ আগৰ মন্ত্ৰী শ্ৰীমিলনৰ লগত যোগাযোগ কৰিছো। মই কৈছো যে ভাৰতৰ অন্যান্য ৰাজ্যত মনচুন জুন, জুলাই মাহত আৰম্ভ হয়, কিন্তু অসমত মাৰ্চত আৰম্ভ হয়। গতিকে কেন্দ্ৰীয় চৰকাৰৰ অনুদান জানুৱাৰীৰ আগতে দিব লাগে। মাৰ্চত দিলে বাৰিষাত কাম নহয়। কিন্তু কেন্দ্ৰীয় অনুদান আগতীয়াকৈ দিয়াৰ ব্যৱস্থা কৰা নাই।

★ শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ মাননীয় অধ্য মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ প্ৰশ্নৰ উত্তৰত আমি সন্তুষ্ট হ'ব পৰা নাই। আমাৰ অসমত মাৰ্চ মাহত 'মনচুন' আৰম্ভ হয়, অন্যান্য ৰাজ্যত জুন, জুলাই মাহত আৰম্ভ হয় বুলি কৈছে। গতিকে জানুৱাৰী মাহত টকাটো 'ৰিলিজ'

---

★ Speech not Corrected

করি দিব লাগে। এইটো কথা নহয় যে ১৯৮৬-৮৭ চনৰ টকা নহাৰ কাৰণ কি? ১৯৮৬-৮৭ চনত কাছাৰ জিলাত কিন্তু টকা দিয়া বুলি কিছু দিনৰ আগতে তেখেতে এটি লিখিত উত্তৰত কৈছিল, কাছাৰ জিলাৰ দৰে আমাৰ, নগাওঁ, মৰিগাওঁ মহকুমাত কিয় দিয়া হোৱা নাই।

শ্ৰীচন্দ্ৰ আৰন্ধৰা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আচলতে প্ৰশ্নটো আছিল গোলাঘাট মহকুমাৰ বিভিন্ন স্কুলৰ কাম সম্পূৰ্ণ কৰি ৰখা। গতিকে ১৯৮৬-৮৭ চনত আৰ, এল, ই, জি, পিৰ টকাৰ ক্ষেত্ৰত এইটো বেলেগ প্ৰশ্ন কৰিলে ভাল হয়।

★ শ্ৰীদেবেশ্বৰ বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৬-৮৭ চনত যোৰহাট জিলাৰ কথা কৈছে। এই টকাটো যোৰহাট জিলালৈ কিয় যোৱা নাছিল।

শ্ৰীচন্দ্ৰ আবন্ধৰা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, স্কুলৰ টকা আহিছে।

★ শ্ৰীহেমেন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, আৰ, এল, ই, জি, পিৰ স্কুলৰ টকা নাই, ৰাস্তাৰ টকা নাই, গছ ৰুৱা কাৰণে কিন্তু টকা আছে? বছৰত কিমান টকা খৰচ কৰিছে হিচাপ কৰিলে আচৰিত হ'ব লাগে। প্ৰত্যেক ডি, আৰ, ডিতে এটি চকু সোমাই আছে। ২০-২২ হেজাৰ টকা, ৰাস্তাৰ টকা ক'ত গ'ল? স্কুলৰ টকা ক'ত গ'ল? মোৰ সমষ্টিত গছ পুলি ৰুলো, টকা খৰচ কৰিলে কিন্তু তাত প্ৰকৃতাৰ্থত এটি পুলিও বৰ্ত্তমান নাই। ক'লৈ গৈছে টকা? কিন্তু আৰ, এন, ই জি, পিয়ে গছ ৰুইয়েই আছে।

★ Shri Altaf Hussain Mazumder : Mr. Speaker Sir, you have just seen the interest of the Hon'ble Members for the information. I am not blaming the Hon'ble Minister, because he is helpless. Sir, he has replied.

অফিচাৰে বিতং তথ্য-পাতি দিম বুলি কৈ অধিবেশনৰ সময়টো পাৰ কৰি দিব বিচাৰে। কিন্তু মন্ত্ৰী মহোদয়ে 'ওৱাৰেচ' দি ২-৩ দিনৰ ভিতৰতে কিয় সেইটো আনিব নোৱাৰে।

Let the Hon'ble Minister place a detailed report in the House. He can collect the required informations from all the districts within three days by sending wireless message. So, let him place a detailed report, Sir.

Mr. Speaker : There will be half an hour discussion in the matter.

★ Shri Altaf Hussain Mazumder : Mr. Speaker Sir, this is a very important question. Although the questioner is absent, let the reply be given

★ Speech not Corrected

for the imformation of the House. We will not ask any supplementary question to the Minister of state. We will ask supplementary when the Cabinet Minister comes. (The question was replied by Minister of State Health)

Mr. Speaker : Now Starred Question No. 364

বিষয় ঃ নগাওঁ জিলাৰ অসামৰিক চিকিৎসালয়।

শ্ৰীগুনীণ হাজৰিকাই সুধিছে ঃ

★ ৩৬৪। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ সৰ্বাধিক জনসংখ্যা থকা নগাওঁ জিলাৰ অসামৰিক চিকিৎসালয়ত দৈনিক গড়ে কিমান Out Door patient আৰু In Door patient থাকে?

(খ) অসামৰিক চিকিৎসালয়খন সম্প্ৰসাৰণ অথবা নতুনকৈ নিৰ্মাণ কৰিবলৈ সিদ্ধান্ত লৈছেনে?

(গ) যদি লৈছে নিৰ্মাণৰ কাম কেতিয়াৰ পৰা হ'ব?

শ্ৰীঅভিজিত শৰ্ম্মা (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) Out Door Patient

| চন | ৰোগীৰ সংখ্যা | দৈনিক গড় |
|---|---|---|
| ১৯৮৫ | ২৩১১০৬ | ৬৩৩,১৬ |
| ১৯৮৬ | ২৪৩২৭৫ | ৬৬৬.৫০ |
| ১৯৮৭ | ২৭৫৮৯৬ | ৭৫৫.৮৭ |

In Door Patient

| | | |
|---|---|---|
| ১৯৮৫ | ১১৪৯৫ | ৩১.৪৯ |
| ১৯৮৬ | ১১৬৮৪ | ৩২.০১ |
| ১৯৮৭ | ১১৭৭৫ | ৩২.২৬ |

(খ) হয়।

(গ) কাম আৰম্ভ কৰা হৈছে।

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ মাননীয় অধ্যক্ষ মহোদয়, এজন ডাক্তৰে দেইলি ৫০ টা পেচেন্ট চাই। আউট দৌৰ ৰূম কমেও ১৫ টা। কিন্তু নগাওঁ জিলাত আউট দৌৰ ৰূমৰ সংখ্যা ৫ ৰ পৰা ৬ টা মাত্ৰ। এই আউট দৌৰ পেচেন্ট ৰখাৰ কাৰণে ৰূম নহয়। চুপাৰিনটেনডেন্টে কি কৰি আছে এই বিলাক ব্যৱস্থা লোৱাৰ কাৰণে মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীঅভিজিত শৰ্ম্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইখিনি নথি-পত্ৰত কোৰা হৈছে।

(Starred Question No. 365, 366 and 367 were not called for. However written answers demed to have been laid on the table of the House as follows.)

**Re. : Number of Veterinary Hospitals blockwise/Constituencywise.**

**Kumari Rabi Das asked–**

★ 365. Will the Minister, A.H.& Veterinary be pleased to state:

a) The number of Veterinary Hospital in the State ?

b) The number of Veterinary Hospital in Ratabari (SC) Constituency ?

Shri Nagen Sarmah (Minister of A.H.& Veterinary) replied–

a) 449 Nos.

b) 5 Nos.

**বিষয় ঃ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ নিৰ্মাণ।**

**শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে ঃ**

★ ৩৬৬। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সোনাৰী চাপৰি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ নিৰ্মাণ কাৰ্য্য আৰম্ভ হৈছেনে ?

(খ) যদি আৰম্ভ হৈছে, তেন্তে এতিয়া কি পৰ্য্যায়ত কাম চলি আছে?

(গ) নিৰ্মাণ কাৰ্য্য কেতিয়া শেষ হ'ব ?

শ্ৰীঅভিজিত শৰ্ম্মা ( ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হৈছে।

(খ) ভালেখিনি আগবাঢ়িছে।

(গ) চলিত বছৰৰ শেষৰ ফালে নিৰ্মাণ কাৰ্য্য শেষ হ'ব বুলি আশা কৰা যায়।

বিষয় ঃ R.L.E.G. আচনিৰ টকা মঞ্জুৰ।

**শ্ৰীৰবীন শইকীয়াই সুধিছে ঃ**

★ ৩৬৭। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ বিভিন্ন বলকৰ পৰা QLEGP আঁচনিত লোৱা পথ, পুখুৰী, জলসিঞ্চন আৰু ভূমি সংৰক্ষণৰ আঁচনিৰ বাবে আৱশ্যকীয় টকা কেন্দ্ৰীয় চৰকাৰৰ গ্ৰামোন্নয়ন বিভাগৰ পৰা মঞ্জুৰী হৈ আহিল নে ?

(খ) যদি আহিল তেন্তে উক্ত আঁচনিসমূহৰ কাম আৰম্ভ কেতিয়াৰ পৰা কৰিব পৰা যাব ?

(গ) যদি নাই হোৱা কেন্দ্ৰীয় চৰকাৰৰ গ্ৰামোন্নয়ন বিভাগৰ পৰা এই সমূহ আঁচনিৰ বাবে প্ৰয়োজনীয় টকা মঞ্জুৰ কৰি অনাৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

শ্ৰীচন্দ্ৰ অৰন্ধৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৮৭-৮৮ বছৰটোৰ কাৰণে P.L.E.G.P. ৰ অধীনত বিভিন্ন আঁচনিৰ বাবে আৰশ্যকীয় ধন কেন্দ্ৰীয় চৰকাৰৰ গ্ৰামোন্নয়ন বিভাগৰ পৰা পোৱা হৈছে এনে ধৰণে—

| আঁচনিৰ নাম | ধনৰ পৰিমান | মঞ্জুৰী পোৱা তাৰিখ |
|---|---|---|
| ১। সামাজিক বননিকৰণ | ১৪১.৪০ লাখ | ৩/৬/৮৭ |
| ২। ইন্দ্ৰিৰা আৱাস যোজনা | ১২৫.৫০ " | ২২/৬/৮৭ |
| ৩। গ্ৰামীন চেনিটেৰী লেট্ৰিন | ৬.০০ " | ২২/৬/৮৭ |
| ৪। অন্যান্য আঁচনি ইয়াৰ | ২৭৬.৮০ " | ২২/৬/৮৭ |
| ভিতৰত পথ, পুখুৰী, জলসিঞ্চন ও ভূমি সংৰক্ষণ ও আছে। | ১৯৬.৫৬ " | ৯/৩/৮৮ |
| | মুঠ ৭৪৬.২৬ লাখ। | |

(খ) উক্ত আঁচনি সমূহৰ ভিতৰত পথ, মাছপোহা, পুখুৰী, ক্ষুদ্ৰ জলসিঞ্চন ও ভূমি সংৰক্ষণ আঁচনিৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন পোৱা নাই। গতিকে এই আঁচনিবোৰৰ কাম হাতত লব পৰা নাই।

(গ) উক্ত আঁচনি সমূহৰ কাৰ্য্যকৰী কৰিবৰ বাবে অনুমোদন বিচাৰি কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি থকা হৈছে।

Mr. Speaker : Now Starred Question No. 368

**Re. : Basic Criteria for Allocation of Funds.**

**Shri Karnendu Battacharjee, asked**

★ 368. Will the Minister of Health & Family Welfare Department be pleased to state :

a) The Basic Criteria in allocation of funds in the 3 Medical Colleges of Assam ?

b) The allocation of fund in 3 Medical Colleges in 1987-88 ?

c) Is it a fact that many development project of Silchar Medical College is held up due to in adequate allocation of fund ?

Shri Chandra Mohan Petowary (Minister of Health & Family Welfare) replied–

a) There is no fixed criteria for allocation of fund to 3 Medical Colleges of Assam. Funds are, however, provided taking into consideration the requirement of the Institution which is based on the Student and Staff strength and the utilisation of beds in the Hospitals attached to each of the Institution.

b) The allocation of fund to 3 Medical Colleges in 1987-88 is as follows :–

| | Revenue | | Capital (Plan) |
|---|---|---|---|
| | Plan | Non Plan | |
| 1) A.M.C. | 32.00 lakhs | 373.00 lakhs | |
| 2) G.M.C. | 60.00 lakhs | 416.00 lakhs | 240.00 lakhs |
| 3) S.M.C. | 20.00 lakhs | 246.00 lakhs | |

c) No. the Construction programmes including other development projects are being implemented depending on the availibility of fund in the budget in a year.

(Starred Question No. 369 was not called for. However written answer deemed to have been laid on the Table as follows.)

বিষয় ঃ মৰিগাওঁত প্ৰাথমিক চিকিৎসালয় কেন্দ্ৰ।

শ্ৰীমতি দাসে সুধিছে ঃ

★ ৩৬৯। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মৰিগাওঁ মহকুমাৰ কিমান খন চিকিৎসালয় প্ৰাথমিক চিকিৎসা কেন্দ্ৰলৈ উন্নিত কৰাৰ সিদ্ধান্ত লোৱা হৈছে। আৰু তাৰে পুৰণি ৰাজ্যিক চিকিৎসালয় কেইখন আৰু নতুনকৈ লোৱা কেইখন ?

(খ) ননহা ৰাজ্যিক চিকিৎসালয়খনৰ উন্নত কৰাৰ বাবে ৯ লাখৰো অধিক টকা ধাৰ্য্য কৰাৰ কথাটো সঁচানে ?

(গ) যদি সঁচা সেই টকাৰে কৰিব লগা কাম কৰা হ'লনে ?

(ঘ) যদি কৰা হোৱা নাই, তেন্তে চৰকাৰে তদন্ত কৰি চিকিৎসালয়খনৰ নিৰ্মাণৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীঅভিজিত শৰ্মা (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১০ খন, তাৰে ৫ খন পুৰণি ৰাজ্যিক চিকিৎসালয় উন্নতিৰ আৰু ৫ খন নতুন।

(খ) হয়।

(গ) নাই হোৱা।

(ঘ) ব্যৱস্থা কৰি থকা হৈছে।

Mr. Speaker : Now Starred Question No. 370

**বিষয় ঃ অৱসৰপ্ৰাপ্ত হাইস্কুল শিক্ষকৰ পেঞ্চন।**

**শ্ৰীমকবুল হুছেইনে সুধিছে ঃ**

★ ৩৭০। মাননীয় পেঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

Deficit পৰ্য্যায়ৰ হাইস্কুলৰ পৰা অৱসৰ প্ৰাপ্ত শিক্ষক সকলৰ আৰ্থিক অনুদান (Pension) দিয়াৰ ব্যৱস্থা লৈছে নে?

শ্ৰীকামাখ্যা চৰণ চৌধুৰী (পেঞ্চন আৰু ৰাজহুৱা অভিযোগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

লোৱা নাই।

শ্ৰীমকবুল হুছেইন ঃ মাননীয় অধ্যক্ষ মহোদয়, পেঞ্চন পাবলগীয়া সকলৰ পেঞ্চন পোৱাৰ ব্যৱস্থা কৰিবনে?

★ শ্ৰীকামাখ্যা চৰণ চৌধুৰী (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, শিক্ষক কৰ্ম্মচাৰী সকলে অৱসৰৰ পিছত পেঞ্চন পাবলগীয়া হ'লে স্কুলখন চৰকাৰী বা প্ৰাদেশীকিকৰণ হ'ব লাগিব। তাৰোপৰি এই ব্যৱস্থা 'ডেফিচিত হাইস্কুলৰ ক্ষেত্ৰত নাই, ডেফিটিট মহাবিদ্যালয়ৰ ক্ষেত্ৰতহে আছে।

★ ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে, পেঞ্চন পাবৰ হ'লে শিক্ষক কৰ্ম্মচাৰী সকলে কনফাৰ্ম হ'ব লাগিব। মাননীয় মন্ত্ৰী মহোদয়ে এইটো জনাবনে যে, কনফাৰ্ম হোৱা তেনে কিমান জন শিক্ষক কৰ্ম্মচাৰীয়ে যোৱা পাছ বছৰত কিমান জনে পেঞ্চন পাইছে?

★ শ্ৰীকামাখ্যা চৰণ চৌধুৰী (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, কনফাৰ্ম হোৱা তেনে শিক্ষক কৰ্ম্মচাৰীক প্ৰভাজনেল পেঞ্চন দি থকা হৈছে।

★ শ্ৰীদেৱেশ্বৰ বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰভিজনেল পেঞ্চন দিয়াৰ পৰিৱৰ্তে বেগুলাৰ পেঞ্চন দিয়াৰ ব্যৱস্থাহে কৰিব লাগে, মাননীয় মন্ত্ৰী মহোদয়ে এইটো কৰিবনে?

শ্ৰীকামাখ্যা চৰণ চৌধুৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, কথাটো অলপ বহলাই ক'লেহে বুজিব পাৰিব। অগপৰ চৰকাৰৰ দিনতে ৩ হেজাৰ ৫০০ শ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকক এবছৰৰ কাৰণে পেঞ্চন দিয়াৰ ব্যৱস্থা হৈছিল। এ, জি, লৈ এই বিষয়ে কাগজ যোৱাত এ, জি,

---

★ Speech not Corrected

এ ইয়াৰ কাৰণে যথোচিত কৰ্ম্মচাৰী নাই বুলি এই কাম বিলাক কৰিব নোৱাৰো বুলি কৈ পঠালে। তাৰ পিছত আমাৰ গণ পৰিষদ চৰকাৰ গঠন হ'ল। চৰকাৰী কৰণ বা প্ৰাদেশিকীকৰণ হ'লে শিক্ষক কৰ্ম্মচাৰী য়ে পেঞ্চন পোৱাৰ যোগ্য হ'ব সেইটো নহয়। প্ৰথমে তেওঁলোক কনফাৰ্ম হ'ব লাগিব। এইটো নোহোৱাৰ কাৰণেই এ, জি, এ আকৌ কৰিব নোৱাৰো বুলি পঠিয়াই দিলে। চৰকাৰে কথাটো বিবেচনা কৰি ৰাজ্যপালৰ দ্বাৰা আইন কৰাই এবছৰৰ কাৰণে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক কৰ্ম্মচাৰীক পেঞ্চন দিয়াবৰ ব্যৱস্থা কৰিছে। অকল প্ৰাথমিক বিদ্যালয় সমূহৰ ক্ষেত্ৰতে নহয়, হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় সমূহৰ ক্ষেত্ৰটো এই ব্যৱস্থা কৰিবলৈ চিন্তা কৰা হৈছে, পুনৰায় এই বিষয়ে এ, জিৰ লগত যোগাযোগ কৰা হৈছে। লগতে এ, জিৰ ওপৰত নিৰপেক্ষভাৱে নিজা ববীয়াকৈয়ে যাতে এইটো কৰিব পৰা যায় তাৰ কাৰণে ৰাজ্যিক চৰকাৰে ব্যৱস্থা কৰিবে। তাৰোপৰি, ট্ৰেজাৰি অফিচৰ পৰা পেঞ্চন অনাৰ পৰিবৰ্তে বেংক বিলাকৰ পৰাই যাতে পেঞ্চন আনিব পাৰি তাৰ ব্যৱস্থা কৰিবলৈকো চেষ্টা কৰা হৈছে।

Mr. Speaker : Now Starred Question No. 371

**বিষয় ঃ খণ্ড উন্নয়ন কাৰ্য্যালয়ৰ গাড়ী।**

**শ্ৰীপ্ৰফুল্ল গোস্বামীয়ে সুধিছেঃ**

★ ৩৭১। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) তেজপুৰ মহকুমাৰ গাভৰু উন্নয়ন খণ্ডত থকা, এ,-এছ, এ-৬১৫৪ নং জীপ গাড়ীখন বৰ্ত্তমানেও নিৰ্দ্দিষ্ট কামত ব্যৱহৃত হৈ আছেনে?

(খ) যদি নাই গাড়ীখনৰ কি হ'ল তাৰ এক তদন্তৰ ব্যৱস্থা কৰা হ'বনে?

(গ) গাভৰু উন্নয়ন খণ্ডত পূৰ্বতে থকা গডৰেজ আলমাৰীকে ধৰি পূৰ্ব কাৰ্য্যালয়ৰ মূল্যবান যাৱতীয়া সম্পত্তিৰ আৰু বৰ্ত্তমানৰ সম্পত্তিৰ তালিকা দাখিল কৰা হওঁক।

শ্ৰীচন্দ্ৰ আৰন্ধৰা (পঞ্চায়ত বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) নাই, বৰ্ত্তমান অচল অৱস্থাত আছে।

(খ) ইতিমধ্যে তদন্তৰ ব্যৱস্থা কৰা হৈছে।

(গ) ১৯৮২-১৯৮৩ চনত গাভৰু উন্নয়ণ খণ্ডৰ কাৰ্য্যালয় অগ্নি দগ্ধ হয়। উক্ত অগ্নি কাণ্ডত নঠি-পত্ৰ আৰু উন্নয়ন খণ্ডৰ অন্যান্য সম্পদ ভস্মিভূত হয়। পূৰ্বৰ সম্পত্তিৰ তালিকাত তেতিয়াই নষ্ট হয়। আগৰ সম্পত্তি হিচাবে এটা লোহাৰ চন্দুক আৰু এখন আধা পোৰা চৰকাৰী মেজ পোৱা হয়।

বৰ্ত্তমানে থকা সম্পত্তিৰ তালিকা এনে ধৰণৰ—

১। মেজ ৭ খন।

২। চকী ৮ খন।

৩। দেৱাল ঘড়ী এটা।

৪। পানীৰ ফিল্টাৰ এটা।

৫। টি, ভি চেট এটা।

৬। চিলিং ফেন ৬ খন।

★ শ্ৰীপ্ৰফুল্ল কুমাৰ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, তেজপুৰ মহকুমাৰ গাভৰু উন্নয়ণ খণ্ডৰ অফিচটো সম্পূৰ্ণ ৰূপে ধ্বংশপ্ৰাপ্ত হোৱা নাছিল। আমি অনা খবৰ মতে তাত থকা সকলো বিলাক সা সম্পত্তি তাত থকা কৰ্ম্মচাৰী সকলে ভাগ বতৰা কৰি লৈ যায়। এই পৰিপ্ৰেক্ষিততে মই মাননীয় মন্ত্ৰী মহোদয়ক এই অফিচটোৰ সা-সম্পত্তিৰ্ ক্ষেত্ৰত এটা তদন্ত দিবনে?

★ শ্ৰীচন্দ্ৰ আৰন্ধৰা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জনে যেতিয়া অভিযোগ এটা আনিছে নিশ্চয় তাৰ এটা তদন্ত দিম।

Mr. Speaker : Now Starred Question No. 372

**বিষয় ঃ দুগ্ধ উৎপাদন পামৰ সংখ্যা।**

**শ্ৰীকিৰন কুমাৰ গগৈয়ে সুধিছে ঃ**

★ ৩৭২। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত মুঠ কিমানখন দুগ্ধ উৎপাদন পাম আছে?

(খ) চলিত বিত্তীয় বছৰত নতুনকৈ দুগ্ধ উৎপাদন পাম খোলাৰ বাবে চৰকাৰে আচনি লৈছে নেকি?

(গ) যদি লৈছে ডিব্ৰুগড় জিলাৰ মৰান সমষ্টি অন্তৰ্গত পথালিৰাম পানী তোলা প্ৰাপ্তত এটি দুগ্ধ উৎপাদন পাম প্ৰতিষ্ঠা কৰাৰ বাবে চৰকাৰে ব্যৱস্থা ল'বনে?

শ্ৰীনগেন শৰ্ম্মা (পশু পালন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) মুঠ দুগ্ধ উৎপাদন পাম ৮ খন আছে।

(খ) তেনে কোনো আচনি বৰ্ত্তমানে হাতত লোৱা হোৱা নাই।

(গ) প্ৰশ্ন নুঠে।

★ শ্ৰীকিৰণ কুমাৰ গগৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, ডিব্ৰুগড় জিলাৰ মৰাণ সমষ্টিটো আটাইতকৈ পিছ পৰা। এই সমষ্টিটো অকল দুগ্ধ উৎপাদনৰ ক্ষেত্ৰতে নহয়, কোনো ধৰণৰ উন্নয়নৰ ক্ষেত্ৰতে পিছপৰা। এই পিছপৰা অৱস্থাটোৰ প্ৰতি লক্ষ্য ৰাখি তাত এখন দুগ্ধ উন্নয়ন আঁচনি গ্ৰহণ কৰাৰ ব্যৱস্থা কৰিবনে?

---

★ Speech not Corrected

★ শ্ৰীনগেন শৰ্ম্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰৰ হাতত পাম খোলাৰ ব্যৱস্থা নাই। দুগ্ধ উৎপাদন আঁচনি খোলাৰহে ব্যৱস্থা আছে। তেনে এখন আঁচনি লব পৰা যায় নেকি এই বিষয়ে চাম।

Mr. Speaker : Now Starred Question No. 373

বিষয় ঃ ধনশ্ৰী মহকুমাত মহকুমা পৰিষদৰ কাৰ্য্যালয় স্থাপন।

শ্ৰীবিনোদ গোৱালাই সুধিছে ঃ

★ ৩৭৩। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সৰুপথাৰ/বৰপথাৰ তথা সীমান্তৱৰ্ত্তী ৰাইজৰ উন্নতিৰ প্ৰতি লক্ষ্য ৰাখি ধনশ্ৰী মহকুমাত মহকুমা পৰিষদৰ কাৰ্য্যালয় চলিত বছৰত দিয়াৰ ব্যৱস্থা কৰিবনে?

(খ) যদি দিয়ে কেতিয়াৰ পৰা কাৰ্য্যকৰি কৰিব?

শ্ৰীচন্দ্ৰ আৰন্ধৰা (পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) যে উত্তৰ দিছে—

(ক) আৰু (খ) ধনশ্ৰী মহকুমাত মহকুমা পৰিষদ গঠনৰ বাবে যথাসম্ভৱ সোনকালে ব্যৱস্থা লোৱা হ'ব।

★ শ্ৰীদেবেশ্বৰ বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, বৰপথাৰ ৰাইজৰ প্ৰতি লক্ষ্য ৰাখি ৬৪ মাহৰ ভিতৰতে তাত এটা মহকুমা কাৰ্য্যালয় খোলাৰ ব্যৱস্থা কৰিবনে?

★ শ্ৰীচন্দ্ৰ আৰন্ধৰা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, কেইমাহৰ ভিতৰত কৰিব পাৰো সেইটো মই এতিয়া ক'ব নোৱাৰিম। কিন্তু যিমান পাৰি সোনকালে কৰাৰ কাৰণে ব্যৱস্থা নিশ্চয় গ্ৰহণ কৰিম।

Mr. Speaker : Now Starred Question No. 374

বিষয় ঃ **NREP** আৰু **RLEGP** আঁচনিৰ ৰাস্তা।

শ্ৰীগোপী নাথ দাসে সুধিছে ঃ

★ ৩৭৪। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৮৮ চনৰ ২৯ ফেব্ৰুৱাৰীলৈকে কামৰূপ জিলাৰ বকো-বনগাওঁ উন্নয়ন খণ্ডৰ NREP আৰু RLEGP আঁচনিৰ বিভিন্ন ৰাস্তাবোৰত কিমান ঘন মিটাৰ (C.M.) শিল যোগান ধৰা হৈছিল?

(খ) উক্ত শিলৰ বাবদ এতিয়ালৈকে যোগানকাৰীক দিব লগা টকাৰ পৰিমান কিমান?

(গ) উক্ত ৰিলৰ বাদত এতিয়ালৈকে যোগানকাৰীক কিমান টকা দিয়া হৈছে?

শ্ৰীচন্দ্ৰ আবন্ধৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) যে উত্তৰ দিছে—

(ক) ১৯৮৮ চনৰ ২৯ ফেব্ৰুৱাৰীলৈকে বকো-বনগাওঁ উন্নয়ন খণ্ডৰ এন আৰ ই পি আৰু আৰ এল ই জি পি আঁচনিৰ বিভিন্ন ৰাস্তাবোৰত মুঠ ৬২৪.১৫৮ ঘনমিটাৰ শিলগুটি যোগান ধৰা হৈছিল।

---

★ Speech not Corrected

| | | |
|---|---|---|
| ইয়াৰে এন আৰ ই পি ৰ বাবে ২২০.৯৩৭ঘঃ মিঃ | | |
| আৰ এল ই জি পি বাবে | ৪০৩.২২১ | ঘঃ মিঃ |
| মুঠ | ৬২৪.১৫৮ | ঘঃ মিঃ। |

(খ) উক্ত শিলৰ বাবদ যোগানকাৰীক দিবলগীয়া টকা মুঠ ৬২৪১৫.৮০ টকা ইয়াৰে—

| | | |
|---|---|---|
| এন আৰ ই পি ৰ বাবদ | ২২০৯৩.৭০ | টকা। |
| আৰ এল ই জি পি বাবদ | ৪০৩২২.১০ | টকা। |
| মুঠ | ৬২৪১৫.৮০ | টকা। |

এই টকা আগধন হিচাবে দিয়া হৈছিল। এনে ধৰণে আগধন দিয়াটো নিয়ম বৰ্হিভূত। এই সম্পৰ্কে তদন্তৰ নিৰ্দ্দেশ দিয়া হৈছে।

★ শ্ৰীগোপী নাথ দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰত জনাইছে যে এন আৰ ই, পি, আৰু আৰ এল, ই জি পি কামৰ কাৰণে প্ৰায় ডেৰ লাখ টকা আগধন ঠিকাদাৰক দিয়া হৈছে। কিন্তু ঠিকাদাৰে টকা লৈ ব্লক এৰি পলাইছে। ইয়াৰ এটা তদন্ত কৰি ব্যৱস্থা লব লাগে।

★ শ্ৰীচন্দ্ৰ আৰন্ধৰা (পঞ্চায়ত মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰশ্নৰ উত্তৰতে কৈছো যে বিষয়টোৰ এটা তদন্ত কৰা হৈছে। ইতিমধ্যে জেষ্ঠ খণ্ড উন্নয়ণ বিষয়াক নিলম্বিত কৰা হৈছে আৰু কণিষ্ঠ অভিযন্তা আৰু অন্যান্য কৰ্মচাৰীৰ ওপৰতো ব্যৱস্থা লব ধৰা হৈছে। এতিয়া ইয়াতকৈ বিতং ভাৱে মই জনাব নোৱাৰিম।

**বিষয় ঃ NREP আৰু RLEGP আঁচনিৰ অসম্পূৰ্ণ কাম।**

**শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ**

★ ৩৭৫। মাননীয় গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৮৫/৮৬, ১৯৮৬/৮৭, ১৯৮৭/৮৮ চনত ঢকুৱাখানা উন্নয়ন খণ্ডৰ পূব মাছখোৱা আৰু পশ্চিম মাছখোৱা গাওঁ পঞ্চায়ত এলেকাত NREP আৰু RLEGP আঁচনিত অনুমোদন হোৱা (আলি আৰু স্কুল ঘৰ ক্ষেত্ৰত) প্ৰতিটো আঁচনিয়েই বৰ্ত্তমানলৈকে সম্পূৰ্ণ নোহোৱা কথাটো সঁচা নে?

(খ) যদি সঁচা ইয়াৰ কাৰণ সমূহ কি?

(গ) NREP আৰু RLEGP আঁচনি সমূহ সম্পূৰ্ণৰূপে ৰূপায়ন নকৰি লক্ষীমপুৰ জিলা প্ৰকল্প ব্যৱস্থাপকে অনুমোদনৰ প্ৰতিটো আঁচনিৰ পৰা ১/৩ অংশ টকা এৰি নিদিয়াটো চৰকাৰৰ অৱগত নে?

(ঘ) আঁচনিৰ টকা ৰাখি খোৱা বাবেই আঁচনি সমূহ সম্পূৰ্ণ নোহোৱাটোও সত্য নে?

★ Speech not Corrected

(ঙ) যদি সত্য, তেন্তে আঁচনি সমূহ ৰূপায়ন কৰিবলৈ তৎকালিন ব্যৱস্থা গ্ৰহণ কৰিবনে?

শ্ৰীচন্দ্ৰ আৰন্ধৰা, (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) সঁচা নহয়। প্ৰাপ্ত তথ্য মতে ১৯৮৬-৮৭ চনত স্কুলঘৰ বিলাক অৱশ্যে সম্পূৰ্ণ হোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰতিটো আঁচনিৰ পৰা ১/৩ অংশ ধন প্ৰকল্প সঞ্চালকে এৰি নিদিয়াতো সত্য নহয়। কিন্তু কেন্দ্ৰীয় ভাবে যোগান ধৰা সামগ্ৰী সমূহৰ মূল্য প্ৰাক্-কলনত ধাৰ্য্য কৰাতকৈ বৃদ্ধি পোৱা বাবে অন্যান্য শিতানত প্ৰাক্- কলনত ধাৰ্য্য কৰা মতে প্ৰকল্প সঞ্চালকে ধন অজৰাই দিব পৰা নাই বুলিহে জনা গৈছে।

(ঘ) বাস্তৱত এইটো সত্য নহয়। প্ৰাক্-কলন মতে ধাৰ্য্য কৰা ধন যথেষ্ট নোহোৱাৰ কাৰণেহে আঁচনি সমূহৰ কাম সম্পূৰ্ণ কৰিব পৰা হোৱা নাই।

(ঙ) আঁচনি সমূহৰ কাম সম্পূৰ্ণ কৰাৰ কাৰণে প্ৰয়োজনীয় অতিৰিক্ত ধনৰ ব্যৱস্থা কৰিবলৈ জিলা প্ৰকল্প সঞ্চালকক যাৱতীয় নিৰ্দ্দেশ দিয়া হৈছে।

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ— মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে 'ক' অংশৰ উত্তৰ সঁচা নহয় বুলি কৈছে। কিন্তু অলপ আগতে হোৱা আধাঘন্টাৰ আলোচনাত মন্ত্ৰী মহোদয়ে ১৯৮৬-৮৭ চনৰ বাবে আৰ, এন, ই, জি, পিৰ টকা পঠোৱাই নাই বুলি কৈছে। আৰু 'খ' অংশৰ উত্তৰত কৈছে যে প্ৰতিটো আচনিৰ পৰা তিনি ভাগৰ এক অংশ ধন প্ৰকল্প সঞ্চালকে এৰি নিদিয়াটো সঁচা নহয় কিন্তু কেন্দ্ৰীয় ভাবে যোগান ধৰা সামগ্ৰী সমূহৰ মুখ্য প্ৰাক-কলনত ধাৰ্য্য কৰাতকৈ বৃদ্ধি হোৱা বাবে। অন্যান্য শিতানত প্ৰাক-কলনত ধাৰ্য্য কৰা মতে প্ৰকল্প সঞ্চালকে ধন উলিয়াই দিব পৰা নাই বুলিহে জনা গৈছে। মন্ত্ৰী মহোদয়ে জনাবনে ইটা, বালি, শিল, টিন, চিমেন্ট, লোহা ইত্যাতিবোৰ কেন্দ্ৰীয়ভাৱে ক্ৰয় কৰি যোগান ধৰাৰ ব্যৱস্থা কিয় লোৱা হৈছে ?

★ শ্ৰীচন্দ্ৰ আৰন্ধৰা (মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, উচ্চ মান বিশিষ্ট সামগ্ৰী যাতে ৰাইজে পায় তাৰ কাৰণেই এই ব্যৱস্থা লোৱা হৈছে। শিক্ষা বিভাগৰ অধীনত স্থানীয় ৰাইজক স্কুলখন নিৰ্মাণ কৰিবলৈ শিক্ষাৰ দৰে এই আঁচনিৰ অন্তভূৰ্ক্ত কামবোৰ তেনেদৰে কৰিবলৈ দিয়াত কিছু অসুবিধা আছে, আমি কেন্দ্ৰীয় চৰকাৰৰ নীতি নিৰ্দ্দেশনা মতে কাম কৰিব লাগে। তথাপি মাননীয় সদস্য সকলে পৰামৰ্শ দিয়াৰ বাবে এই আঁচনিৰ কামৰ বাবে প্ৰয়োজন হোৱা ইটা, বালি, শিল স্থানীয়ভাৱে যোগান ধৰাৰ ব্যৱস্থা কৰা হ'ব। পি এল, চি, চিৰ চেয়াৰমেনক সদস্য হিচাবে ৰাখি জেষ্ঠ খণ্ড উন্নয়ণ বিষয়াৰ লগত লৈ এখন স্থানীয় কমিটি গঠন কৰা হৈছে ইয়াৰ কাৰণে।

---

★ Speech not Corrected

শ্ৰীৰামেন্দ্ৰ দে ঃ— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে ভাল বস্তু দিয়াৰ কাৰণে কেন্দ্ৰীয়ভাবে যোগান ধৰাৰ কথা কৈছে। কিন্তু আমি জনাত বহু চৰ্ছিত বেয়া টিনপাত দিয়া হৈছে আৰু য'ত ৮ ফুটীয়া টিন লাগে তাত ১ ফুটীয়া টিন দিয়া হৈছে, এতিয়া এই টিনবোৰ আমি অকচন কৰিম নে এফুটি কাটি লগাবলৈ দিম এইটো কিয় হবলৈ পাইছে জনাবনে ?

শ্ৰীচন্দ্ৰ আৰন্ধৰা (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, কোম্পানীত ৮ ফুটীয়া টিনপাট নথকাৰ বাবে ১০ ফুটীয়া টিন কাটি ৮ ফুট কৰা হৈছে আৰু এনেকৈ যোগান ধৰা হৈছে। কোম্পানীয়ে ৮ ফুটীয়া টিনপাট যোগান ধৰিলেই এই অসুবিধা অন্ত পৰিল।

**বিষয় ঃ ১৯৮৬-৮৭ চনৰ RLEGP আঁচনিৰ কাম।**

**শ্ৰীৰত্নেশ্বৰ সৰকাৰে সুধিছে ঃ**

★ ৩৭৬। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৮৬-৮৭ চনত ৰাজ্যৰ প্ৰত্যেক খণ্ড উন্নয়নৰ পৰা অহা RLEGP ৰ আঁচনিৰ কাম কেতিয়াৰ পৰা আৰম্ভ কৰা হ'ব ?

(খ) উক্ত আঁচনিত ১৯৮৬-৮৭ চনত গোৱালপাৰা জিলাত কোন কোন ঠাইত কি কি কাম লোৱা হৈছিল ?

শ্ৰীচন্দ্ৰ আৰন্ধৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) প্ৰাপ্ত তথ্য মতে ১৯৮৬-৮৭ চনৰ সকলোবোৰ অনুমোদিত আঁচনিৰ কাম আৰম্ভ কৰা হৈছে।

(খ) আৰ এল ই জি পিৰ অধীনত ১৯৮৬-৮৭ চনত গোৱালপাৰা জিলাত হাতত লোৱা বিভিন্ন আচনিসমূহ হ'ল—

১) স্কুলঘৰ প্ৰত্যেক স্কুলত ৬ টা কৈ মুঠ ৩৬ টা।

২) ৰাস্তা প্ৰত্যেক ব্লকত ২ টা কৈ মুঠ ১২ টা।

৩) সামাজিক বনানিকৰণ ৯০ টা।

৪) ইন্দ্ৰিৰা যোজনা আৱসিক গৃহ ১০৩ টা।

৫) গ্ৰামিন শৌচাগাৰ ৪৫ টা

বিশদ তালিকা সদনত দাখিল কৰা হ'ব।

★ শ্ৰীৰত্নেশ্বৰ সৰকাৰ ঃ— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে সদনত তালিকা দাখিল কৰ হ'ব বুলি কোৱা কথাষাৰ উঠাই ল'ব লাগে।

★ শ্ৰীচন্দ্ৰআৰন্ধৰা (মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয় মই দাখিল কৰা হ'ব বুলিহে কৈছো হ'ল বুলি কোৱা নাই।

---

★ Speech not Corrected

★ শ্ৰীৰত্নেশ্বৰ সৰকাৰ ঃ— অধ্যক্ষ মহোদয় মই প্ৰশ্নটো আচলতে সদৌ অসম ভিত্তিত কৰিছিলো আৰু গোৱালপাৰা জিলাত আৰু এন, ই জি পি আঁচনিৰ অধীনত একো কামেই হোৱা নাই বুলি মই জানো। মই অৱশ্যে ১৯৮৩-৮৭ চনৰ কথাহে কৈছো। গোৱালপাৰা জিলাতকিয় কাম হোৱা নাই মন্ত্ৰী মহোদয়ে তদন্ত কৰি কাৰ্য্যকৰী ব্যৱস্থা লব বুলি এই সদনত আশ্বাস দিব নেকি?

★ শ্ৰীচন্দ্ৰআৰন্ধৰা (মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, বিভাগক কাম কৰিবলৈহে ৰখা হৈছে। গোৱালপাৰাত যদি কাম কৰা নাই তেন্তে চাই-মেলি ব্যৱস্থা লোৱা হ'ব।

★ শ্ৰীগৌতম ৰায় ঃ— মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৬-৮৭ চনত আৰু এল, ই, জি, পি, অধীনত ৰাষ্টৰ কাৰণে টকা অহা নাই কিন্তু স্কুলৰ কাৰণে আহিছে। ইৰিগেচন বিভাগৰ বিষয়াক সোধাত ৰাষ্টা দিব লোৱাৰো বুলি কৈছে, আঁচনি বদলাব লাগিব বুলি কৈছে। এইটো সৰ্বভাৰতীয় ভিত্তিত টকা অহা নাই নে অকল অসমৰ ক্ষেত্ৰত য'ত এ, জি, পি চৰকাৰ আছে তাতহে অহা নাই ? যদি আঞ্চলিক দলৰ চৰকাৰ বুলি কেন্দ্ৰই টকা দিয়া নাই তেন্তে আমি কেন্দ্ৰৰ লগত যুজ দিম।

★ শ্ৰীজয়নাথ শৰ্মা ঃ— মাননীয় অধ্যক্ষ মহোদয়, সদস্য গৰাকীয়ে সদনত এ, জি, পি চৰকাৰ থকাৰ কাৰণে কেন্দ্ৰত থকা কংগ্ৰেছ (আই) চৰকাৰে টকা দিয়া নাই—

(কেইবাজনো সদস্যই একেলগে কবলৈ ধৰাত কাৰো কথা লিপিবদ্ধ কৰিব পৰা নগ'ল।)

★ শ্ৰীগৌতম ৰয় ঃ— মাননীয় অধ্যক্ষ মহোদয়, মই কৈছো যে এইটো যদি অল ইণ্ডিয়া বেচিচত হোৱা নাই তেন্তে কোনো কথা নাই, কিন্তু যদি অসমৰ ক্ষেত্ৰত বৈষম্য কৰা হৈছে তেন্তে আমাৰ দলে কেন্দ্ৰৰ লগত যুঁজ দিব।

শ্ৰীচন্দ্ৰআৰন্ধৰা (মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, সদস্য গৰাকীয়ে যিটো কথা কৈছে তাৰ কাৰণে তেখেতক মই ধন্যবাদ জনাইছো। বিশেষকৈ এ, জি, পি, চৰকাৰ বুলিলেই নহয়, কেন্দ্ৰই অসমৰ ক্ষেত্ৰত সদায় মাহী আইৰ চকুৰেই চাই আহিছে। মাননীয় সদস্য জনৰদলৰ সদস্য সকলে অসমৰ কাৰণে কেন্দ্ৰৰ পৰা আৰু কিছু টকা অনাৰ ব্যৱস্থা কৰিলে সকলোৰে কাৰণে ভাল হ'ব।

**বিষয় ঃ বিদ্যাপুৰত (কোকৰাঝাৰ) ৰাজ্যিক চিকিৎসালয়।**

**শ্ৰীফণী ভূষণ চৌধুৰীয়ে সুধিছে ঃ**

★ ৩৭৭। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বঙাইগাওঁ সমষ্টি আৰু কোকৰাঝাৰ জিলাৰ বিদ্যাপুৰত ৰাজ্যিক পশু চিকিৎসালয় থকা কথাটো সঁচানে?

---

★ Speech not Corrected

(খ) যদি সঁচা হয়, উক্ত চিকিৎসালয়খনত কি কি ঘৰ আছে?

**শ্ৰীনগেন শৰ্ম্মা (পশুপালন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) সঁচা।

(খ) বৰ্ত্তমান ডাক্তৰৰ আবাস গৃহ এটা আছে।

★ শ্ৰীফণীভূষণ চৌধুৰী ঃ— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে- প্ৰশ্নোত্তৰত যিটো কথা কৈছে, সেইটো সম্পূৰ্ণ সত্য নহয়। বিদ্যাপুৰত ৰাজ্যিক পশু চিকিৎসালয়ৰ কাম কৰি থকা হৈছে আৰু তাত যিটো অঞ্চলৰ আবাস গৃহ থকা বুলি কৈছে সেইটো কোন ঠাইত আছে মন্ত্ৰী মহোদয়ে জনাবনে?

★ শ্ৰীনগেন শৰ্মা (মন্ত্ৰী) ঃ— মাননীয় সদস্য গৰাকীৰ উত্তৰত মই কওঁ যে, বিদ্যাপুৰত ৰাজ্যিক পশু চিকিৎসালয় বনাবলৈ ১৯৮৭ চনতে টকা দিয়া হৈছিল। সেই মৰ্মে কাম চলি থকা বুলি জনা গৈছে। যদি তেনে কোনো অভিযোগ থাকে আমি তদন্ত কৰি চাব পাৰো।

**বিষয় ঃ ম'হ প্ৰজনণ কেন্দ্ৰ অগ্ৰগতি।**

**শ্ৰীগনেশ কুটুমে সুধিছে ঃ**

★ ৩৭৮। মাননীয় পশু পালন ও পশু চিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গহপুৰ বিধান সভা সমষ্টিৰ কলাবাৰী অঞ্চলত পাতিব খোজা "ম'হ প্ৰজনন কেন্দ্ৰ"ৰ অগ্ৰগতি কিমান হৈছে।

(খ) উক্ত আঁচনিত এতিয়ালৈকে কিমান টকা খৰচ কৰা হৈছে আৰু আঁচনি ৰূপায়নৰ বাবে কিমান বিঘা চৰকাৰী মাটি অধিগ্ৰহণ অথবা আবণ্টন পোৱা হৈছে?

**শ্ৰীনগেন শৰ্ম্মা (পশু পালন ও পশু চিকিৎসা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ**

(ক) গহপুৰৰ কলাবাৰী এলেকাত ম'হ প্ৰজনন কেন্দ্ৰ খোলাৰ বাবে প্ৰত্যেক্ষ ভাবে কোনো আঁচনি হাতত লোৱা নাই। অৱশ্যে কলাবাৰী এলেকাত ঘাঁহ উৎপাদন প্ৰকল্পৰ বাবে এখন আঁচনি হাতত লোৱা হৈছে। বৰ্ত্তমান আঁচনিখন অগ্ৰগতিৰ পথত।

(খ) কলাবাৰী এলেকাৰ ঘাঁহ উৎপাদন প্ৰকল্প আঁচনিখনৰ বাবে ১৯৮৭-৮৮ চনৰ বছৰটোত ৩৪,৫২,৭০০ টকা অনুমোদন দিয়া হৈছে। এই আঁচনিৰ অধীনত ৭৪ টা পৰিয়াল উপকৃত হ'ব। এই আঁচনিখনত ১৩০০ বিঘা মাটিৰ আৱন্টনৰ বাবে যোগাযোগ কৰি থকা হৈছে।

★ শ্ৰীগনেশ কুটুম ঃ— মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৬ চনত চৰকাৰ গঠন হোৱাৰ লগে লগে এদিন ৰেডিঅ', প্ৰেছ কনফাৰেঞ্চৰ পাচত বাতৰিত প্ৰকাশ হ'ল আৰু টি, ভিটো দেখিলো যে গহপুৰ এলেকাত বৰবাৰীত মহ প্ৰজনন কেন্দ্ৰ খোলাৰ বাবে মন্ত্ৰীয়ে

★ Speech not Corrected

২৭ কোটি টকাৰ এখন আঁচনি বিশ্ব বেংকৰ সাহাৰ্য্যত লোৱা হৈছে। সেই বাতৰি শুনি আমাৰসমষ্টিৰ সমূহ ৰাইজ উত্ফুল্লিত হৈ উঠিল। এই আঁচনিখনৰ আজি দুবছৰৰ পাছতো কোনো আঁচনি নোহোৱা দেখি আমি সকলোৱে উদ্বিগ্ন হৈছো। তাৰোপৰি মাননীয় মন্ত্ৰী মহোদয়ে তেনেকুৱা আঁচনি নাই বুলি জনোৱাত আমি আৰু আচৰিত হলো। এই বিষয়ে মই মন্ত্ৰী মহোদয়ৰ পৰা স্পষ্টিকৰণ বিচাৰিছো। মোৰ আজিৰ পৰিপুৰক প্ৰশ্ন হ'ল এই আঁচনিখন লৈ বিভিন্ন সময়ত বিভিন্ন ঠাইত বিভিন্ন নামাকৰণ কৰা হৈছে। দুগ্ধদধি, এচ পি টি এক্সপেৰিমেন্ট টি, এচ, পিৰ আন্দাৰত এচ টিৰ ইত্যাদি। এই অংশৰে ৩৬.০২৭ টকাও যোগান ধৰা হৈছে। ইয়াৰ জৰিয়তে এচ টি পিক ৬৫ লাখ টকা এডভাইচেচী কমিটিক দিয়া হৈছিল। মুঠ ৬০ গৰাকী বেনেফেচিয়েৰীৰ ভিতৰত ১০ গৰাকীহে চিলেক্ট কৰা হ'ব। সেই টকা বিলাকৰ পৰা আহিব, মন্ত্ৰী গৰাকীয়ে তাৰ এটা স্পষ্টীকৰণ দিব লাগে। এই আঁচনি কেতিয়া ক'ত আৰম্ভ কৰা হব সেই বিষয়েও আমি জানিব বিছাৰিছো।

★ শ্ৰীনগেন শৰ্মা (মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, সন্মানিত সদস্য গৰাকীৰ উত্তৰত মই কওঁ যে, সেই মহ প্ৰজনন আঁচনিখন আছিল এখন টেকনিকেল আঁচনি। সেইখন এন, ই, চিৰ পৰা পঠোৱা হৈছিল। যিখন পিচত নাকচ কৰা হ'ল। এই মহ প্ৰজনন আঁচনিখন ঘাহ প্ৰজনন উত্পৰা আঁচনিলৈ পৰিবৰ্তন কৰিবলৈ লৈছো। এম্পইমেন্ট আঁচনিখন সুকীয়া। দুই আঁচনি সযোজন কৰি ৰখা হ'ব।

★ শ্ৰীগনেশ কুটুম ঃ— সেই আঁচনিখনৰ যদি ফিজিবিলিটি নাছিল তেতিয়া হলে চৰকাৰে কি ভিত্তিত এই আঁচনি লৈ দুবছে গাপ কৰি ৰাখি ৰাইজক প্ৰবঞ্চনা কৰিলে।

শ্ৰীনগেন শৰ্মা ঃ— (মন্ত্ৰী মই ভাবো প্ৰবঞ্চনা কৰা হোৱা নাই।)

**বিষয় ঃ ভুৰা গাওঁত ৰেচম পাম।**

**শ্ৰীসুৰেন স্বৰ্গীয়াৰী য়ে সুধিছে ঃ**

★ ৩৭৯। মাননীয় ৰেচম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে।

(ক) বৰপেটা জিলাৰ চাপাগুৰি সমষ্টিৰ "ভুৰাগাওঁত" এখন ৰেচম পাম খোলাৰ প্ৰস্তাৱ আছে নেকি?

শ্ৰীনগেন শৰ্ম্মা, (ৰেচম বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, আছে।

শ্ৰীসুৰেন স্বৰ্গীয়াৰী ঃ মাননীয় অধ্যক্ষ মহোদয় এই পামখন খোলাৰ কেতিয়া ব্যৱস্থা কৰিব?

শ্ৰীনগেন শৰ্মা ঃ এই বিত্তীয় বছৰতে আৰম্ভ কৰা হব।

---

★ Speech not Corrected

## UNSTARRED QUESTION AND ANSWERS

Re. Names and address of registered Clubs/Libraries.

Shri Sheikha Abdul Hamid, asked ঃ

706. Will the Minister, Panchayat be pleased to state ঃ

(a) Names and address of registered Clubs/Libraries within the Mandia Devlopment Block?

(b) The President/Chairman and Secretary of the Clubs/Libraries so registered?

(c) The amount of financial or other assistance received by the Clubs/ Libraries in the last 5 years?

(Please furnish information in yearwise break up).

**Shri Chandra Arandhara, (Minister of Panchayat and Rural Development) replied :–**

(a) & (B) The required information is given in the Annexures A and B enclosed herewith.

(c) No financial or other assistance was provided by the Panchayat and Rural Development Department. (See the information at Annexure I)

বিষয় ঃ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ স্থাপন।

শ্ৰীপদ্ম নাথ কৈৰীয়ে সুধিছে ঃ

৭০৭। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিশ্বনাথ চাৰিআলিৰ জাপৌবাৰী গাওঁত এটি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ পতাৰ প্ৰাক্-কলন তৈয়াৰ কৰা কথাটো সঁচানে?

(খ) যদি হয় বৰ্ত্তমানেও কাম আৰম্ভ কৰা হোৱা নাই কিয়?

শ্ৰীঅভিজিত শৰ্ম্মা (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) সঁচা।

(খ) ১০ লাখ টকাৰ প্ৰাক কলন খন যোৱা ১৪-৩-৮৮ তাৰিখত প্ৰশাসনীয় অনুমোদন জনোৱা হয়। পূঁজি সাপেক্ষে সোনকালেই কাম হাতত লোৱা হ'ব।

**Re. :– Construction of Sildhulsi Hailakandi road.**

**Shri Muktar Hussain, asked :**

708. Will the Minister, Rural Development be pleased to state :

(a) The amount spent in the construction of Sildhulsi Hailakandi road in Sonai Block of Cachar District ?

(b) Is it a fact that this year Rs. 51,000.00 (fifty one thausand) was spent against earthwork of 15000 cubic feet on the said road ?

(c) If so, the number of labourers engaged in the earthwork ?

**Shri Chandra Arandhara (Minister, Rural Development) replied :**

(a) Rs. 61, 574.00 has been spent for construction of the Sildubi-Hailakandi Road under RLEGP during 1986-87.

(b) Rs. 61,574.00 has been spent against earthwork of 3,24,944 cft and 3622 no of Mandays were generated.

(c) Total 188 labourers wer engaged for the earthwork and the no of labourars varied from time to time.

**Re. Schemes under I.R.D.P.**

**Shri A. F. Golam Osmani, asked :**

709. Will the Minister, Rural Development be pleased to state :

(a) Number of i) Agriculture
ii) Sericulture
iii) Tertiary schemes under I.R.D.P.

programme selected in 1985-86 and 1986-87 respectively in Ruposi Block of Barpeta district ?

**Shri Chandra Arandhara (Minister, Rural Development) replied :**

(a) As per information received, number of schemes taken up under IRDP during 1985-86 & 1986-87 in Ruposi Development Block is as under :–

| | | 1985-86 | 1986-87 |
|---|---|---|---|
| 1) | Agriculture | 132 | 69 |
| 2) | Sericulture | Nil | Nil |
| 3) | Tertiary | 302 | 175 |

**Re. Upgradation of Phillobari State Dispensary**

**Shri Dileswar Tanti, asked :**

711. Will the Minister Health & F. W. Assam be pleased to State :

(a) Whether the Govt. is aware about the long standing public grievances of Phillobari area for, Upgradation of the present Phillobari State Dispensary under the Tinsukia Subdivision ?

(b) Is it a fact that a hug plot of land has been reserved and earmarked for this Dispensary long back for its future improvement ?

(c) If so, when the Govt. will take steps for upgradation of this Dispensaries to a full fledged hospital ?

**Shri Abhijit Sarma, (Minister of State, Health & F.W.) replied :**

(a) From the records readily available, no such represantation has been received.

(b) Yes.

(c) Yes, depending upon availability of fund and recommendation of Sub-Divisional Development Council.

**বিষয় ঃ পশু চিকিৎসালয়ৰ ডাক্তৰ শ্ৰীশ্বহীদুল ইছলামে সুধিছে ঃ**

৭১২। মাননীয় পশু পালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্ত্তমান কিমান খন পশু চিকিৎসালয়ত ডাক্তৰ নাই? (নামৰ তালিকা দিব)

(খ) উক্ত পশু চিকিৎসালয় বিলাকত কেতিয়া ডাক্তৰ নিযুক্তি দিয়া হ'ব?

শ্ৰীনগেন শৰ্ম্মা (পশু পালন বিভাগৰ মন্ত্ৰী) য়ে সুধিছে ঃ

(ক) ১২৩ খন (তালিকা সদনৰ মজিয়াত ৰখা হ'ল)

(See the Annexure-II)

(খ) অৰ্হতা সম্পন্ন ডাক্তৰৰ অভাৱত পূৰণ কৰিব পৰা নাই।

**Re. : V. A. S. in Veterinary R. P. Centre.**

**Shri Digendra Purkayastha, asked :**

713. Will the Minister, Veterinary be pleased to state :

(a) Whether it is a fact that there is no Veterinary Asstt. Surgeon in Veterinary R.P. Centre at Bhagabazar in Silchar Sub-Division ?

(b) If so, since when it is vacant ?

(c) Will the Government place one Veterinary Assistant Surgeon there ?

**Shri Nagen Sarma (Minister of Veterinary) replied :**

(a) Yes.

(b) Since April, 1985.

(c) Action is being taken to post one Veterinary Assistant Surgeon early.

**Re. : Purchase of medicine.**

**Shri Abdul Muktadir Choudhury, asked :**

714. Will the Minister, Veterinary be pleased to state :

Amount of medicine purchased by Government in 1987-88 till date ?

**Shri Nagen Sarmah (Minister of Veterinary) replied :**

Rs. 1,08,58,649.39

**বিষয় ঃ গণককুছি সত্ৰৰ মীন পালন পুখুৰী।**

**কুমাৰ দীপক দাসে সুধিছে ঃ**

৭১৫। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা গণককুছি সত্ৰৰ মীন পালন পুখুৰী সম্পৰ্কত কিবা আঁচনি চৰকাৰৰ আছে নেকি ?

(খ) এই পুখুৰী সম্পৰ্কত কিবা আঁচনি চৰকাৰলৈ সত্ৰ পৰিচালনা সমিতিয়ে প্ৰেৰণ কৰিছে নেকি ?

(গ) যদি নাই, সত্ৰৰ এই পুখুৰীটো মীন পালন আঁচনিৰ অন্তৰ্ভূক্ত কৰি ব্যৱস্থা লব পৰা যাব নেকি ?

**শ্ৰীনগেন শৰ্ম্মা (মীন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) হয় আছে। বৰপেটা জিলা মীন উন্নয়ণ বিষয়াই বৰপেটা জিলাৰ গ্ৰামীন বিকাশ উন্নয়ন সন্থা প্ৰকল্প সঞ্চালকৰ নিৰ্দ্দেশক্ৰমে বৰপেটা জিলাৰ ভিতৰত ৭ টা উন্নয়ন খণ্ডৰ অন্তৰ্গত মুঠ ২৮ টা পুখুৰী আৰ এল ই জি পি আঁচনিত বাছনি কৰে। ইয়াৰ ভিতৰত বৰপেটা উন্নয়ন খণ্ডৰ গণককুছি সত্ৰৰ পুখুৰীটো লোৱা হৈছে। বৰপেটা জিলাৰ গ্ৰামীন বিকাশ সন্থাৰ প্ৰকল্প সঞ্চালকক উক্ত পুখুৰী উন্নয়ন বিষয়াই উক্ত আঁচনিৰ অনুমোদন সম্পৰ্কে জানিব পৰা নাই।

(খ) নাই।

(গ) ইতিমধ্যে মীন পালনৰ বাবে যাবতীয় আঁচনি প্ৰশ্নৰ (ক) অংশত উল্লেখ কৰা মতে দাখিল কৰা হৈছে। অনুমোদন পালে উন্নয়নৰ ব্যৱস্থা লব পৰা যাব।

**Re. :– Quality Control Board in Assam.**

**Dr. Ardhendu Kumar Dey, asked ঃ**

716. Will the Minister, Health & F. W. be pleased to state ঃ

(a) Whether there is any quality Control Board in Assam at present ?

(b) If the answer is in affirmative whether that Board is Functioning at present ?

(c) If the answer of No (b) is Yes– whether OTRIVIN NASAL DROP OF CIBA was examined by the quality Control Board about its standard of quality when Hon'ble Minister of Health some doubt about the quality of this Drug ?

**Shri Abhijit Sarma, (Minister of State Health & F.W.) replied ঃ**

(a) No.

(b) Does not arise.

(c) Does not arise.

**বিষয়- মজলীয়া ৰাইচ মিলৰ লেভি—**

**শ্ৰীজগত হাজৰিকাই সুধিছেঃ**

৭১৭। মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) উঃ লঃ মহকুমাৰ মজলীয়া ৰাইচ মিল বিলাকৰ লেভি তৎক্ষনাত ৫০০ কুঃলৈ কমাই দিয়া কথাটো সঁচানে ?

(খ) যদি সঁচা কি কাৰণে কমাব লগা হ'ল ?

শ্ৰীবিৰাজ কুমাৰ শৰ্ম্মা ঃ খাদ্য আৰু অসামৰিক যোগান বিভাগ (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) সঁচা, কিন্তু তৎক্ষনাত নহয়।

(খ) ১৯৮৭-৮৮ চনত খেতিৰ সময়ত উপৰ্য্যুপৰি হোৱা বানপানীৰ ফলত মহকুমাটোত ধান খেতি কম হোৱা বাবে আৰু খেতি লগোৱা সময়ৰ পৰাই ধানৰ অত্যাধিক মূল্য বৃদ্ধি তথা স্থানীয় খাদ্য নিগম কৰ্তৃপক্ষ্যই বছৰটোৰ আৰম্ভণিতে লেভি চাউল ল'বলৈ অস্বীকাৰ কৰা হেতুকে লেভি কমাব লগা হয়। কিন্তু উপায়ুক্তই এনেদৰে লেভি নকমাই লেভি অৰ্দাৰত দিয়া পদ্ধতিৰে লেভি ল'বলৈ কোৱা হৈছে।

**Re. : Subsidised assistance from Central Government.**

**Shri Nilamoni Das asked–**

718. Will the Minister, Fisheries be pleased to state–

(a) The amount of assistance received from the Central Government as subsidy to the flood affected pisciculturists ?

(b) Has the aforesaid amount already been distributed ?

(c) If so, will the Government submit the particulars of the beneficiaries ?

Shri Nagen Sarma (Minister of Fisheries) replied :

a) 12.00 lakhs.

b) Yes.

c) The beneficiaries list are not received from the Districts and Sub-divisions yet.

**Re. :- Need of PHC at Dudpatil–**

**Shri Altaf Hussain Mazumdar, asked :**

719. Will the Minister, Health & F.W. Assam be pleased to state–

a) Whether the Govt. is aware that there is the need of a PHC at Dudpatil (Chotodudpatil) under Udarbond Dev. Block and the necessary land is available free of cost ?

b) Is it a fact that the Chief Medical and Health Officer, Cachar sent a proposal to Directorate of Health Services recommending establishment of PHC at Dudpatil ?

c) Is so what action has been taken in respect of the proposal mentioned at (b) ?

**Shri Abhijit Sarma (Minister, State Health & F.W.) replied :**

a) Yes

b) Yes

c) PWD has been asked to submit plan and estimate for construction of a PHC at Chotodudpatil.

**বিষয়- হোজাই মহকুমাত চিকিৎসক নিযুক্তি।**

**শ্রীআব্দুল জলিল ৰাগিবীয়ে সুধিছেঃ**

৭২০। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) হোজাই হাস্পতালত সৰ্বমুঠ কিমানজন চিকিৎসক আছে আৰু হোজাই হাস্পতালত নিযুক্ত সকলো চিকিৎসকে অকল হোজাই হাস্পতালতে কাম কৰে নে অইন কোনো হাস্পতালতো চোৰা মেলাৰ দ্বায়িত্ব দিয়া হৈছে?

(খ) হোজাই হাস্পতালৰ বাবে এক্সৰে প্লান্ট মঞ্জুৰ কৰা হৈছিলনে?

(গ) যদি হৈছিল তেন্তে সেইটো কামত লগোৱা হৈছে নে, যদি হোৱা নাই তেন্তে কিয়?

(ঘ) হোজাই হাস্পতালত লেবৰেটৰী টেকনিচিয়ান পোষ্টটো খালি হৈ আছে নেকি আৰু যদি হয় তেন্তে কিয়?

(ঙ) হোজাই হাস্পতালখন কিমান খন বিচনা যুক্ত, সম্পূৰ্ণ বিচনাৰ ব্যৱস্থা তাত আছে নে, নাই যদি কিয়?

**শ্ৰীঅভিজিত শৰ্ম্মা, (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী)য়ে উত্তৰ দিছেঃ**

(ক) ৫ জন। তাৰে ভিতৰৰে ২ জন চিকিৎসক অস্থায়ী ভাৱে নগাওঁ জিলা অসামৰিক চিকিৎসালয়ত ৰোগী চোৱা মেলাৰ দায়িত্বত ৰখা হৈছে।

(খ) নাই হোৱা।

(গ) প্ৰশ্ন নুঠে।

(ঘ) হয়। প্ৰশিক্ষণ প্ৰাপ্ত প্ৰাৰ্থীৰ অভাৱত।

(ঙ) ৩০ খন। নাই। ৩০ খন বিচনাযুক্ত চিকিৎসালয়ৰ গৃহ নিৰ্মাণ বৰ্ত্তমানলৈকে কৰা হোৱা নাই কাৰণে পুৰণি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ গৃহতেই ২০ খন বিচনাত ৰোগী ৰখাৰ ব্যৱস্থা কৰা হৈছে।

**বিষয় ঃ বৰাহীবাৰী ৰেচম পাম্পত সূতা কটা কেন্দ্ৰ।**

**শ্ৰীপ্ৰদীপ হাজৰিকাই সুধিছেঃ**

৭২১। মাননীয় ৰেচম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমান চৰকাৰে থলুৱা মহিলা সকলক আৰ্থিকভাৱে সাহাৰ্য্য আগবঢ়াবৰ বাবে আমগুৰি সমষ্টিৰ বৰাহীবাৰী ৰেচম পামত যিটো সূতা-কটা কেন্দ্ৰ খুলিবলৈ, লৈছিল সেই কেন্দ্ৰটি মাজতে কিয় বন্ধ কৰি দিয়া হ'ল।

(খ) আজি বহুদিনৰ আগতে গৌৰী সাগৰ আৰু বৰাহীবাৰী ৰেচম পামত বহু ঘৰ বনোৱা হ'ল যদিও আজি পৰ্য্যন্ত এই ঘৰবোৰৰ কোনো ব্যৱস্থাৰ নকৰাকৈ পৰি থকাৰ কাৰণ কি?

(গ) উক্ত পামখনৰ বিজুলি সংযোজনৰ বাবে আবেদন কৰি থকাৰ পৰিপ্ৰেক্ষিতত বিজুলী যোগান সৰবৰাহৰ ব্যৱস্থা নোলোৱাৰ কাৰণ কি?

শ্ৰীনগেন শৰ্ম্মা (ৰেচম বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) বৰাহীবাৰী ৰেচম পামত সূতা কটা কেন্দ্ৰটো বৰ্ত্তমান বন্ধ কৰি দিয়া হোৱা নাই। মুগালাট ব্যৱসায়ৰ বাবে ১ লাখ টকা চৰকাৰৰ পৰা অনুমোদন (বিনিয়োগ মূলধন) পোৱা হ'ল আৰু মুগা লাট ক্ৰয় কৰি গৌৰীসাগৰ আৰু বৰাহীবাৰী মুগা সূতা কটা কেন্দ্ৰত প্ৰায় ৪০ গৰাকী ছোৱালীক দৈনিক উৎপাদিত হাৰত মঞ্জুৰি দি কাম আৰম্ভ কৰিব দিয়া হৈছে।

(খ) বৰাহীবাৰী আৰু গৌৰীসাগৰ ৰেচম পামত কোনো ঘৰ অব্যৱহৃত হৈ পৰি থকা নাই। সকলোবোৰ ঘৰ বিভাগীয় কামত ব্যৱহাৰ হৈ আছে।

(গ) বৰাহীবাৰী মুগা প্ৰকল্পৰ ওচৰেদি কোনো বিজুলী সংযোজন শাখা নথকাৰ কাৰণে উক্ত পামত বিজুলী যোগান ধৰিব পৰা হোৱা নাই।

**Re. : Non release of fund for NREP & RLEGP.**

**Shri Manilal Gowala, asked :**

722. Will the Minister, Panchayat & Rural Development be pleased to state :

(a) The reasons for the non-release of funds for N.R.E.P. and R.L.E.G.P. etc. for the year 1987-88 under D.R.D.A. Karimganj ?

(b) What action do the Govt. contemplate to take to implement the schemes for the year 1987-88 under the D.R.D.A. Karimganj ?

**Shri Chandra Arandhara, (Minister, Panchayat and Rural Development) replied :**

(a) As per information available, Rs. 39.99 lakhs under NREP and Rs. 29.07 lakhs under RLEGP have been released to DRDA Karimganj against allocations for 1987-88 including Food Grains.

(b) Work of all NREP schemes of 1987-88 have already been taken-up.

Except Social Forestry, work of other RLEGP Schemes of 1987-88 could not be taken up because spill over works of previous years were still going on. The works are being taken up soon.

বিষয়— চাবুৱাত কুষ্ঠ ৰোগীৰ চিকিৎসালয়।

শ্ৰীভৱেন বৰুৱাই সুধিছে ঃ

৭২৩। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চাবুৱাত থকা কুষ্ঠ ৰোগীৰ চিকিৎসালয়খন স্থানীয় ৰাইজৰ অভিযোগক্ৰমে স্থানান্তকৰণৰ কাৰ্য্যকৰী ব্যৱস্থা হাতত লৈছেনে?

শ্ৰীঅভিজিত শৰ্ম্মা (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী) য়ে উত্তৰ দিছে—

(ক) নাই হোৱা। এই চিকিৎসালয়ৰ স্থান বাচনি অসম ৰাজ্য চৰকাৰে ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়ৰ লগত লগ লগাই চাবুৱাত থকা মহাবিদ্যালয়ৰ গ্ৰাম্য স্বাস্থ্য প্ৰশিক্ষণ কেন্দ্ৰৰ লগত পতা সিদ্ধান্ত কৰি নিৰ্মাণ কাৰ্য্য আৰম্ভ কৰিছে। এনে অৱস্থাত এই চিকিৎসালয়খন অন্য ঠাইলৈ স্থানান্তৰ কৰা কাৰ্য্যত সম্ভৱ নহয়।

বিষয়— জনজাতি আৰু অনুসূচীত সম্প্ৰদায়ৰ পৰিকল্পনাৰ চিকিৎসালয় স্থাপন।

শ্ৰীদেবেশ্বৰ বৰাই সুধিছেঃ

৭২৪। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ১৯৮৬-৮৭ চনত অসমৰ কোন কোন ঠাইত জনজাতি আৰু অনুসূচীত সম্প্ৰদায় পৰিকল্পনাৰ পৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু ৩০ খন বিচনা যুক্ত চিকিৎসালয় স্থাপন কৰা হ'ব?

(খ) ১৯৮৭-৮৮ চনত স্বাস্থ্য বিভগে অনুসূচীত সম্প্ৰদায় উন্নয়ন পৰিকল্পনাৰ (SCP) পৰা অসমৰ কোন কোন ঠাইত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ (PHC) স্থাপন কৰাৰ ব্যৱস্থা হাতত হৈছে?

শ্ৰীঅভিজিত শৰ্ম্মা (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) জনজাতি।

প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ

| | | | |
|---|---|---|---|
| কামৰূপ জিলা | — | ১। | নৰতাপ। |
| গোৱালপাৰা জিলা | — | ২। | টিপলাই। |
| | | ৩। | খাৰদাঙ। |
| লক্ষীমপুৰ জিলা | — | ৪। | কেকুৰীবাৰী পমুৱা। |
| | | ৫। | চিলা পথাৰ। |
| | | ৬। | তেলেম। |
| | | ৭। | বিজয়পুৰ। |

নলবাৰী জিলা — ৮। গান্ধীবাৰী।

শোণিতপুৰ জিলা — ৯। উলুবাৰী।

কোকৰাঝাৰ জিলা — ১০। চৰাইবিল।

৩০ খন বিচনা যুক্ত চিকিৎসালয়।

নলবাৰী জিলা — ১। তামুলপুৰ।

২। মছলপুৰ।

কোকৰাঝাৰ জিলা — ৩। বিজনী (ভেটা গাওঁ)

অনুসূচীত জাতি

প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ

গোৱালপাৰা জিলা — ১। বিষ্ণুপুৰ।

নলবাৰী জিলা — ২। বৰ্ণিবাৰী।

৩। কৰিয়া বিজুলীঘাট।

৩০ খন বিচনাযুক্ত চিকিৎসালয় অনুসূচীত জাতিৰ পৰিকল্পনাত স্থাপন কৰা হোৱা নাই।

(খ) তলত দিয়া ঠাই সমূহত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ স্থাপনৰ বাবে চৰকাৰে কৰ্ম্মচাৰী নিযুক্তি দিয়াৰ অনুমোদন দিছে।

কামৰূপ জিলা — ১। দিহিনা।

২। মালীবাৰী বজাৰ।

নগাওঁ — ৩। কুৰুৱীতল।

৪। গাখুজোৱা।

শোণিতপুৰ জিলা — ৫। দিপোতা।

তলত দিয়া ঠাই সমূহত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ স্থাপনৰ বাবে চৰকাৰে ঘৰ দুৱাৰ নিৰ্ম্মাণ কৰিবলৈ প্ৰশাসনীয় অনুমোদন দিছে।

১। মাজুকুছি, গোলাঘাট।

২। বিলতীয়া, গোলাঘাট, দেৰগাওঁ।

৩। পকামূৰা পাঠক ৰছুক, যোৰহাট।

৪। অৰুণামুখ, যোৰহাট।

৫। সৰু চৰাইখাট (ঢেকৰগড়া) যোৰহাট।

৬। চুঙাজান, সৰুপথাৰ, গোলাঘাট।

৭। নাহৰচলা, সৰুপথাৰ, গোলাঘাট।

৮। বিলগাওঁ, বৰপথাৰ, গোলাঘাট।

৯। গেলাবিল বৰপথাৰ, গোলাঘাট।

১০। ভাগ্যপুৰ সৰুপথাৰ, গোলাঘাট।

১১। বৰপথাৰ, গোলাঘাট।

১২। কাৰৰুগাওঁ, গোলাঘাট।

১৩। কাচমাৰি, গোলাঘাট।

১৪। মহুৰামুখ, বোকাখাত, যোৰহাট।

১৫। কাঁৱৈমাৰি, গোহাইগাওঁ, টিয়ক, যোৰহাট।

১৬। বেকাজান গোহাই গাওঁ, তিতাবৰ, যোৰহাট।

১৭। কেঞামাৰা, নাওবৈচা, উত্তৰ লক্ষীমপুৰ।

১৮। হাৰমতি, নাওঁবৈচা, উত্তৰ লক্ষীমপুৰ।

১৯। মেনেহা, নাওবৈচা উত্তৰ লক্ষীমপুৰ।

২০। সাংপাচনীয়া, উত্তৰ শালমাৰা, গোৱালপাৰা।

২১। দুমেৰগুৰি, উত্তৰ শালমাৰা, গোৱালপাৰা।

২২। ঘাৰমৰা গাওঁ, লক্ষীমপুৰ।

২৩। ৰহা বৰজাৰী, জাগীৰোড, মৰিগাওঁ।

২৪। আমগুৰি, উত্তৰ শালমাৰা, গোৱালপাৰা।

২৫। চাংচকী, ৰহা, নগাওঁ।

২৬। বামুণীজান, ৰহা নগাওঁ।

২৭। ৰাতাবাৰী, কৰিমগঞ্জ।

২৮। কালাচৰা, কৰিমগঞ্জ।

২৯। কচুডলা, অভয়পুৰী, দক্ষিণ সমষ্টি, গোৱালপাৰা।

৩০। খাৰঘুলী, গুৱাহাটী, কামৰূপ।

৩১। বলিয়াঘাট পথালিয়াল, শিৱসাগৰ।

৩২। সৰুটাপা, বৰপেটা।

৩৩। ৰামুনবড়ি, কামৰূপ।

৩৪। খাটগাওঁ, যোৰহাট।

৩৫। পূব কামপুৰ, নগাওঁ।

৩৬। দীহতীয়া, যোৰহাট।

বিষয়- গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত **Generator** ৰ ব্যৱস্থা।

শ্ৰীকমলা কলিতাই সুধিছেঃ

৭২৫। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ হস্পিতালত বিজুলী সৰবৰাহ বন্ধ হ'লে জুৰুৰী ব্যৱস্থাৰ বাবে Generator ৰ ব্যৱস্থা নথকাতো চৰকাৰে জনাবনে?

(খ) যদি জানে ইয়াৰ যোগান ধৰিবলৈ কি ব্যৱস্থা লোৱা হৈছে?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (স্বাস্থ্য বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক)-(খ) গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ হস্পিতালত কেইটামান বিশেষ বিভাগত জৰুৰী ব্যৱস্থাৰ বাবে বিজুলী যোগানৰ সুবিধা আছে আৰু তাৰ বাবে ৬০ KVA Disel Generating set ৰখা হৈছে। গোটেই চিকিৎসালয় খনতে সুকিয়া ভাবে জৰুৰী কালিন বিজুলী যোগানৰ ব্যৱস্থা কৰাটো ব্যয় বহুল যদিও গড় কাপ্তানী বিভাগে ইয়াৰ বাবে এখন আঁচনি যুগুত কৰাৰ কথা চিন্তা কৰি আছে।

**Re.: Buffer stock for ensuing flood season–**

**Shri Karnendu Bhattacharjee, asked ঃ**

726. Will the Minister, Food & Civil Supplies be pleased to state–

a) Whether Govt, is fully aware of the ensuing flood season is ahead ?

b) Whether Govt. has taken steps for creating a buffer stock in Cachar and Karimganj District for the ensuning flood season ?

Shri Biraj Kumar Sarma (Minister Food and Civil Supplies) replied ঃ

a) Yes.

b) The Food Corporation of India authorities have been requested to build up buffer stock of foodgrains to the tune of 1,20,000 MT Central pool rice and similar quantity of wheat within our state before the peak period of monson to meet the unforeseen situation that may arise during the rainy season. Out of the above quantity of food grains we have earmarked maintenance of 15,500 MT rice and 16,800 MT wheat in the FCI depot located at Badarpur, Karimganj and Generatord silchar for the above purpose as buffer

stock. Besides, the local Deputy Commissioner/Sub-Divisional Officers have been instructed to take steps for maintaining supply and price line of essential commodities.

বিষয়— মৰিগাওঁত অসামৰিক চিকিৎসালয়।

শ্ৰী মতি দাসে সুধিছেঃ

৭২৭। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মৰিগাওঁ অসামৰিক চিকিৎসালয়খনৰ সকলোবিভাগতে চিকিৎসাৰ বাবে সামগ্ৰী আৰু চিকিৎসক দিয়া হৈছে নে?

(খ) যদি নাই, তেন্তে দুখীয়া পৰিয়ালৰ আৰ্থিক দিশৰ প্ৰতি লক্ষ্য ৰাখি কম খৰচতে সকলো বিভাগৰ চিকিৎসা পোৱাৰ ব্যৱস্থা অনতি পলমে কৰিবনে?

(গ) মৰিগাওঁ মহকুমাৰ কিমানখন ৰাজ্যিক চিকিৎসালয় বৰ্ত্তমান চিকিৎসক নোহোৱাকৈ চলি আছে?

(ঘ) সেই ভিতৰুৱা পিচপৰা অঞ্চল সমূহৰ জনসাধাৰণৰ চিকিৎসাৰ বাবে চিকিৎসক নিযুক্তি অনতি পলমে দিয়া হ'বনে?

শ্ৰীঅভিজিত শৰ্মা (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) দিয়া হৈছে।

(খ) প্ৰশ্ন নুঠে।

(গ) চাৰিখন। যেনে, মনহা, লুনামাটি, গড় মাৰি আৰু আহতগুৰি।

(ঘ) ব্যৱস্থা লোৱা হ'ব।

বিষয়— কোকৰাঝাৰ জিলাৰ উপায়ুক্তৰ চিঠি।

শ্ৰীমকবুল হুছেইনে সুধিছেঃ

৭২৮। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) কোকৰাঝাৰ জিলাৰ উপায়ুক্তই চিঠি নং কে চি ৫৯/৮৭/পিটি/৩০ (এ) তাৰিখ ৩০/১০/৮৭ যোগে অসম স্বাস্থ্য সেৱা সঞ্চালকলৈ পঠোৱা চিঠি সম্পৰ্কত কি ব্যৱস্থা লোৱা হৈছে?

শ্ৰীঅভিজিত শৰ্মা (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) অসম চৰকাৰৰ স্বাস্থ্য বিভাগে ইং ১১/৩/৮৮ তাৰিখৰ এইচ, এল, এ ৬৪/৮৮/১৫৪ চিঠিৰ মৰ্ম্মে গড়কাপ্তানি বিভাগক কোকৰাঝাৰ জিলাৰ ভাণ্ডাৰাত এখন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ প্ৰতিষ্ঠাৰ বাবে প্ৰাক-কলন প্ৰস্তুত কৰিবলৈ অনুৰোধ কৰিছে।

বিষয়— বিহগুৰি মৌজাৰ ৰঙামাটি আৰিমৰা পথ।

শ্ৰীপ্ৰফুল্ল গোস্বামী সুধিছেঃ

৭২৯। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) তেজপুৰ মহকুমাৰ গাভৰু উন্নয়ণ খণ্ডৰ অন্তৰ্গত বিহগুৰি মৌজাৰ ৰঙামাটি আৰিমৰা পথটো (ৰাষ্ট্ৰিয় গ্ৰাম্য আঁচনিৰ) কিমান চনত আৰম্ভ কৰা হৈছিল?

(খ) এই পথটোৰ দৈৰ্ঘ্য কিমান আৰু কিমান দূৰতৰ সম্পূৰ্ণ হ'ল?

(গ) এই পথটোৰ বাবে কিমান টকা ধাৰ্য্য কৰা হৈছিল আৰু কিমান খৰচ হল?

(ঘ) মুঠ কিমান জন লোক (মাষ্টাৰ ৰোলমতে) এই পথত উক্ত আঁচনিত কাম কৰিলে?

শ্ৰীচন্দ্ৰ আৰন্ধৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) এই পথটোৰ কাম ১৯৮১-৮২ বছৰত আৰম্ভ কৰা হৈছিল।

(খ) এই পথটোৰ মুঠ দৈৰ্ঘ্য ৪ কিঃ মিঃ। প্ৰাপ্ত তথ্য মতে ৩-৫০ কিলোমিটাৰৰ কাম হৈছে।

(গ) এই পথটোৰ বাবে মুঠ ২৮৪৫৬০.০০ টকা ধাৰ্য্য কৰা হৈছিল আৰু অদ্য পৰিমিত ২,৫৭,৬০৬.০০ টকা খৰছ কৰা হৈছে।

(ঘ) এই আঁচনিত মুঠ ২৬,৬৯৭ (মাষ্টাৰ ৰোলমতে) টা হাজিৰা সৃষ্টি হৈছে।

বিষয় ঃ বৰছলা সমষ্টিৰ স্বাস্থ্য কেন্দ্ৰ

শ্ৰীপ্ৰফুল্ল গোস্বামীয়ে সুধিছেঃ

৭৩০। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰছলা সমষ্টিৰ বৰছলা আৰু বাহবাৰী মৌজাৰ বান্দৰমাৰী চিকিৎসা কেন্দ্ৰ দুটা কেতিয়া প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ কৰা হ'ব?

(খ) বিহুগুৰি, বৰগাওঁ, বাহবাৰী মৌজাৰ (বৰছলা সমষ্টিৰ) বিহগুৰি মৌজাত এখন ৩০ খন বিচনাযুক্ত গ্ৰাম্য চিকিৎসালয় স্থাপন কৰাৰ ব্যৱস্থা কৰিবনে?

শ্ৰীঅভিজিত শৰ্ম্মা (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) বৰছলা সমষ্টিৰ ডুমডুমা আৰু বান্দৰমাৰী দুখন ভেষজালয়ৰ ভিতৰত ডুমডুমা বৰছলা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ উন্নতি কৰাৰ সিদ্ধান্ত লোৱা হৈছে।

(খ) বৰছলা সমষ্টিত বাহবাৰী আৰু বিহগুৰি মৌজাত ৩০ খন বিচনাযুক্ত গ্ৰাম্য চিকিৎসালয় স্থাপন কৰাৰ কোন সিদ্ধান্ত এতিয়াও লোৱা নাই।

বিষয় ঃ অসম নাগালেণ্ড সীমান্ত অঞ্চলত ভোটাৰ।

শ্ৰীবিনোদ গোৱালাই সুধিছেঃ

৭৩১। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ধনশ্ৰী মহকুমাত অসম নগালেণ্ড সীমান্তৰ বেংমা, দক্ষিণ নামবৰ, চুঙাজান, ডিফু বনাঞ্চলত অসমৰ ৪০ হেজাৰ ভোটাৰ থকাৰ কথা চৰকাৰে অবগত নে ?

(খ) যদি অৱগত তেন্তে উক্ত বনাঞ্চলত পঞ্চায়তী ৰাজ আইন মতে তিনিখন পঞ্চায়ত দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

(গ) যদি কৰে কেতিয়াৰ পৰা কৰিব ?

**শ্ৰীচন্দ্ৰ আৰন্ধৰা (পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ**

(ক)-(খ) সাধাৰণতে আইনৰ দৃষ্টিকোনৰ পৰা পঞ্চায়তী ৰাজ আইন সংৰক্ষিত বনাঞ্চললৈ সম্প্ৰসাৰণ কৰিব নোৱাৰি।

উল্লেখিত এলেকা সমূহ সংৰক্ষিত বনাঞ্চলৰ ভিতৰত হোৱাৰ কাৰণে তাত বেদখলী ভাৱে বসবাস কৰা ৰাইজক পঞ্চায়তী ৰাজ আইনৰ অন্তৰ্ভূক্ত কৰিব পৰা নাযায়।

(গ) প্ৰশ্ন নুঠে।

**বিষয় ঃ ছমৰীয়া উন্নয়ণ খণ্ডৰ গুদাম ঘৰ।**

**শ্ৰীগোপীনাথ দাসে সুধিছেঃ**

৭৩২। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) কামৰূপ জিলাৰ ছমৰীয়া উন্নয়ণ খণ্ডৰ বৰ্ত্তমান নিৰ্ম্মীয়মান অৱস্থাত থকা কাৰ্য্যালয়ৰ গুদাম ঘৰটোত টিনপাত লগোৱাৰ বাবে প্ৰাককলন মতে কিমান ধাৰ্য্য কৰা হৈছে?

(খ) উক্ত গুদাম ঘৰটোত অতি নিম্ন শ্ৰেণীৰ টিনপাত লগোৱা কথাটো চৰকাৰে জানেনে ?

(গ) যদি জানে, তেন্তে এই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

শ্ৰীচন্দ্ৰ আৰন্ধৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ছমৰীয়া উন্নয়ণ খণ্ডৰ কাৰ্য্যালয়ৰ গুদাম ঘৰটোত টিনপাত লগাবৰ কাৰণে প্ৰাককলন মতে মুঠ ৬,৯৬০.০০ টকা ধাৰ্য্য কৰা হৈছিল।

(খ) এই কথা চৰকাৰৰ দৃষ্টি গোচৰ হোৱা নাই।

(গ) কথাটো এই প্ৰশ্নৰ যোগে চৰকাৰৰ দৃষ্টি গোচৰ হৈছে। তদন্ত কৰি বিহিত ব্যৱস্থা লোৱা হ'ব।

**বিষয় ঃ পশু চিকিৎসালয়ত ডাক্তৰ নিযুক্তি।**

**শ্ৰীগোপী নাথ দাসে সুধিছেঃ**

৭৩৩। মাননীয় পশু পালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত কাহিবাৰী ৰাজ্যিক পশু চিকিৎসালয়টোত আজিলৈকে ডাক্তৰ নিযুক্তি নিদিয়া কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে, তেন্তে সোনকালে উক্ত চিকিৎসালয়টোত ডাক্তৰ নিযুক্তিৰ দিয়াৰ ব্যৱস্থা কৰিবনে ?

(গ) যদি নকৰে, তেন্তে ইয়াৰ কাৰণটো জনাবনে ?

শ্রীনগেন শৰ্ম্মা (পশুপালন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) জানে।

(খ) যথাবিহীত ব্যৱস্থা লোৱা হৈ আছে।

(গ) প্রশ্ন নুঠে।

**বিষয় ঃ ধানকলৰ অনুজ্ঞা পত্ৰ।**

**শ্রীগোপী নাথ দাসে সুধিছেঃ**

৭৩৪। মাননীয় খাদ্য আৰু অ-সামৰিক যোগান মন্ত্রী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমান চৰকাৰে কাৰ্য্যভাৰ লোৱাৰ পিচত কামৰূপ জিলাত ধানকলৰ অনুজ্ঞাপত্ৰ বিচৰা কিমানজন আবেদনকাৰীৰ নাম অনুসন্ধানৰ কাৰণে চৰকাৰে প্ৰেৰণ কৰিছে?

(খ) উক্ত অনুসন্ধানৰ প্ৰতিবেদনবোৰ চৰকাৰে পাইছে নে আৰু যদি পাইছে তেন্তে কেতিয়া পাইছে?

(গ) যদি নাই পোৱা তেন্তে অতি সোনকালে অনুসন্ধানৰ প্ৰতি বেদনবোৰ চৰকাৰৰ ওচৰত দাখিল কৰিবলৈ প্ৰয়োজনীন নিৰ্দ্দেশ দিবনে ?

**শ্রীবিৰাজ কুমাৰ শৰ্ম্মা (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছেঃ**

(ক) অনুজ্ঞা পত্ৰ বিচৰা ২৭৬ জন আবেদনকাৰীৰ নাম অনুসন্ধানৰ কাৰণে প্ৰেৰণ কৰা হৈছে।

(খ) বৰ্ত্তমান কোনো প্ৰতিবেদন চৰকাৰে পোৱা নাই সেয়েহে কেতিয়া পাইছে প্ৰশ্ন নুঠে।

(গ) প্ৰতিবেদন সমূহ অতি সোনকালে দাখিল কৰিবৰ বাবে চৰকাৰে প্ৰয়োজনীয় নিদ্দেৰ্শ দিয়েই আছে।

**বিষয় ঃ N. R. E. P. আৰু R. L. E. G. P. ৰ বানপানীত ক্ষতি হোৱা ৰাস্তা।**

**শ্রীদিলীপ কুমাৰ শইকীয়াই সুধিছেঃ**

৭৩৫। মাননীয় গ্ৰাম্য উন্নয়ণ বিভাগৰ মন্ত্রী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

যি বিলাক ৰাস্তা যোৱা বছৰ বান পানীৰ ফলত টুকুৰা টুকুৰা হৈছিল সেই ৰাস্তা বিলাক NREP আৰু RLEGP আঁচনিত বাৰিষাৰ আগে আগে মেৰামতি কৰাৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

**শ্ৰীচন্দ্ৰ আৰন্ধৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ**

যোৱা বছৰৰ বানপানীত এন-আৰ-ই-পি আৰু আৰ-এল-ই-জি-পি আঁচনিৰ নষ্ট হোৱা ৰাষ্টাৰ কাৰণে মুঠ ২.২৫ কোটি টকাৰ আৱশ্যক। এই টকাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা সাহাৰ্য্য বিচৰা হৈছিল।

ইয়াৰ উপৰিও মঞ্জুৰীকৃত ধনৰ শতকৰা ৭ ভাগ মেৰামতিৰ কাৰণে খৰচ কৰা হয়। কিন্তু বানপানীৰ কাৰণে হোৱা ক্ষয়-ক্ষতিৰ তুলনাত শতকৰা ৭ ভাগ ধন একেবাৰেই কম হয়, গতিকে কেন্দ্ৰীয় চৰকাৰৰ পৰা ধন পালেহে সম্পূৰ্ণ মেৰামতি সম্ভৱ হ'ব।

**বিষয় ঃ বঙ্গাইগাওঁ গ্ৰাম্য চিকিৎসালয়।**

**শ্ৰীফনী ভূষণ চৌধুৰীয়ে সুধিছে ঃ**

৭৩৬। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বঙ্গাইগাওঁ ৩০ খন বিচনাযুক্ত গ্ৰাম্য চিকিৎসালয়ত AMBULANCE আছেনে ?

(খ) যদি নাই, কেতিয়াৰ পৰা নাই ?

**শ্ৰীঅভিজিত শৰ্ম্মা (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী)য়ে উত্তৰ দিছেঃ**

(ক) হয়, আছে।

(খ) প্ৰশ্ন নুঠে।

**বিষয় ঃ খণ্ড উন্নয়ণ বিষয়াৰ কাৰ্য্যালয় স্থাপন।**

**শ্ৰীফণীভূষণ চৌধুৰীয়ে সুধিছেঃ**

৭৩৭। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) প্ৰতিটো সমষ্টিতে দুটাকৈ খণ্ড উন্নয়ণ বিষয়াৰ কাৰ্য্যালয় স্থাপনৰ কিবা আঁচনি চৰকাৰৰ আছে নেকি ?

(খ) যদি আছে, ১৯৮৭-৮৮ চনৰ বিত্তীয় বছৰটোত কিমানটা খণ্ড উন্নয়ণ বিষয়াৰ কাৰ্য্যালয় স্থাপনৰ আঁচনি হাতত লৈছে?

(গ) ১৯৮৮-৮৯ চনৰ বিত্তীয় বছৰটোত খণ্ড উন্নয়ণ বিষয়াৰ কাৰ্য্যালয় স্থাপনৰ পৰিকল্পনা আছে নেকি ?

(ঘ) বঙাইগাওঁ সমষ্টিত এটাও খণ্ড উন্নয়ণ বিষয়াৰ কাৰ্য্যালয় নথকা কথাটোৰ বিষয়ে চৰকাৰ অৱগত নে ?

**শ্ৰীচন্দ্ৰ আৰন্ধৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ**

(ক) এনে আঁচনি বৰ্ত্তমানে নাই, অৱশ্যে উন্নয়ণ খণ্ড সমূহ প্ৰশাসনিক আৰু ৰাইজৰ সুবিধালৈ লক্ষ্য ৰাখি পূৰ্ণগঠন কৰাৰ আঁচনি আছে।

(খ) ১৯৮৭-৮৮ চনৰ বিত্তীয় বছৰটোত ১০ টা নতুন উন্নয়ণ খণ্ডত কাৰ্য্যালয় স্থাপন কৰাৰ কাম হাতত লোৱা হয়।

(গ) বিষয়টো বিবেচনাধীন হৈ আছে।

(ঘ) হয়, জানে।

**Re. : Admission into M.B.B.S. Course by Unfair means.**

Shri Genesh Kutum asked ঃ

738. Will the Minister of Health & Family Welfare Development be pleased to state–

(a) Is it a fact that this year a large number of non tribal and non Scheduled Caste Candidates managed to get themselves admitted into 1st year M.B.B.S. Course in the three Medical Colleges of Assam by unfair means against the reservation Seats ?

(b) If, so what measures have been taken so far by the Govt. ?

**Shri Chandra Mohan Patowary (Minister of Health & Family Welfare) replied ঃ**

(a) Yes, some students secured admission in to the M.B.B.S. Course in 1987-88 by furnising false Scheduled Caste Certificates which was detected later on. No report has however been received of taking admission by Scheduled Tribe Candidates on the basis of Submitting false S.T. Certificates.

(b) The matter was enquired into by the Chief Minister's Spl. Vigilance Cell and on the basis of their report the seats of the following students were cancelled & Criminal Cases were also lodged against the Students.

1) Shri Pankaj Bhusan Medhi

2) Smti. Mousumi Das,

The following students were selected for admission by submitting false S.C. Certificate but were not admitted in to M.B.L.S. Course 1987-1988.

1) Shri Bhupati Deka

2) Shri Binoy Kumar Deka

Criminal Ceses were filed against the said two students.

**Re. : Lohitmukh State Veterinary Dispensary.**

**Shri Ganesh Kutum asked ঃ**

739. Will the Minister, A.H.& Veterinary be pleased to state–

(a) Name of the Departments engaged for the construction of the Lohitmukh State Veterinary Dispensary and the different works allocated to each department and the cost thereof (Workwise) ?

(b) Name of the Department and the contractor engaged for construction of the Doctor's quarters Building and the Compound Fencing of the dispensary ?

**Shri Nagen Sarma (Minister of A.H.& Veterinary) replied ঃ**

(এ) পশুপালন ও পশু চিকিৎসা বিভাগৰ অধীনত লোহিতমুখ ৰাজ্যিক পশু চিকিৎসালয় খন ইং ১৯৮৬-৮৭ চনতে উল্লেখ কৰা ধৰণে নিৰ্ম্মাণ কাৰ্য্য এই বিভাগে হাতত লোৱা হয়।

| | | | |
|---|---|---|---|
| ১৯৮৬-৮৭ | ১। পশু চিকিৎসালয় ঘৰ এটা | ৯৪,৯৫৪.০০ | টকা। |
| | ২। লেবাৰ বেৰেক (২ ইউনিক) | ৫২,৬৫২.০০ | টকা। |
| | ৩। ডাক্তৰ থকা ঘৰ এটা | ১,০৫,৫৭০.০০ | টকা। |
| | ৪। চৌহদৰ বেৰ দিয়া কাম | ৩৩,৪৮০.০০ | টকা। |
| | ৫। পকা কুৰাৰ কাম | ৪,৭২৫.০০ | টকা। |
| | ৬। স্থান উন্নত কামৰ বাবদ | ৯,০০০.০০ | টকা। |
| ১৯৮৭-৮৮ | ১। ক্ষেত্ৰ সহায়ক থকা ঘৰ | ৮০,৯৪০.০০ | টকা। |

(বি) ডাক্তৰ থকা ঘৰ আৰু চৌহদৰ বেৰ দিয়া কামৰ বাবে শ্ৰীগিৰীজা বৰমুদৈক কামটো দিয়া হৈছে।

(Unstarred Question No. 740 was not called for.)

**বিষয় ঃ গাওঁ পঞ্চায়তৰ সদস্য।**

**শ্ৰীসুৰেন স্বৰ্গীয়াৰীয়ে সুধিছেঃ**

৭৪১। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নলবাৰী মহকুমা পৰিষদত চাপাগুৰি সমষ্টিৰ দক্ষিণ বাস্কাগাওঁ পঞ্চায়তৰ সদস্য জন মনোনীত কৰা হৈছে নে?

(খ) যদি হৈছে সদস্য জনৰ নাম কি?

(গ) যদি হোৱা নাই তাৰ কাৰণ কি আৰু সোনকালে মনোনীত কৰাৰ ব্যৱস্থা কৰিবনে?

শ্ৰীচন্দ্ৰ আৰন্ধৰা (পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) হয় কৰা হৈছে।

(খ) শ্ৰীনাগেশ কুমাৰ মেধী।

(গ) প্ৰশ্ন নুঠে।

**Re. : Number of PHC, State Dispensary & Health Sub-Centres.**

Shri Maziruddin Ahmed asked ঃ

742. Will the Minister of Health & F.W. be pleased to state ঃ

(a) Total number of (i) Primary Health Centre.

(ii) State Dispensary and

(iii) Health Sub-Centre in Goalpara East Constituency ?

(b) Who are the present incumbents in charge of the above mentioned medical units ?

(c) Whether any of the Units are without assigned incharged ? (Please give the name of such Units with duration)

**Shri Abhijit Sarma (Minister State Health & F.W.) replied ঃ**

(a) i) 3 (three) PHC

ii) 4 (four) State Dispensary.

iii) 19 (Nineteen) Sub-Centres.

(b) The medical unit wise details are given below–

| Name of the Health Institutions in the Goalpara East Constituency. | Name of the incumbents, i/c. of Health Institutions. |
|---|---|
| 1. Matia Primary Health Centre | Dr. G.N. Deka, Sr. M & HO. |
| 2. Mornoi Primary Health Centre | Dr. N. Basumatary, Sr. M & HOI |
| 3. Agia Primary Health Centre | Dr. K. Rabha, Sr. M & HOI |

| | |
|---|---|
| 4. Dalgoma State Dispensary. | Dr. P. K. Pathak, M & HOI |
| 5. Krishnai State Dispensary | Dr. D. Das, M & HOI |
| 6. Badahapur State Dispensary | Dr. D. Medhi, M & HOI |
| 7. Dohikata Bamuakunja Sub-Centre | i/c., A.N.M. (under the centrol of Sr. M & HOI, PHC, Mornoi). |
| 8. Gadharbori Sub-Centre. | In-Charge, A.N.M. (under the Control of Sr. M & HOI, PHC, Mornoi.) |
| 9. Krishnai Guria Sub-Centre | In-Charge, A.N.M. (Under the control of Sr. M & HOI, PHC, Mornoi) |
| 10. Veterghat Sub-Centre | In-Charge, A.N.M. (under the control of Sr. M & HOI, PHC, Mornoi.) |
| 11. Bahati Sub-Centre | In-Charge Pharmacist (under the control of Sr. M & HOI, PHC, Matia.) |
| 12. Karipara Sub-Centre | In-Charge A.N.M. (under the control of Sr. M. & HOI, PHC, Matia) |
| 13. Delgana Sub-Centre | In-Charge, A.N.M. (under the Control of Sr. M & HOI, PHC, Matia) |
| 14. Satipara Sub-Centre | In-Charge, A.N.M. (under the Control of Sr. M & HOI, PHC, Agia). |
| 15. Kur uavhasa Sub-Centre. | In-Charge, A.N.M. (under the Control of Sr. M&HOI, PHC, Mornoi) |

(C) Yes the following units are Presently without assigned in-Charge.

| | |
|---|---|
| 1. Harimura State Dispensary | M&HOI, Bacant since 4-6-87 In-Charge Pharmacist Sri S.R. Das. |
| 2. Baladmari Char Sub-Centre | A.N.M. Vacant (under the control of Sr. M & HOI, PHC, Mornoi. |
| 3. Dubapara Sub-Centre | A.N.M. vacant (under the Control of Sr. M & HOI, PHC, Mornoi. |

| | |
|---|---|
| 4. Tengabari Sub-Centre | A.N.M. vacant (under the Control of Sr. M & HOI, PHC, Momoi. |
| 5. Tuktra Sub-Centre | A.N.M. vacant (under the Control of Sr. M & HOI, PHC, Momoi. |
| 6. Sutarpara Sub-Centre | A.N.M. vacant (under the Control of Sr. M & HOI, PHC, Momoi. |
| 7. Sidhabari Sub-Cente | A.N.M. vacant (under the Control of Sr. M & HOI, PHC, Matia. |
| 8. Kalurhata Sub-Centre | A.N.M. vacant (under the Control of Sr. M & HOI, PHC, Agia. |
| 9. Derreh Sub-Centre | A.N.M. vacant (under the Control of Sr. M & HOI, PHC, Agia. |
| 10. Messelkhowa Sub-Centre | In-charge, Pharmacist vacant (under the control of Sr. M&HO PHC, Agia. |
| 11. Kohira Sub-Centre | In-charge, A.N.M.Vacant (under the control of Sr. M&HO PHC, Agia. |

**Ref. :- Erection of Pokalagi Hahchorabari Bundh.**

**Shri Maziruddin Ahmed, asked-**

743. Will the Minister, Rural Development be pleased to state :-

(a) When the money for the erection of Pokalagi Hanchorabari Bund was sanctioned and the amount so sanctioned ?

(b) Whether the Hume pipe culvert are proposed on the said Bundh ?

(c) If so, how many channels are estimated and the number of Hume pipes purchased and actually used for the purpose ?

(d) Whether the work was entrusted to one P.W.D. contractor ?

(e) Whether the bricks used for the work were rejected by the Department?

(f) Whether there was complaint regarding the standard of bricks ?

(g) If so, will the Govt. makes an enquiry through an independent Agency immediately ?

**Shri Chandra Arandhara (Minister, Rural Development) replied :-**

(a) The Pokalagi Hahchorabari Bund was sanctioned in 1986-87 under PASMAFAP and an amount or Rs. 2,89,500/- was sanctioned.

(b) Yes.

(c) Two numbers of channels were estimated for providing Hume pipe culverts with double Hume pipe culverts. Hume pipe of 90 Cm : dia, numbering 45 were purchased for, out of which 25 nos. used in the said Bundh in two channels with three and two openings respectively. The remaining 20 hume pipes will be used in other projects.

(d) No. The work was executed through local labour.

(e) No rejected bricks were used in the work. The supplier first time supplied inferior quality of bricks and were rejected, but the supplier supplied superior bricks at his own cost, replacing the earlier supplies.

(f) The Project Director, Goalpara received a complaint, and on the basis of the complaint, the bricks were verified and rejected.

(g) In view of the action taken already, no further enquiry by any independent agency seems necessary at present.

Ref. :- Construction of Gilacherra L.P. School.

Shri Maziruddin Ahmed, asked–

**744. Will the Minister, Rural Development be pleased to state :**

(a) Whether it is a fact that Rs. 84,000.00 was sanctioned under RLEGP for the construction of Gilacherra L.P. School under Sonai Block of Cachar District ?

(b) Whether the Govt. is aware that III Class bricks are being used in the construction ?

(c) Is it a fact that due to sub-standard construction the wall of the school building collapsed due to storm ?

(d) Whether any public complaint was received in this respect and if so the actions taken ?

**Shri Chandra Arandhar (Minister, Rural Development) replied–**

(a) Rs. 80,000.00 only was sanctioned for the Gilachera L.P. School of Sonai Development Block under RLEGP in 1986-87.

(b) No such information has been received by Govt.

(c) No Sir.

(d) No such complaint appears to have been received so far.

**Re. :- Vacancy of Vaccinator CM&HO, Goalpara.**

**Shri Maziruddin Ahmed, asked–**

745. Will the Minister, Health & FW. Assam be pleased to state :

(a) Is it a fact that one post of Vaccinator fell Vacant in the office of CM&HO. Goalpara.

(b) If so, whether there were candidates who applied for the said post who had earlier experience of 7/8 years as temporary vaccinators ?

(c) Whether in preference to the new hand has been appointed who had no previous experience of M.P.W. training named M.R. Ghosh ?

(d) If so, why the experienced candidates have not been considered for appointment in the said post instead a person having no experience of M.P.W. training has been appointed ?

**Shri Abhijit Sarma (Minister (State) Health & FW) replied :–**

(a) Yes.

(b) No.

(c) The existing incumbent (M.R. Ghosh) is appointed on purely temporary basis till the availability of the M.P.W. trained personnel, due to urgent necessity. The person appointed had experience though not trained in M.P.W.

(d) Does not arise.

**Re. :– PHC & 30 BEDDED HOSPITALS OF BAGBOR**

**Shri Sheikh Abdul Hamid, asked–**

746. Will the Minister, Health & FW Assam be pleased to state–

(a) The number of PHC and thirty bedded hospital sanctioned for No. 45 Bagbor constituency during 1986-87, 1987-88 ?

(b) Is it a fact that Bag marchar Gaon Panchayat, Bagbor Gaon Panchayat and Imam Hussan (Tarakandi) Gaon Panchayat which are separated by the Brahmaputra river from rest of the No. 45 Bagbor Constituency have no medical facilities at all ?

(c) Is so, whether the Govt. will sanction a PHC at Kadamtala of Baghmarachar Gaon Panchayat having more than seventyfive thousand population ?

**Shri Abhijit Sarma State (Minister, Health & FW) replied–**

(a) Nil

(b) Not a fact. There are 3 Sub-centres under Baghmarachar Gaon Panchayat, 3 Sub-Centres under Imam Hussain Gaon Panchayat and 2 Sub-Centres under Baghbor Gaon Panchayat.

(c) Govt. have already called for plan and estimate for construction of a PHC at Kadamtala. On receipt there of administrative approval will be accorded subject to availability of fund.

**Re. :- Number of Primary Health Centre, State Dispensary and Medical Sub-Centre.**

**Shri Muktar Hussain, asked–**

747. Will the Minister Health & F.W. Assam be pleased to state–

(a) The number with location of (i) Primary Health Centre (ii) State Dispensary (iii) Medical Sub-Centre in Chenga Legislative Assembly Constituency of Barpeta District ?

(b) Who are incharge of the above mentioned Units ?

(c) Is it a fact that some of the Medical Units referred to are running without any staff ?

(d) If so, which are these Medical Units without medical staff ?

**Shri Abhijit Sarma (Minister of State Health & F.W) replied–**

(a) (i) 2 (two) Primary Health Centre viz at Chenga and Nagaon.

(ii) 2 (two) State Dispensaries, viz at Bahari and Kachumara.

(iii) 13 (thirteen) Sub-Centes, viz at (1) Chenimari (2) Dekhingodhani (3) Bandali (4) Tarabarirchar, (5) Machara (6) Marichakandi, (7)

Halangapura, (8) Charkhalabandha, (9) Gima (10) Bagadi (11) Ganakpara, (12) Kahikuchi (13) Bishnupur.

(b) Senior Medical & Health Officer is the incharge of the Primary Health Centre.

Medical & Health officer– I is the incharge of the State Dispensary, and A.N.M.is the incharge of the Sub-Centre.

(c) Yes, nine Sub-Centres.

(d) (1) Dakhingadhoni Sub-Centre (2) Bandali (3) Tarabarirchar, (4) Mahachara (5) Marichakandi Sub-Centre, (6) Halangapara (7) Charkhalabandha (8) Bagodi and (9) Khikuchi Sub-Centre.

**Re. : Asom Sahitya Sabha.**

**Shri A. F. Golam Osmani, asked–**

748. Will the Minister, Fisheries be pleased to State–

(a) Whether it is a fact the a sum of rs. 3 lakhs was spent from the departmental officer to entertain the participants of Hailakandi Session of Asom Sahitya Sabha in February 1998 by supplying fish ?

(b) If so, under which heads and rule such expenditure is accounted for ?

**Shri Nagen Sarma (Minister Fisheries) replied :–**

(a) Not true.

(b) Does not arise.

**Re. :– Grant utilised for Assam Sahitya Sabha–**

**Shri A.F. Golam Osmani, asked–**

749. Will the Minister, Rural Development be pleased to state–

(a) Whether any sum of the Barpeta District Rural Development Agency fund was ever utilized for the purpose of Assam Sabitya Sabha session by way of grant or temporary accommodation ?

(b) If so, when the amount involved ?

(c) Total amount spent by Barpeta district Rural Development Agency in connection with Pathsala session of Asom Sahitya Sabha ?

**Shri Chandra Arandhara (Minister, Rural Development) replied–**

(a) No fund of DRDA, Barpeta was ever utilised for the purpose of Assam Sahitya Sabha Session by way of grant or temporary accommodation.

(b) Does not arise.

(c) Does not arise.

**Re. :- Schemes under I.R.D.P.of Barpeta.**

**Shri A. F. Golam Osmani, asked–**

750. Will the Minister, Rural Development be pleased to state–

(a) Total number schemes taken up under I.R.D. Programme in

i) Bhabanipur Development Block.

ii) Bajali Development Block.

iii) Jalah Development Block.

iv) Gobardhana Development Block.

of Barpeta district in 1985-86 and 1986-87 ?

(b) Number of I.R.D.P. Schemes earmarked for S.C. and S.T. in above blocks in the years under reference ?

Shri Chandra Arandhara (Minister, Rural Development) replied–

(a) No of Schemes

| | 1985-86 | 1986-87 |
|---|---|---|
| i) | 616 | 730 |
| ii) | 538 | 1023 |
| iii) | 308 | 653 |
| iv) | 1864 | 400 |

(b)

| | 1985-86 | | 1986-87 | |
|---|---|---|---|---|
| | S.C. | S.T. | S.C. | S.T. |
| i) | 39 | 6 | 4 | 29 |
| ii) | 40 | 51 | 32 | 83 |
| iii) | 17 | 146 | 16 | 324 |
| iv) | 97 | 230 | 8 | 113 |

**Re. :– PHCs SANCTIONED UNDER S.C. COMPONENT PLAN**

**Shri Digendra Purkayastha, asked–**

751. Will the Minister, Health & FW Assam be pleased to state–

(a) How many PHCs have been sanctioned under Special Scheduled Castes Component plan during the year 1986-87 and 1987-1988 ?

(b) Whether any PHCs have been sanctioned in the District of Cachar under the aforesaid plan in 1986-87 and 1987-1988 ?

(c) If so, the names of those PHCs and the area in which those will be located ?

(d) If not, the reason thereof ?

**Shri Abhijit Sarma, (State Minister, Health & FW. Assam) will reply :–**

a) 1986-87 Staff sanctioned for 3 PHCs.

1987-88 Staff sanctioned for 5 PHCs.

1987-88 Administrative approval accorded for construction of buildings for 33+3=36 P.H.Cs.

b) No.

c) Does not arise.

d) Recommendation of Advisory Council for Welfare of Scheduled Castes, Assam, has not been received for establishment of any PHC in Cachar Dist. under the SCP during 1986-87 and 1987-88.

বিষয় ঃ পশু পালন বিভাগৰ বিক্ৰী কেন্দ্ৰ।

শ্ৰীজগত হাজৰিকাই সুধিছেঃ

৭৫২। মাননীয় পশু পালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) লক্ষীমপুৰ জিলাৰ পশু পালন বিষয়াৰ চিঠি নং E-4/86-87/3226 of 14th Oct./86 মৰ্ম্মে লক্ষীমপুৰত এটি বিক্ৰী কেন্দ্ৰ (Sale Booth) নিৰ্ম্মানৰ বাবে ২,৪০,০০০ টকা বিচৰাটো সত্যনে?

(খ) যদি সত্য এই ক্ষেত্ৰত কি ব্যৱস্থা লোৱা হৈছে ?

শ্ৰীনগেন শৰ্ম্মা (পশুপালন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে—

(ক) সত্য।

(খ) ৮৩,০৫০ টকাৰ সংমোদন দিয়া হৈছে। উক্ত বিক্ৰী কেন্দ্ৰ স্থাপনৰ আৱশ্যকীয় ব্যৱস্থা লোৱা হৈছে।

বিষয় ঃ লালুকত খণ্ড উন্নয়ণ বিষয়াৰ কাৰ্য্যালয় নিৰ্ম্মাণ।

শ্ৰীজগত হাজৰিকাই সুধিছেঃ

৭৫৩। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) লালুকত এটি নতুনকৈ খণ্ড উন্নয়ণ বিষয়াৰ কাৰ্য্যালয় খোলাৰ বিষয়ে কোনো পৰিকল্পনা আছে নেকি?

(খ) যদি নাই তেন্তে ব্যৱস্থা ল'ব নেকি?

শ্ৰীচন্দ্ৰ আৰন্ধৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে—

(ক) বৰ্তমান এনে পৰিকল্পনা নাই।

(খ) এতিয়া প্ৰশ্ন নুঠে।

**বিষয় ঃ মীন পাম কেন্দ্ৰ আঁচনি।**

**শ্ৰীপ্ৰদীপ হাজৰিকাই সুধিছেঃ**

৭৫৪। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) আজি এবছৰৰ আগতে আমগুৰি সমষ্টিৰ দিখৌমুখৰ মৰিদিখৌ সুতিটোত মীন পাম কেন্দ্ৰলৈ ৰূপান্তৰ কৰিবৰ বাবে প্ৰকল্প আঁচনি এখন যুগুটাই চৰকাৰক দিয়া কথাটো সঁচানে?

(খ) উক্ত আঁচনিৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

**শ্ৰীনগেন শৰ্ম্মা (মীন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে—**

(ক) ২৪-১-৮৭ তাৰিখে শিৱসাগৰ জিলাৰ অতিৰিক্ত উপাযুক্তই আমগুৰি মৰিদিখৌ এৰা সুতিটো মীন কেন্দ্ৰ হিচাবে উন্নয়ণ কৰিবলৈ উজনি অসমৰ আয়ুক্তৰ ওচৰত প্ৰস্তাৱ দাখিল কৰিছিল আৰু ইয়াৰ প্ৰতিলিপি মীন বিভাগৰ সঞ্চালকক প্ৰেৰণ কৰিছিল। মীন সঞ্চালকায়ৰ উচ্চ বিষয়া এজনে স্থানীয় ভাৱে তদন্ত কৰি পায় যে সুতিটোৰ পাৰলৈ পট্টাৰ মাটি। সুতিটো দাঠ হাবি আৰু তৰানীৰে ঠাই খাই আছে। এই হাবি পিতনিবোৰ বিশেষ যন্ত্ৰ নহলে পৰিষ্কাৰ কৰা সম্ভৱ নহয় আৰু পানীৰ পৰা উঠাই জাৱৰ-জোঠৰবোৰ ৰখাৰ ঠাইও নহব। তদুপৰি ১৯৮৭-৮৮ চনৰ বিত্তীয় বছৰত সাধাৰণ এলেকাত নতুনকৈ মীন পাম খুলিবৰ কাৰণে যথেষ্ট পৰিমাণৰ বাজেটত ধন নাছিল।

(খ) এৰা সুতিটো সম্পূৰ্ণ উন্নয়ণ কৰিবলৈ মীন বিভাগৰ লগতে পৰ্য্যটন আৰু গ্ৰাম্য উন্নয়ন বিভাগক জৰিত কৰি উক্ত বিভাগ দুটাৰ পৰা প্ৰয়োজনীয় আৰ্থিক মঞ্জুৰী দিলে কৰিব পৰা হ'ব। বিভাগৰ পৰা একাংশ কৰাৰ বাবে ১৯৮৮-৮৯ চনত বিবেচনা কৰা হৈছে।

## VOTING ON DEMENDS FOR GRANTS

**Mr. Speaker**– Now, Item No. 2. Voting on Demands for grants.

এতিয়া আইটেম নং ২। বান নিয়ন্ত্ৰণ মঞ্জুৰীৰ ওপৰত আলোচনা হব আৰু এই বিতৰ্কৰ উত্তৰ মন্ত্ৰী মহোদয়ে ১২.৪৫ মিনিটত দিব। এতিয়া শ্ৰীআমিনুল ইছলাম।

শ্ৰীহেমেন দাস ঃ— Sir, a point of order. মাননীয় অধ্যক্ষ মহোদয়, মই এটা গুৰুত্বপূৰ্ণ বিষয়ৰ

ওপৰত পইন্ট অৱ অৰ্ডাৰ ৰেইজ কৰিব বিছাৰিছো। যোৱা কালি বাতৰি কাকতত পাইছো যে পৰিবহন মন্ত্ৰীয়ে পৰিবহনৰ বাছ ভাড়া কমাইছে। সদন চলি থাকিলে এনেকুৱা গুৰুত্বপূৰ্ণ কথা সদনক আগতে জনাব লাগে কিন্তু মন্ত্ৰী গৰাকীয়ে সদনত নিদি আগতে বাহিৰত প্ৰকাশ কৰিছে। ইয়াৰ দ্বাৰা সদনক অৱজ্ঞা কৰা হৈছে। মই এই বিষয়ে আপোনাৰ ৰুলিং বিচাৰিছো।

শ্ৰীজয়নাথ শৰ্মা ঃ— A point of order Sir, অধ্যক্ষ মহোদয় পৰিবহন বিভাগ আলোচনা কৰোতে মন্ত্ৰী মহোদয়ে আশ্বাস দিছিল যে তেখেতে বাছ ভাড়া কমাব।

**Mr. Speaker**– We cannot take up any other matter now. We will take up Budget Discussion now. We cannot take up any other matter.

শ্ৰীহেমেন দাস ঃ— চাৰ এইটো এজেণ্ডাৰ ভিতৰৰ কথা নহয়, বাতৰি কাকতত প্ৰকাশিত বস্তু এটা মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ তথা আপোনাৰ ৰুলিং বিচাৰিছো।

**Mr. Speaker**– Order, order, not allowed.

শ্ৰীআমিনুল ইছলাম ঃ— মাননীয় অধ্যক্ষ মহোদয়, মই মোৰ বৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি যোৱা কালি বক্তৃতা সামৰণি মৰাৰ আগতে কৈছিলো যে বান নিয়ন্ত্ৰণ বিভাগটো যথেষ্ট পৰিমানে গুৰুত্ব দিয়া হোৱা নাই, এইটো স্পষ্ট হৈছে। বান নিয়ন্ত্ৰণৰ দৰে গুৰুত্বপূৰ্ণ বিভাগ এটাত মাত্ৰ বাজেটত ধৰিছে ৫০ কোটি টকা। অসমখনত যি প্ৰলয়ঙ্কাৰী বানপানী বা যি ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়া হয় তাক এই সীমিত পুজিৰে কেনেকৈ ৰক্ষা কৰিব পাৰিব বা প্ৰতিৰোধ কৰিব পাৰিব বুজি পোৱা নাই। আগৰ চৰকাৰৰ দিনত বান নিয়ন্ত্ৰণ ব্যৱস্থাক যথেষ্ট গুৰুত্ব দিয়া নাছিল আৰু সেয়ে আমি আশা কৰিছিলো যে বৰ্ত্তমানৰ চৰকাৰে নতুন নীতি গ্ৰহণ কৰিব আৰু বান নিয়ন্ত্ৰণৰ কাৰণে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব। কিন্তু এই পৰিস্থিতিত যিটো দেখা যায় বান নিয়ন্ত্ৰণ বিভাগৰ মাত্ৰ ৫০ কোটি টকা দি কেনেকৈ বান নিয়ন্ত্ৰণ কৰিব এইটো বিচাৰ্য্যৰ বিষয় আৰু এইটো এটা অৱাস্তৱ কথা। আমি সকলোৱে জানো যে প্ৰতি বছৰে অসমৰ বানপানীয়ে বহু কোটি টকাৰ সম্পত্তি নষ্ট কৰে, শষ্য, ৰাস্তা-ঘাট, ঘৰবাৰী মহিমূৰ কৰে তথাপিও যেতিয়া এই বিভাগক মাত্ৰ ৫০ কোটি টকা দিয়া হৈছে তাৰ পৰা অনুমান কৰিব পাৰি যে মূল উদ্দেশ্যক যথেষ্ঠ গুৰুত্ব দিয়া হোৱা নাই। অধ্যক্ষ মহোদয়, বান নিয়ন্ত্ৰণ বিভাগৰ জৰিয়তে প্ৰতি বছৰে কিছুমান হাফ হাটেন্ত এটেম্প বিভাগে ল'ব লাগে সিমানখিনি প্ৰজেক্ট লবৰ কাৰণে পইচা দিয়া নাই। ফলত প্ৰজেক্ট বিলাক সম্পূৰ্ণ নহয় যাৰ কাৰণে দুৰ্নীতি কৰিবলৈ সুবিধা থাকে। আমি দেখিছো ব্ৰহ্মপুত্ৰৰ বুকুত বছৰে বছৰে ৰোল্ডাৰ বাৰ, কাঠৰ স্পাৰ এমটি চিমেন্ট বেগ দিয়া হয় কিন্তু তাৰ কাৰণে নতুন কোনো বাস্তৱ পৰিকল্পনা যি ধৰণৰ প্ৰয়োজন আছিল বা যিমান ধনৰ প্ৰয়োজন আছিল ৰাজ্য চৰকাৰৰ সিমান ধন নাই বা কেন্দ্ৰীয় চৰকাৰেও দিয়া নাই। ফলত কোনো পৰিকল্পনা সম্পূৰ্ণ হোৱা নাই। আমাৰ যি ধাৰণা অসমৰ বান নিয়ন্ত্ৰণ কৰিবলৈ হলে

অসমৰ সীমিত অৰ্থনীতি তাৰ দ্বাৰা সম্ভৱ নহয়, কেন্দ্ৰীয় চৰকাৰৰ সাহাৰ্য্য লাগিবই। গতিকে আমাৰ চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ যৌথ প্ৰচেষ্টাৰ দ্বাৰাহে ব্ৰহ্মপুত্ৰ বা তাৰ উপনৈ সমূহৰ নিয়ন্ত্ৰণ আৰু গৰাখহনীয়া প্ৰতিৰোধ সম্ভৱপৰ হ'ব বাস্তৱ দৃষ্টিভঙ্গী হিচাবে ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে ৰোল্ডাৰ স্পাৰ দিয়াৰ ব্যৱস্থা কৰিব লাগে অৱশ্যে ২/১ বছৰতে এইটো সম্ভৱপৰ নহয় কিন্তু ১০/২০ বছৰত এইটো সম্ভৱপৰ হৈ উঠিব পাৰে এতিয়া যিমান বিলাক টকা খৰছ কৰি থকা হৈছে এই টকাখিনি পৰ্য্যায়ক্ৰমে ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে ৰোল্ডাৰ স্পাৰ দিয়াত খৰছ কৰিলে লাহে লাহে হয়তো ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া প্ৰতিৰোধ কৰিব পৰা হ'ব। এইটো সকলোকে অবিদিত নহয় যে ব্ৰহ্মপুত্ৰৰ বুকু বাম হৈ গৈছে ফলত পানী আহিলে ই সেই পানী উপচি পৰি বেছিকৈ গড়াখহনীয়াৰ সৃষ্টি কৰে। কিন্তু দুয়োপাৰে ৰোল্ডাৰ স্পাৰ হলে ব্ৰহ্মপুত্ৰৰ বুকু দ হৈ যাব আৰু গড়াখহনীয়া কমি যাব আৰু তেতিয়া বানপানী সমস্যা কিছু কমি যাব। তেনে বাস্তৱ দৃষ্টিভঙ্গী গ্ৰহণ কৰিবলৈ মই চৰকাৰক অনুৰোধ জনালো। আমি দেখিবলৈ পাইছো ব্ৰহ্মপুত্ৰ নিয়ন্তৰণৰ ক্ষেত্ৰত যিবিলাক আঁচনি লোৱা হৈছে সেই বিলাক সকলো ঠাইত সমান হোৱা নাই। ধুবুৰী জিলাৰ দক্ষিণপাৰ অঞ্চলটো অসমৰ ভিতৰতে আটাইতকৈ পিচপৰা অঞ্চল, শিক্ষাৰ ক্ষেত্ৰত, চিকিৎসালৰ ক্ষেত্ৰত, যোগাযোগৰ ক্ষেত্ৰত সকলোতে পিচপৰা। গতিকে এই অঞ্চলৰ ৰাইজে ভাবিবলৈ বাধ্য হৈছে যে তেওঁলোক দ্বিতীয় শ্ৰেণীৰ নাগৰিক, এই অভিযোগ নিশ্চয় কোনেও অস্বীকাৰ কৰিব নোৱাৰে যিকোনো ক্ষেত্ৰতে তেওঁলোকৰ প্ৰতি কোনো দৃষ্টি দিয়া হোৱা নাই ঠিক তেনেকৈ বান নিয়ন্ত্ৰণৰ ক্ষেত্ৰতে দৃষ্ট দিয়া নাই। মই অৱশে মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো দক্ষিণ শালমাৰাত যোৱা বছৰ যি মঠাউৰী ক্ষতিয়ে তাৰ মেৰামতিৰ কাৰণে কিছু টকা তেখেতে দিছে কিন্তু এই টকাও যথেষ্ঠ নহয়। কাৰণ মানকাচাৰ, সুকচোৰ আদি ঠাইত ব্যাপক গড়াখহনীয়াৰ সৃষ্টি হৈছে কিন্তু তাৰ কাৰণে কোনো পইছা দিয়া নাই। এই কথাবিলাক মই ইতিমধ্যে মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিছো। দক্ষিণ শালমাৰাৰ কাৰণে অৰ্থাত মঠাউৰী মেৰামতিৰ কাৰণে যিখিনি টকা দিলে সেই টকাখিনিৰো সৎ ব্যৱহাৰ নহয় যিহেতু ইয়াৰ আগতেও হোৱা নাছিল। এতিয়া বাৰিষা আৰম্ভ হৈছে কিন্তু কাম আৰম্ভই হোৱা নাই। মই বুজি নাপাও বান নিয়ন্ত্ৰণ বিভাগে বাৰিষা নহলে কিয় কাম কৰিব নোৱাৰে। গোটেই বছৰটো বহি থাকে বাৰিষা আৰম্ভ হোৱাৰ লগে লগে কাম আৰম্ভ কৰে। লগে লগে বানপানী আহিব আৰু বিভাগে হাজাৰ লাখ লাখ এমটি চিমেন্ট বেগ পোষ্ট ৰোল্ডাৰ বিলাক যাৰ জলন্ত পইছাখিনি অথলে যায়। সেই কাৰণে এই টকাখিনিও সৎ কামত নাহিব বুলি মই বিশ্বাস কৰো। যদি টকা সৎ কামত নাহে তেনেহ'লে সেই টকা উইদ্ৰ কৰিব লাগে বুলি মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। আমি আজি বালিৰ মঠাউৰী বান্ধি কেতবোৰ বিষয়া আৰু ঠিকাদাৰ বিলাকে ধনী কৰা হৈছে তাৰ দ্বাৰা বান নিয়ন্ত্ৰণ বা গড়াখহনীয়াৰ স্থায়ী ব্যৱস্থা হোৱা নাই। সেই

কাৰণেই মই কৈছো যে দক্ষিণ শালমাৰা অঞ্চলত গড়া খহনীয়া প্ৰতিৰোধ কৰাৰ ব্যৱস্থা কৰিব লাগে। আমাৰ কাৰণে আৰু এটা অভিযোগ কৰা আজিকালি আমি শুনো সেইটো হ'ব গাওঁ অঞ্চলতকৈ বিশেষকৈ চহৰ অঞ্চল সমূহতহে প্ৰতিৰোধ ব্যৱস্থা অধিক হোৱা দেখা যায়। গাওঁৰ মানুহৰ জীৱনৰ মূল্য যেন চহৰীয়া মানুহতকৈ বহু কম তেনে অনুভৱ কৰিছে ৰাইজে। কাৰণ ডিব্ৰুগড়, গুৱাহাটীৰ উন্নতি কৰিছে, ধুবুৰী কৰিছে কিন্তু আমাৰ দক্ষিণ পাৰটো একেবাৰে ব্ৰহ্মপুত্ৰৰ বুকুত জাহ যাবলৈ এৰি দিছে। তেনে এটি ষড়যন্ত্ৰ হোৱাৰো আমাৰ অনুমান হয়। সেয়ে আমি ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰটো তোমাৰ প্ৰয়োজন অনুভৱ কৰিছোঁ আৰু এই কেন্দ্ৰীয় মাননীয় মন্ত্ৰী মহোদয়ৰ লগতে আমাৰ দৃষ্টিত আকৰ্ষণ কৰিছোঁ। উত্তৰ পাৰে কাম কৰা হৈছে কিন্তু এতিয়া দক্ষিণ পাৰটো কৰিব লাগে। নহলে দক্ষিণ পাৰটো ধংসহৈ যাব বুলি আমাৰ সন্দেহ হৈছে। আমি কোনেও দক্ষিণ পাৰটো নিঃচিহ্ন হৈ যোৱাটো নিবিছাৰো। তাৰোপৰি বাননিয়ন্ত্ৰণৰ যিখিনি টকা দিয়া হৈছে সেই টকাৰ আমি সদ ব্যৱহাৰ নহয় তেন্তে কাম একো নহয়। সেইটো মন্ত্ৰী মহোদয়ে লক্ষ্য কৰা উচিত। মন্ত্ৰী মহোদয়ে আৰু এবাৰ সেই অঞ্চল সমূহ যিবোৰ অঞ্চলত গড়া খহনীয়া হয় সেই অঞ্চল সমূহত অভিযোগৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ কৰাই মই মোৰ বক্তব্য সামৰণি মাৰিলো।

..........(at 10.30 hours Hon. Speaker left the Chamber and the Deputy Speaker occupied the Chair)...............

**Shri Binai Khungur Basumatary**– Mr Deputy Speaker Sir, we are about to sanction a sum of more than 50 crores for Flood Control; but Sir, if we recollect the earlier statement of the Hon. Minister in Charge of Flood Control on the floor of the House we will find that this Department has been at the mercy of the Central Government and this Department is incapable of taking any independent steps for protecting the people from the ravages of floods. Sir, there has been a running fight between the State and the Central Governments; sometime the Flood Control Department is under the control of the State Government and some time it is under the control of the Central Government as it is now; but Sir, when we ask the Hon'ble Minister for a particular project to be taken up, he says that for flood control project he is depending on the Central Government. Now if this river. Brahmaputra, is flowing through this State, then Sir, we must

have the primary responsibility of undertaking projects and protect ourselves from the floods in this river. There is another problem and that is the State Government or the State Flood Control Department has not taken any steps to survey the tendency or the course of the river. Sir, depending on the survey of the tendency or the course of the river shown in the previous year, we can determine where and how to take protective measures. Suppose this year Gauhati is to be protected,then Sir, the river Brahmaputra's course or tendency of the course should have been studied as it happened and its affect on Gauhati, last year. There are many areas, say for instance,Palashbari, which are not affected by the course of the river in one single year. Sir, the course and tendency of a river take certain trend due to the development in river bed. Sir, when we were reading inthe school here, we felt that the river Brahmaputra in and around Gauhati was very deep, but what do we see now-a-days ? There is barren sand emerged to the extent of half the river opposite Fancybazar. So the silting of the river has become the main character, and to tackle that problem Sir, Government bought a few dredgers in the past; but it is unforunate that we the people of Assam was so incapable of operating that dredger and reaping the benefit out of it that we had to return the dredger. The silting of the river has been aggravated by earth cutting in and around Gauhati, from all the hilly areas in and around Gauhati throughout the year, in order to fill up the low-lying areas of the city. Sir, if we are to cut down the hills and bring earth from the hill sides to develop some parts of the city, if we have the foresight, then we should have proper arrangment to excavate earth and draw sand from sand dunes from Barhmaputra river bed during winter months in and around Gauhati. These are the things Sir. Through the river Brahmaputra is passing through our State, we are incapable of taking up our own projects. Yesterday some of the Hon'ble Members described how certain rivers coming

down from Bhutan hills are being used establish quarries of the contractors' choice and divert the course of rivers. Now why could we not think in this term like those contractors ? If there is any problem in the survey or study of the course or tendency of the river this year, then we will not know where it will affect next year; but what the Department is doing ? They are keeping money is suspense accounts to be adjusted later. Sir in page 3 of the Demands, we see Rs. 1.65 crores kept in suspense accounts are adjusted. If we keep on going through the pages, when we will see such amounts to the tune or Rs. 2,13,74,000. Those who are planning this and budgeting this, they are doing this in a manner which encourages corruption in the Department. Can we say how many boulders have been dropped by the river sides ? Have we got proper accounts of them and how many porcupine spurs have been constructed ? If we are to be ready for the oncoming floods, we should be certain where to construct porcupine spurs. What the Department is doing now ? They say, " we do not know where are the areas that could be affected by erosion and flood and hence we cannot taken steps right now. As a result at the last moment we are to buy bamboos by calling tenders to make these porcupines purs." What is the use of collecting bamboos when they are tender which sooted just in the months of April and May ? At that time the bamboos are not even six months' old and hard enough to be used for flood control; but Sir, if we prepare our plan and locate the sites to become affected one year's back, then we could collect atleast one year old bamboos for the spurs which would last atleast 6-9 months and create enough silting to protect the area from the river current. It is Sir, true that there are certain vested interest in the Department to enrich themselves at the cost of the people through the perrinial feature of the State. Last year, what happened when there were 5 floods and the Central Government sanctioned more than Rs. 70.00 crores to the Government of Assam

which was never unheard of. Only floods of the plains areas were highlighted, whereas the floods of the upper reaches of the North Bank starting from West Bengal, Arunachal Pradesh and Nagaland were not so much published. Even the Press also took interest in the floods of the South Bank. In the North Bank areas the floods occurred with the waters coming down from theslopes ofthe mountains which destroyed our roads and the paddyfields and our permanent properties. There is no account of thesedestructions. Those rivers coming down from the Himalayan ranges caused these floods and the destructions. Even in my constituency so much damages have been caused, innumerable roads have been destroyed and thousands of bighas of paddy fields have beend amaged, as a result of which innumerable crops have been damaged. The paddy fields have been silted. We find the administrative departments of the civil administration at the Sub-Divisional level did not do anything in this respect. Because, for these flood damages, the Dispur Secretariat here does not give importance to the destruction of the Northern Bank. Along with the Press, we find that the Government also does not highlight the damages of the north bank due to floods. Due to these floods the crops are damaged as a result of which the productivity suffers. And as a result of this the gross national product is affected and lost. We feel that the Government intentionally does not highlight the damages of these areas. So the political phylosophy of the State on flood control has to change. Therefore I would like to ask the Government to change the political philosophy. They should immediately survey all the rivers. If the rivers are surveyed in time properly, only then we may be able to control these rivers. The tributaries of the rivers should be dammed in the catchment areas. In my constituency the river Dhansiri creates many problems to the Government as well as to the people. This river should be controlled in the upper reaches. When rains full on the upper reaches

and on the mountains, flood water comes down rushing, this water is accumulated upto 6 to 8 hours. When all its tributaries overflows with rain water at the same time it creates havoc all round in the areas. If the excess water in the upper reaches can be controlled, in the valley these water can be used for irrigation purposes in the places like ours. There are large areas still wanting irrigation facilities. If these lands are irrigated by producing food products we can feed our people. Therefore, Sir, we should try to change our attitude and philosophy in controlling these rivers and we should be prepared to deal with these rivers. This year, we have got early rain now. We donot know what will be the extent of flood this year. We fear that there will be early flood this year. This is the present thinking of the people of our rural areas. If there is a sudden flood within 2/3 days, what steps the Department will take. Therefore, Sir, we should close down all the corruptions which is existing in this Department. Therefore, Sir, Government should, and Minister himself should take steps to tackle these rivers. With these observations I support my cut motion.

★ **শ্ৰীমচিৰুদ্দিন শ্বেখ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, বাননিয়ন্ত্ৰণৰ শিতানত যি কৰ্তন প্ৰস্তাৱ আহিছে সেইটো সমৰ্থন কৰি দুষাৰমান কবলৈ থিয় হৈছো। অসমত ভাৰতবৰ্ষৰ ভিতৰতে আটাইতকৈ বেছি বৰষুণ হয়। ইয়াত বৰষুণ হবই কিন্তু এই বৰষুণৰ পানীখিনি আমি কেনেকৈ নিয়ন্ত্ৰণ কৰিব পাৰো আৰু বাৰিষাৰ পানীখিনি নিয়ন্ত্ৰণ কৰিব পাৰো সেইটোহে আমাৰ কথা। এতিয়া কথা হ'ল বিভিন্ন জনৰ মতামত আমি বিভিন্ন সময়ত এই বিষয়ত ডাঙি-ধৰি আহিছো। ব্ৰহ্মপুত্ৰ বাননিয়ন্ত্ৰণ বিভাগও বছৰ বছৰা ধৰি গবেষণা কৰি থকাৰ উপৰিও বিভিন্ন ধৰণে চিন্তা কৰি আছে। কিন্তু এটা কথা আমি স্থানীয় ৰাইজে ভাবি আছো যে আমি নাজানো এক্সপাৰ্টে কি কব? অসমত উচ্চ হাৰত বৰষুণ হয়। বিভিন্ন পৰ্বত যেন হিমালয়ৰ পৰা আৰম্ভ কৰি গাৰো পাহাৰলৈকে যিবিলাক ঠাইত বৰষুণ হয সেই বৰষুণৰ পানী অসমৰ ব্ৰহ্মপুত্ৰ আৰু বৰাকৰ বুকুৰেদি বোৱাই লৈ যাবই লাগিব। এই ক্ষেত্ৰত সুচিন্তিত ভাবে চিন্তা কৰি পানী খিনি কোনো অসুবিধা নোহোৱাকৈ

★ Speech not Corrected

বোৱাই লৈ যাব লাগিব। এই ক্ষেত্ৰত আষ্টাৰপ্লেনৰ প্ৰয়োজন। আমাৰ সদায় কৈ থকা হৈছে যে কেন্দ্ৰীয় চৰকাৰে টকা নিদিয়ে, টকা নিদিলে বুলিয়েই যে আমি বহি থাকিম সেইটো নহয় আৰু এনেধৰণে বৈ থাকিলে ব্ৰহ্মপুত্ৰৰ পানী আৰু বাৰিষাৰ পানী নিয়ন্ত্ৰণ কৰাতো কেতিয়াও সম্ভৱপৰ নহব। কেন্দ্ৰীয় চৰকাৰে যিখিনি টকা দিছে, ডি, আৰ, ডি, যে ৰ নিচিনাকৈ সৰু-সুৰা আঁচনি কৰি ৰাইজক ইনভলভ্ কৰি আমি ব্ৰহ্মপুত্ৰৰ তলি খন্দাৰ ব্যৱস্থা কৰিব লাগে। যদি আমি এইটো নকৰো তেতিয়া হলে বানপানী নিয়ন্ত্ৰণ কৰাতো সম্ভৱপৰ নহ'ব আৰু ৰাইজৰ মাজত সন্ত্ৰাসৰ সৃষ্টি হব। এই দিশত আমি বহুত কাম বিলাক সুষ্ঠিৰ ভাবে কাম কৰিব লাগিব। ব্ৰহ্মপুত্ৰৰ পৰা শিল-বালি তুলি নিয়াৰ কাৰণে কিছুমান লোকক বা মহলদাৰক পাৰমিট দিয়া হয়। বিভিন্ন সময়ত তেওঁলোকে নৈৰ পৰা পানী আৰু শিল উঠাই লৈ যাব। এনেদৰে বছৰ বছৰ ধৰি নৈৰ কাষৰ পৰা বালি আৰু শিল উঠাই লৈ যোৱাৰ কাৰণে ব্ৰহ্মপুত্ৰৰ তলিখন কম হৈ পৰিছে। নদীৰ বান বিলাক ক্ৰমান্বয়ে দ হৈ গৈছে। গতিকে বান বিভাগৰ লগত আলোচনা বিলোচনা কৰি ৰয়েলটি আনি কমকৈ হলেও নদীৰ মাজৰ পৰা দোনাজাৰবালি শিল ইত্যাদি উঠাই নিওঁতে নিওঁতে এসময়ত নদীৰ মাজ অংশ বামৰ পৰা দ হৈ যায়। এনে কৰিলে বৰষুণৰ যিখিনি পানী এই পানীখিনি নলাৰ মাজেৰেই উটুৱাই লৈ যোৱাত সুবিধা হব আৰু বানপানীৰ পৰা কিছু সকাহ পোৱা যাব। আমাৰ মাননীয় সদস্য বসুমতাৰী ডাঙৰীয়াই এই পানীখিনি বিস্তাৰিত ভাবে যাতে জলসিঞ্চন বিভাগে কামত খতুৱাব পাৰে সেই কথা উল্লেখ কৰিছে। এনে কৰাৰ কাৰণে বহুত টকাৰ প্ৰয়োজন হ'ব। জলসিঞ্চন বিভাগে বহুত টকাৰ মাষ্টাৰ প্লেন কৰিব লাগিব। সদ্যহতে আমি তেতিয়া পানী বেচি হয় আৰু চাৰিওফালে হাহাকাৰৰ সৃষ্টি হয়। আজি নামনি অসমত ধুবুৰী জিলাটো লক্ষ্য কৰিলে দেখা যায় ব্ৰহ্মপুত্ৰৰ ইপাৰ সিপাৰ প্ৰায় ১০ কিলোমিটাৰ মান বহল হয়গৈ আৰু তাৰ মাজে মাজে চাপৰি পৰিছে। ইয়াত মানুহ "স্থানীভাৱে বসবাস কৰাৰ সুবিধা নাই। আৰু খেতি-বাতি কৰাৰো সুবিধা নাই। জোনাই অঞ্চলত দেখা যায় পাহাৰ পৰ্বতে তাৰ চাৰিওফালে গাৰ্ড দি আছে, এক বৃহৎ অঞ্চলৰ পানীখিনি তাৰ পৰা নামি যায় কিন্তু ধুবুৰী জিলাত এই নদীৰ কোনো কোনো অঞ্চলত ১৫:১৬ আনকি ২৫ কিলোমিটাৰ পৰ্য্যন্ত বহল হৈ আছে। ইয়াৰ মাজৰ অঞ্চল পানীয়ে খহায় নিয়ে গতিকে ব্ৰহ্মপুত্ৰৰ পাৰ বান্ধি দিয়াৰ পৰিবৰ্তে মাজৰ অংশহে খান্দি দিব লাগে আৰু এই ব্যৱস্থা কৰাতো অভাব প্ৰয়োজন

হৈ পৰিছে। সাধাৰণতে আমি দেখা পাওঁ বাৰিষাৰ সময়তহে আৰু বাৰিষা অহাৰ লগে লগেই মঠাউৰী নিৰ্মাণ আৰু মেৰামতিৰ কামত বিভাগে বৰ তত্‌পৰ হৈ পৰে আৰু কামত লাগি যায়। ইয়াত কিবা ষ্ট্ৰেহেজি অংশ নেকি যে এই কাম বিলাক বাৰিষাৰ সময়তকৈ কৰিব লাগে নেকি? কাৰণ এইটো অনুদান কম পোৱা যায় যে বাৰিষাৰ সময়ত এই কাম বিলাক কৰিলে বানপানীয়ে উটুৱাই লৈ যায় আৰু টকা-পইচাখিনি অপব্যয় হয়। কি কাৰণে কাম বিলাক অৱশ্যে দেখা হয়, টকা পোৱাত দেৰী হয় নেকি? নে আচনি তৈয়াৰ নহয়? কিয়নো যদি এই কাম বিলাক বাৰিষাৰ সময়ত নকৰি খৰালিতে আৰম্ভ কৰা হয় তেতিয়াহলে কামো ভাল হ'ব আৰু স্থায়ী হব আৰু লগতে অপব্যয়ও নহ'ব। যদি আৱশ্যক হয় এই বছৰ নকৰি অহা বছৰ খৰালি মাহতো কৰিব পাৰি। সেইদৰে প্ৰত্যেক খৰালি মাহতে কাম বিলাক কৰি গলে কাম বিলাক নিশ্চয় ভাল হ'ব। কিন্তু এই বাৰিষাৰ সময়ত কাৰণে ঠিকাদাৰৰ লাভ হয়নে, ইঞ্জিনীয়াৰ স্বাৰ্থত কৰা হয় নে, নে বিভাগৰ স্বাৰ্থত কৰা হয় ক'ব নোৱাৰো। কিন্তু এইটো জানো যে এই কাম বিলাক ৰাইজৰ স্বাৰ্থৰ কাৰণে কৰা নহয়। এই ধৰণে আগৰ চৰকাৰৰ দিনৰ পৰাই গতানুগতিকভাৱে চলিয়েই আছে। গতিকে মহোদয়ে এই বিষয়ত সুষ্ঠভাৱে নিৰ্দেশ দিলে ভাল হয়। উপাধ্যক্ষ মহোদয়, ইয়াৰ লগতে মই আৰু এটা সমস্যাৰ কথা ক'ব বিছাৰিছো— এই বিষয়ে মাননীয় মন্ত্ৰী মহোদয়েও জানে যে আমি কিছুদিন আগৰে পৰা দেশৰ মাটিক কৰাৰ কাৰণে দিয়া ৰাইজৰ এইটো নিদিয়াক কাৰণে বিশেষকৈ বান নিয়ন্ত্ৰণ যিটো বিভাগ আছে এই দেশৰ লগত অতি সম্পৰ্ক থকা বিভাগ। ৰোল্ডাৰ অভাৱত এই বিভাগত কাম কৰাৰ অসুবিধা হৈছে। আমাৰ ধুবুৰী জিলাত ৰোল্ডাৰ ৰাখি অনুমতি নিদিয়াৰ কাৰণে হাতেৰে পথৰ বটলাৰ কাৰণে কিছুমান তেল পাথৰৰ সংখ্যা কমাই যিবিলাক কামৰ কাৰণে উপযোগী নহয়। অৱশ্যে কন্ট্ৰোৰে সেই সংগ্ৰহ কৰা পাথৰ বিলাকৰ পাথৰ বিলাক ৰিজেক্ট কৰিছে। গতিকে এতিয়া নকৰিলে উপায় নাই সেয়ে মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো প্ৰয়োজন সাপেক্ষে ব্যৱস্থা কৰিলে ভাল হয় যাতে কাম বিলাকত হব পাৰি। মই এইখিনিতে ধুবুৰী জিলাৰ কথা কিছু ক'ব বিচাৰিছো। মাননীয় বিধায়ক আমিনুল ইছলাম ডাঙৰীয়াই এই বিষয়ে কিছু কথা উল্লেখ কৰিছে। এই সমস্যাটো ধুবুৰী জিলাৰ উত্তৰ আৰু দক্ষিণ পাৰৰ সমস্যা। ফৰমুমেম পৰা দক্ষিণ শালমাৰালৈ যিটো মঠাউৰী বান্ধিছে সেইটো বাৰিষা কৰাৰ কাৰণে বাৰিষা উঠাই লৈ যায়। প্ৰতি বছৰে এইদৰে উঠাই লৈ গৈয়ে আছে। সেইটো

নাবান্ধিলেই ভাল আছিল। তেতিয়াহলে গোটেই পানীখিনি সকলো ঠাইতে সমানে থাকিলেহেতেন। কিন্তু এই অভিযোগৰ দিশৰ কাৰণে কোনো কোনো অঞ্চলত বেছিকৈ পানী হৈছে। প্ৰতি বছৰে মেৰামতি কৰা হৈছে কিন্তু প্ৰতি বছৰে অভিযোগেই আহে। কোন ভাষাত কেতিয়া ভাঙিব সেই বিষয়ে বিভাগে একো কব নোৱাৰে। যিকোনো সময়তে বানপানী হৈ যাব পাৰে কেতিয়াই বানপানী আহে তেতিয়াই মানুহৰ একেবাৰে বিনষ্ট কৰি পেলায়। আনকি এনেকুৱা হৈছে যে মঠাউৰি বান্ধোতে আকৌ ভাঙি যোৱাত প্ৰতি বছৰে দিওতে দিওতে একেবাৰে ওচৰ চাপিছে গৈ। ইয়াৰ পাছৰ বান্ধটো মেঘালয় চৰকাৰে দিব লাগিব। গতিকে এইটো অঞ্চলত ছায়াভাবে দীৰ্ঘম্যাদি ব্যৱস্থা গ্ৰহণ কৰি ৰাখে। যাতে ৰাইজৰ বানপানীৰ গৰাহৰ পৰা ৰক্ষা কৰিব পাৰি। ধুবুৰীৰ এটা সমস্যা হৈছে। অৱশ্যে ধুবুৰী পশ্চিম ফালটো ৰক্ষা কৰাৰ কাৰণে কিছু টকা দিছে। তাৰ বাবে মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। ধুবুৰীৰ পৰা গৌৰীপুৰলৈ এটা আচঁনি দিয়া হৈছে আৰু বহুতো এই আচনিটো লবৰ কাৰণে বহুদিনৰ পৰাই দাবী কৰি আহিছে। ইয়াৰ কাৰণে টকাৰ আচনিৰ প্ৰয়োজন। গতিকে মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাইছো যে এই আচনিটো যেন সোনকালে কৰি দিয়ে। আন এটা অভিযোগ আছে দক্ষিণ শালমাৰা ই এণ্ড ডি ডিভিজনটো ধুবুৰী আৰু লগত চামিল হৈ আহিছা আৰু আগতেও এই ভাব ভিত্তিজনক আছিল। কিন্তু এই চাবডিভিজনটো এতিয়া গোৱালপাৰা জিলাৰ লগত চামিল কৰি ৰাখিছে। কিন্তু গোৱালপাৰা জিলাই এই চাব ডিভিজনটোক মাহী মাইৰ দৃষ্টিৰে চায়। গতিকে এই ডিভিজনটো ধুবুৰী জিলাৰ লগত এতিয়া চামিল কৰি ৰাখিব লাগে। গোৱালপাৰা জিলাৰ লগত চামিল হৈ থকাৰ কাৰণে এই ডিভিজনটোৰে কাম কৰাত অসুবিধা পাইছে আৰু ৰাইজেও আপত্তি কৰি আছে। গতিকে আজি সদনত মন্ত্ৰী মহোদয়ক এই চাবডিভিজনটো ধুবুৰীৰ লগত চামিল কৰাই স্বাধীনভাৱে কাম কৰিবলৈ সুবিধা দিয়ে তাৰ কাৰণে অনুৰোধ জনাই আজিৰ এই যি কৰ্তন প্ৰস্তাৱ আহিছে তাৰ সপক্ষে বস্তু বা ৰাখি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

**শ্ৰীমুক্তাৰ হুছেইন ঃ—** মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা বছৰ অসমৰ জণগনে পৰ্য্যায়ক্ৰমে পাঁচটা বান পানীত আক্ৰান্ত হোৱাৰ পিচত অসম বিধান সভাত লোৱা দাবী মঞ্জুৰীৰ ফালে চাই আছে যাতে এই দাবী মঞ্জুৰীৰ দ্বাৰা বান পানী ৰোধ কৰিব পৰা যায়। অসম কৃষিজীৱি এখন প্ৰদেশ। অসমৰ মাটি পলসুৱা। ভাৰতবৰ্ষৰ ভিতৰত অসমৰ মাটিত আটাইতকৈ ভাল বস্তু উৎপাদন কৰিব পাৰিলোহেঁতেন যদি বানপানী আৰু

গড়াখহনীয়াই অসমৰ মাটি নষ্ট নকৰিলেহেঁতেন। গতিকে বানপানী আৰু গড়া খহনীয়া অসমৰ কৃষি জীৱি জনগণৰ কাৰণে অতি গুৰুত্বপূৰ্ণ সমস্যা হৈ পৰিছে। সেয়েহে চৰকাৰক কওঁ যে এই বিভাগটোক বানপানী নিয়ন্ত্ৰণ আৰু গড়া খহনীয়া প্ৰতিৰোধ বিভাগ বুলি উল্লেখ কৰিব লাগে।

উপাধ্যক্ষ মহোদয়, আমি অসমৰ জনগণে এটা গভীৰ উদ্বেগৰ লক্ষ্য কৰিছো। কেন্দ্ৰীয় চৰকাৰে ব্ৰহ্মপুত্ৰ নদীক নিয়ন্ত্ৰণ কৰিবলৈ ব্ৰহ্মপুত্ৰ বোৰ্ড গঠন কৰিছে। কিন্তু তাৰ সু-কাৰ্য্য কলাপ আজিলৈকে প্ৰতিফলিত হোৱা দেখা নাই। ইয়াৰ ফলত অসমৰ জনগণক মাহী আইৰ দৃষ্টি ভঙ্গিৰে চাই আহিছে। অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী ৰাখি এই দৃষ্টিভঙ্গী পৰিবৰ্ত্তন কৰিব লাগে। কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰক যি ব্যৱহাৰ কৰিছে তাৰ প্ৰতি আমি গভীৰ উদ্বেগ প্ৰকাশ কৰিছো। আজি বিধান সভাত ৩৮কোটি টকা খৰচ কৰাৰ কৰ্ত্তৃত্ব দিয়াৰ লগে লগে তেওঁলোকে খৰচ কৰাৰ অধিকাৰ পাব। কিন্তু মই বিশ্বাস কৰো যে ইয়াৰ ৩০ কোটি টকা পানীত জাহ যাব। প্ৰকৃতাৰ্থত সেই টকাটো খৰচ কৰা নহয়।

বানপানীৰ আলমলৈ যে দূৰ্নীতি হয় সেইটো সকলোৰে অবগত। উপাধ্যক্ষ মহোদয়, অসমত বান পানী হয় সঁচা। কিন্তু এই বানপানীৰ ফলত নদীয়ে পলশ পেলাই মাটিবোৰ সাৱুৰা কৰে। মাটিয়ে পলশৰ পৰা যি সাৰ পায় সেই সাৰৰ নিচিনা পৃথিৱীৰ কতো কৃত্ৰিম সাৰ বোধহয় উৎপাদন হোৱা নাই। পলশৰ পৰা যি সাৰ হয় সি আটাইতকৈ সাৰুৱা। বানপানী নিয়ন্ত্ৰণ বিভাগটো নতুন বিভাগ। এই বিভাগটো আৰম্ভ হোৱাৰ লগে লগে অসমৰ কৃষক সকলে আপত্তি কৰিছিল। তেওঁলোকে কৈছিল মঠাউৰি দিব নেলাগে। যদি মঠাউৰি দিয়া হয় তেতিয়া তেওঁলোক ব্ৰহ্মপুত্ৰৰ পলসৰ পৰা বঞ্চিত হ'ব। এই সংক্ৰান্তত ভাগৱতী কমিছন কৰা হৈছিল। ভাগৱতী কমিছনে ৰিপোৰ্ট দিছিল যে মঠাউৰিৰ লগে লগে শ্লুইচ গেট দিব লাগে। সেই মতে কিছুমান শ্লুইচ গেট দিয়া হৈছে। কিন্তু সেইবোৰ ইমান ওপৰত হৈছে যে বাৰিষা পানী অহাৰ পিচত শ্লুইচ গেটেৰে পানী ওলাই নেযায়। শ্লুইচ গেট ওপৰতে থাকে। সেইবিলাকত কিছুমান এন্দুৰৰ বাহ হয়। মঠাউৰি দিয়াত পথাৰলৈ পলশ আহিব নোৱাৰে। গতিকে কৃষক সকলক পলশৰ পৰা বঞ্চিত কৰা হৈছে। সেই শ্লুইচ গেটবোৰ বহুত তলত হব লাগিছিল। মোইৰ যোৱা বানপানীত অভিজ্ঞতা হৈছে। ব্ৰহ্মপুত্ৰৰ উপনৈবোৰত পানী বাঢ়ি থাকে। বৰপেটা আৰু গোৱালপাৰা জিলাত পানী বিপদ সীমাৰ তলত থাকে। যদি বাঘবৰৰ পৰা আৰম্ভ কৰি

চেঙালৈকে শ্লুইচ গেট থাকিলেহেঁতেন তেতিয়া ব্ৰহ্মপুত্ৰৰ পানী উলিয়াই দিব পৰা গ'লহেঁতেন। উপ নৈ বিলাকৰ মুখত যথেষ্ট গড়াখহনীয়া হয়। যদি শ্লুইচ গেট থাকিলহেঁতেন তেতিয়া পানী নিয়ন্ত্ৰণ কৰিব পৰা গ'লহেঁতেন। ব্ৰহ্মপুত্ৰৰ পানী বিপদ সীমাৰ যেতিয়া বহুত তলত থাকে সেই সময়ত যদি ২০ টা শ্লুইচ গেট থাকিলেহেতেন ব্ৰহ্মপুত্ৰৰ পানী উলিয়াই দিব পৰা গ'লহেঁতেন। গতিকে অসমৰ কৃষক সকলে বেছি উৎপাদন কৰিবৰ কাৰণে এই শ্লুইচ গেট বিলাক যদি তলত ৰখা হয় তেতিয়া হ'লে আমাৰ কৃষক সকল পলশৰ পৰা পঞ্চিত হৈ থাকিব নেলাগিলহেঁতেন। উপাধ্যক্ষ মহোদয়, দূৰ্নীতিৰ বিষয়ে আগতে মই উল্লেখ কৰিছো। দূৰ্নীতি নিয়ন্ত্ৰণৰ কাৰণে যিবিলাক আঁচনি লোৱা হয়, সেই আঁচনি বিলাক আধৰুৱা হয়। গতিকে কোটি কোটি টকা বানপানীত জাহ যায়। অৱশ্যে দুই চাৰিজন বিষয়াই যথেষ্ট ভাবে ভাল কাম কৰিছে। বৰপেটাৰ কাঞ্চনপুৰ স্কীমত যথেষ্ট লাভ হৈছে। কৃষক সকলৰ লাভ হৈছে। ব্ৰহ্মপুত্ৰ বোৰ্ডে যি মাষ্টাৰ প্লেন কৰিছে সেইটো অনতি পলমে কাৰ্য্যকৰী কৰিব লাগে। ব্ৰহ্মপুত্ৰ নদীৰ গড়া খহনীয়াই বহুত কেইটা সমস্যাৰ সৃষ্টি কৰিছে। বিদেশী সমস্যাৰ যি মূল চিন্তা ধাৰা উদ্ভৱ হৈছে সেইটো গড়া খহনীয়াৰ পৰাই হৈছে। গড়াখহনীয়াত যেতিয়া ঘৰবাৰী ভাঙি যায় তেওঁলোক অন্য ঠাইলৈ যাব লগা হয়। তেওঁলোকক চৰকাৰে সংস্থাপন দিয়াৰ সম্ভৱ নহয়। এনেদৰে হাজাৰ হাজাৰ মানুহ গড়া খহনীয়াৰ কবলত পৰি বেলেগ ঠাইত নিজে সংস্থাপন লব লগা হয়। বৰপেটা জিলাৰ বাঘবৰ আৰু চেঙা সমষ্টিৰ পৰা বহুতো মানুহ মঙ্গলদৈৰ চৰ অঞ্চললৈ গৈছে। ফলস্বৰূপে তেওঁলোকক বিদেশী বুলি সন্দেহ কৰা হৈছে। সেই কাৰণে বান নিয়ন্ত্ৰণ নামটো সলনি কৰি গড়া খহনীয়া নাম দিয়া ভাল হ'ব। নদীৰ খনন কাৰ্য্যৰ যি কাম আছে তাৰ ব্যৱস্থা গুৰুত্ব সহকাৰে আমাৰ বিভাগে লব লাগে। উপাধ্যক্ষ মহোদয়, বান নিয়ন্ত্ৰণ বিভাগৰ বিগত দিনৰ যি কাৰ্য্যকলাপ হৈছে তাৰ পৰা আমি আপাতত এইটো আশা কৰিব নোৱাৰো। যিহেতু প্ৰায়বিলাক স্কীম অকাৰ্য্যকৰী হৈ আছে। এইখিনি মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। ইয়াৰ আগতে আমাৰ মন্ত্ৰী মহোদয়ে নিজে গৈ কদম বজাৰ, বেকী নদী দেখি আহিছে। সেই বজাৰখন এতিয়া ভাঙি গৈছে। ইয়াৰ কাৰ্য্যকৰী ব্যৱস্থা সোনকালে হব বুলি আশা কৰিছো। মন্ত্ৰী মহোদয়ে আশ্বাস দিছিল যে কাৰ্য্যকৰী ব্যৱস্থা লবলৈ চিন্তা কৰি থকা হৈছে। কিন্তু বৰ্ত্তমানো সেইটো হৈ নুঠিল। আমি মানিমৰী বজাৰলৈ গৈছিলো। সেই খন এখন ধুনীয়া বজাৰ আছিল। কিন্তু সেই বজাৰ খন এতিয়া আধা খিনি নদীয়ে ভাঙি পেলাইছে।

উপাধ্যক্ষ মহোদয়, এই সকলোবোৰ মন্ত্ৰী মহোদয়ে যাতে সোনকালে কাৰ্য্যকৰী ব্যৱস্থা লয় তাৰ কাৰণে অনুৰোধ জনাই আৰু বান নিয়ন্ত্ৰণ বিভাগৰ মঞ্জুৰীৰ ওপৰত অনা কৰ্ত্তন প্ৰস্তাৱ মই সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**শ্রীরামেন্দ্র দে** ঃ- উপাধ্যক্ষ মহোদয়, যে টাকা বন্যা প্রতিরোধের জন্য ধরা হয়েছে। আনুপাতিক দিক থেকে সে টাকা অত্যন্ত কম। গতিকে বন্যা প্রতিরোধের জন্য বাজেটে আরো বেশী টাকা ধার্য্য করা যায় কি না সেদিকে দৃষ্টি দিতে আমি মন্ত্রী মহোদয়কে অনুরোধ করছি।

উপাধ্যক্ষ মহোদয়, বন্যা শুধু আসামের সমস্যা নয়। কিন্তু আসামে যে বন্যা হবেই তা বাইবেল কোরানের মতই সত্য বলে আমরা জানি। আমরা দেখেছি যে ভারতের বিভিন্ন রাজ্য— পাঞ্জাব, হারিয়ানা, রাজস্থান, মধ্য প্রদেশ, কর্ণাটক, কেরালা, উত্তর প্রদেশ, বিহার, পশ্চিমবঙ্গ গত বন্যায় ভীষনভাবে আক্রান্ত হয়েছিল। ভারতের মোট জনসংখ্যার প্রায় শতকরা ৭০ শতাংশ লোক বন্যা কবলিত হয়েছিল। আসামের বন্যা নিয়ন্ত্রণের কাজের একটা বড় অংশ কেন্দ্রীয় সরকারের নিয়ন্ত্রাধীন। সেদিক থেকে কেন্দ্রীয় সরকার আজ পর্যন্ত সঠিক কোন পদক্ষেপ নিতে পারে নি বলে আমাদের যেমন অভিযোগ রয়েছে ঠিক সেই রূপ কেন্দ্রীয় সরকার আসামের বন্যা নিয়ন্ত্রণের জন্য যে টাকা আজ পর্যন্ত দিয়েছে তা সঠিক ভাবে খরচ করতে না পারাতেও আমাদের অভিযোগ আছে। হিসাব করলে দেখা যাবে যে ১৯৫২-৮৬ ইং পর্য্যন্ত বন্যা নিয়ন্ত্রণের জন্য কেন্দ্রীয় সরকার বিভিন্ন পরিকল্পনায় আজ পর্য্যন্ত খরচ করেছে ১৮৮৭৩০ কোটী টাকা এবং সেই ব্যয় যোগাতে ভারতবর্ষের প্রত্যেক নাগরিককে আজ মাথা পিছু ৪০০ টাকার বৈদেশিক ঋণের বোঝা বহন করতে হচ্ছে।

উপাধ্যক্ষ মহোদয়, বন্যা হলো প্রাকৃতিক দুর্য্যোগ। কিন্তু আজ আধুনিক সভ্যতার যুগে বিজ্ঞান সন্মত উপায়ে যদি স্কীম নিয়ে এই সমস্যার সমাধানের চেষ্টা করি তাহলে এই ধরনের প্রাকৃতিক দুর্য্যোগ থেকেও আমরা রক্ষা পেতে পারি। কিন্তু এই ধরণের কোন পদক্ষেপ আমাদের রাজ্যে নেওয়া হচ্ছে না। গত বন্যায় বরাক এবং ব্রহ্মপুত্র উভয় উপত্যকাতেই কম বেশী পরিমানে ক্ষতি গ্রস্থ হয়েছে। এই ক্ষতির একটা সংক্ষিপ্ত পরিমান আমি আপনার জ্ঞাতার্থে তুলে ধরছি। নগাওঁ জেলায় ১৯৮৬-৮৭ ইংতে লোকসংখ্যা আছিল ১৬.৯৯ লক্ষ। বন্যাক্রান্ত লোক সংখ্যা ৪.৫৭ লক্ষ। শতকরা হার ১৬.৯২। যোরহাট জেলায় লোক সংখ্যা ছিল ১০.৩৬ লক্ষ। বনাক্রান্ত হয়েছিল ২ লক্ষ। শতকরা হার ১৯.৩১। কাছারের লোক সংখ্যা ছিল ১৮.১৪ লক্ষ। বন্যাক্রান্ত লোকসংখ্যা ৯.৪২ লক্ষ। শতকরা হার ৫১.৯৩। করিমগঞ্জের লোক সংখ্যা হলো ৯.৩৪ লক্ষ। বন্যাক্রান্ত লোকের সংখ্যা ২.২৮ লক্ষ। শতকরা হিসেবে ২৪.৪১। ঐ সময়ে আসামের জনসংখ্যা ছিল ২৩৪.৪০ লক্ষ। বন্যাক্রান্ত লোকের সংখ্যা ২২.১৬ লক্ষ আর শতকরা হিসেবে ৯.৫ শতাংশ। এই যে পরিসংখ্যা তা আমার নিজস্ব নয়। আমাদের রাজস্ব বিভাগ থেকেই এই প্রেস বিজ্ঞপ্তিতে

বন্যা সংক্রান্ত এই তথ্য প্রকাশ পেয়েছে। এই তথ্য থেকেই সহজে অনুমেয় যে ব্রহ্মপুত্র উপত্যকায় বিভিন্ন জেলায় যত ক্ষয় ক্ষতি হয়েছে তারচেয়ে কাছার এবং করিমগঞ্জ জেলার ক্ষয় ক্ষতির পরিমান কম নয়। কিন্তু দুঃখের বিষয় ত্রাণের সিংহ ভাগই গিয়েছে ব্রহ্মপুত্র উপত্যকার নগাওঁ ও যোরহাট জেলাতে। ব্রহ্মপুত্র উপত্যকায় ত্রাণ সামগ্রী বেশী দেওয়াতে আমাদের বলার কিছু নেই। কিন্তু করিমগঞ্জ ও কাছাড় জেলার প্রতি সাহায্যের ব্যাপারে যে বৈষম্য দেখানো হয়েছে তা মেনে নেওয়া যায় না। কারণ প্রায় ২.৫ লক্ষ লোক শুধু করিমগঞ্জ জেলাতেই ক্ষতিগ্রস্থ হয়েছে যা মোট জনসংখ্যার প্রায় এক চতুর্থাংশ এবং প্রায় ৬০ হাজার হেক্টর জমি অর্থাৎ মোট আবাদী জমির প্রায় অর্দ্ধাংশ এই বন্যায় ক্ষতিগ্রস্থ হয়েছে। কিন্তু এই জেলা সাহায্যের ক্ষেত্রে বঞ্চিতের তালিকার শীর্ষে। বিগত বন্যার সময়ও আমরা দেখেছি যে বন্যা নিয়ন্ত্রনের জন্য লক্ষ লক্ষ টাকা খরচ করা হয়েছে বাঁধ তৈরী করার জন্য স্লুইচ্ নির্মানর জন্য। সুতরাং এখনও যদি এই অবস্থা আমাদের রাজ্যে চলে তাহলে সেই পরিস্থিতির কোন দিনও উন্নতি সম্ভব নয়। আমরা বিভিন্ন সময়ে দুর্নীতির কথা উল্লেখ করে থাকি। আমরা দেখেছি যে এই দুর্নীতির সঙ্গে কিছু কিছু রাজনৈতিক নেতার হস্তক্ষেপ থাকে স্যার, ১৯৮১ ইং' তে একজন অত্যন্ত দূর্নীতিগ্রস্থ ইঞ্জিনীয়ারকে কাছার জেলা থেকে সড়িয়ে আনার জন্য সরকারকে অনুরোধ করা হয়েছিল। কিন্তু কোন সরকারই এই জাদরেল অফিসারকে বদলী করতে সক্ষম হয় নি। স্বয়ং ভারতবর্ষের প্রধান মন্ত্রী পর্যন্ত এই অফিসারকে বদলী না করার জন্য ওকালতি করেছেন। কেন্দ্রীয় জল সম্পদ বিভাগের মন্ত্রী শ্রীশংকরানন্দ নিজেও এই অফিসারকে বদলী না করার জন্য আসাম সরকারকে অনুরোধ করেছেন বলে আমরা শুনেছি। কারন-এতো ভাল অফিসার, এতো সৎ অফিসার, এতো চাঁদা দেওয়া অফিসার নাকি আর হয় না। আমরা বুঝতে পারি না কিভাবে একজন কেন্দ্রীয় মন্ত্রী আসাম সরকারের একজন মন্ত্রীকে দূর্নীতিগ্রস্থ অফিসারকে শিলচরে রাখার জন্য অনুরোধ করতে পারেন, নির্দেশ দিতে পারে। এই অফিসারের এতো ক্ষমতা যে রাজ্য সরকারে অফিসার হয়েও তিনি প্রধানমন্ত্রীকে, কেন্দ্রীয় মন্ত্রীকে তার বদলীর ব্যাপারে ইনভলব্ করতে পারে ? আশা করি মন্ত্রী মহোদয় তার আত্ম সন্মানের কথা চিন্তা কেন্দ্রীয় মন্ত্রীর পরামর্শ গ্রহণ না করে তাঁর নিজ বিবেচনায় এই অফিসারকে বদলীর ব্যবস্থা করবেন। কারন কর্মচারীজন তো কেন্দ্রীয় সরকারের কর্মচারী নন— তিনি এই সরকারের অধীনস্থ একজন কর্মচারী।

মহোদয়, করিমগঞ্জ জেলার কয়েকটি হেক্টর আবাদী জমি ক্ষতিগ্রস্থ হয়েছে। করিমগঞ্জ জেলায় গত বন্যায় প্রায় ৬০ হাজার হেক্টর আবাদী জমি ক্ষতিগ্রস্থ হয়েছে।

কিন্তু বিভাগ থেকে এর প্রতিরোধের কোন ব্যবস্থা নেওয়া হয়নি। একটু সচেষ্ট হলেই এই বিরাট এলাকাকে বন্যার হাত থেকে আমরা রক্ষা করতে পারি। এবং এটা করতে গেলে আমাদের কোন বিরাট প্ল্যানের প্রয়োজন হবে বলে আমি মনে করি না। কুশিয়ারা নদীর জল যদি বেক্ ফেলা করে কচুয়া— গোমটী নদীর নালা দিয়ে পাস করার জন্য স্লুইচ গেট খুলে দিয়ে লামাজুকরেপাল দিয়ে নালা কেটে কুশীয়ারা নদীকে আন্নাইর হাওরের সঙ্গে সংযোগ করে দিলে বিরাট একটা অঞ্চল এই বন্যার কবল থেকে রক্ষা হবে। গোমতী নদী সমস্ত করিমগঞ্জ জিলার মধ্য দিয়া ত্রিপুরা রাজ্যে চলে গেছে। তার উৎপত্তি বদরপুর শহর বরাক নদী point থেকে যদি সংস্কার করে বরাক নদীর বন্যার জল কে ঢুকিয়ে দেওয়া হয় তবে ৩/৪ বছরের মধ্যে করিমগঞ্জ জিলার বেশীর ভাগ অঞ্চল বন্যার আক্রমণ থেকে রক্ষা পাবে। এতে বিরাট টাকার প্রয়োজন হবে বলে আমি মনে করি না। অন্য দিকে রাতাবিল, শনবিল এবং আনাইর হাওরের বিস্তির্ণ এলাকা বন্যার পলিতে উর্বরা হয়ে কৃষিযোগ্য হয়ে উঠবে। আশাকরি মন্ত্রী মহোদয় এই বিষয়ে বিবেচনা করে ব্যবস্থা নিবেন।

আমার দ্বিতীয় প্রস্তাব হলো কাটাখাল নদীর জল খাল কেটে পলা নদীর সঙ্গে সংযোগ করার জন্য পলা স্লুইচ গেট খুলে দিলে ৪৪ নং রাষ্ট্রীয় পথ যা আসামের সঙ্গে মিজোরাম, মনিপুর, ত্রিপুরা রাজ্যকে সংযোগ করেছে এবং বিরাট অঞ্চল ভাঙ্গনের হাত থেকে রক্ষা পাবে। আশাকরি মন্ত্রী মহোদয় এদিকেও দৃষ্টি দিবেন।

আমার তৃতীয় প্রস্তাব হলো— শ্রীগৌরী বাজার থেকে শ্রীগৌরী স্কুল পর্যন্ত মাত্র ৭০০ মিটারের একটা বাঁধ তৈরী করতে পারলে শ্রীগৌরী স্কুলের সামনের বরাক নদী ভাংগন আমরা প্রতিরোধ করতে পারবো। এবং এর ফলে বিস্তির্ণ অঞ্চল বাদেও ৩০ বেডেড্ হাস্পাতাল এবং স্কুল ভবনটিকেও আমরা বন্যার কবল থেকে রক্ষা করতে পারবো। আশাকরি মন্ত্রী মহোদয় এই বিষয়ে ব্যবস্থা নিয়ে অঞ্চলটি রক্ষা করার চেষ্টা করবেন। প্রয়োজনের তুলনায় বরাক উপত্যাকার টাকা কম দেওয়া হয়েছে।

স্যার, আমরা দেখেছি যে বন্যা হলে বন্যা প্রতিরোধের জন্য কাজ করা হয়। কিন্তু যে টাকা বরাদ্দ করা.হয় সে টাকা যথাযথভাবে খরচ করা হয় না। এ ব্যাপারে বিভিন্ন সদস্য অভিযোগ করেছেন। আমি শুধু মন্ত্রী মহোদয়কে অনুরোধ করছি যে বরাক উপত্যাকার জন্য যে টাকা গত বছর খরচ করার কথা ছিল তা যিহেতু যথাযথভাবে খরচ হয়নি সেইহেতু এই টাকার সঙ্গে এই বছরের দেয় টাকা যাতে যথাযথভাবে খরচ করার ব্যবস্থা করা হয় তার প্রতি দৃষ্টি রাখার চেষ্টা করেন। এই বলে আমরা বক্তব্য শেষ করছি।

**Shri Charan Narzary :–** Hon'ble Mr. Dy. Speaker, Sir, I could not move my

cut Motion as I was absent at that time. Even then I want to make a few observations. Sir, in fact I do not have any objection to the demands made by the Hon'ble Flood Control Minister for the amount of Rs.50,82,68,000 for the purpose of controlling the floods in the State. Sir, as a matter of fact, this amount is not sufficient to undertake the flood control measures as required. What I feel is that atleast a sum of Rs. 500 crores should have been given by the Centre for the purpose of controlling floods in the State of Assam. Now, Sir, what the Hon'ble Flood Control Minister will do with this meagre amount ? How the Hon'ble Flood Control Minister will control the floods in the State with this meagre amount. The amount he has sought is very small but the problem is very very big and, I am sure, there will be no permanent solution to the problems of flood control in the State. Even after 40 years of independence the problem could not be solved. It is an annual feature and the people must remain prepared to face floods every year. Had the amount been very big, there would have been more scope for more criticisms. But the amount sought by the Hon'ble Minister is not very big.

Several Hon'ble Members of this House have raised the question of corruption. When corruption is there, this meagre amount of money will automatically vanish and there will be no work at all corruption remains as flood remains. It will continue as long as this flood problem will continue to exist. If this is so, then how can the Govt. give any remedy ? Why it is so ? Why remedy because there is no sincerity of purpose. As there is no honesty of purpose, money is wasted or misappropriated. So we can take it for granted that there will be no solution to this flood control problem. Even then, I want to suggest certain means for evaluations by the Hon'ble Flood Control Minister.

There should be a thorough survey of the rivers in the State. As we all know, the rivers flowing down from high atitudes from north as well as from the south are so treacherous, turbulent and unpredictable that no one knows when and what will happen to the people. The Govt. also is not awaked at all until and unless there is devastation. Hon'ble minister should bear in mind that the Govt. is not awakened until and unless there is hue and cry from the people. When the devastation is already there then only the Govt. starts moving. Sir, this way we cannot solve the problem.

For taming the rivers, embankments on both the sides of identified rivers should be erected in the up-stream to regulate the course of the rivers on priority basis. For giving priority thorough survey has to be made by the Govemement. Atleast, the Govt. should have a fair idea about the nature of each and every river in the State. Sir, the dimension of this flood control problem is so big, it is no use talking about the problems of my own area. It is everywhere the same and the people of Assam should remain prepared to face flood ravages not only once in a year but repeatedly one after another. The Govt. remains sleeping and whatever money is allocated, whatever money is received by the Govt. that will never be utilised properly, never utilised fully, honestly and sincerely. Only a small percentage of the amount will be spent in the execution of the different schemes and possibly bulk of the amount will go elsewhere, say, into the pockets of the contractors, into the pockets of corrupt officials.
(Bell rings).

Sir, only one point and no more. As we have seen, some particular contractors are all the time favoured while many other young contractors are deprived. This should not happen. We have seen even the same man is getting works worth crores of rupees

while others are being deprived of. This should not happen. The same contractor or some contractors of some particular family are getting works worth crores of rupees. While indigenous contractors are searching for works they are deprived of and others coming from outside the state are being favoured. Why this isso ? What is the reason behind it ? We know, the Executive Engineer can give allotment of works worth up to some limit, and the supdt.Engineer, Addl. Chief Engineer, and the Chief Engineer have also some limit in allotment of works. Definitely, the Supdt. Engineer can give allotment of work worth higher amount than the Executive Engineer and/so also in the case of higher officers. But my point is that he authority should encourage the local contractors, specially the younger contractors.Works should not be alloted in the name of only a few favoured ones. They should not be allowed to swallow the whole money. Like this, there are so many ellegations but there is no solution. Even then, I believe that there should be some human efforts and we lack in these efforts, atleast honest efforts. Because of lack of honesty and sincerity of purpose the problems could not be solved. With these words I conclude. Thank you Sir.

★ শ্ৰীপ্ৰফুল্ল চন্দ্ৰ গোস্বামী ঃ— মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বান নিয়ন্ত্ৰণ মন্ত্ৰী মহোদয়ে যি পৰিমাণৰ টকাৰ প্ৰস্তাৱ উত্থাপন কৰিছে অহা বিত্তীয় বছৰৰ বাবে উক্ত প্ৰস্তাৱটো মই সমৰ্থন জনায় মোৰ বক্তব্য ৰাখিবলৈ আগবাঢ়িছো।

মাননীয় উপাধ্যক্ষ মহোদয়, অসম ৰাজ্য বুলি ক'লে আমি এটা কথা জাঁনো যে অতীতৰ পৰা এই ৰাজ্যত বানপানী হৈ আছে, বৰ্ত্তমানেও হৈ আছে, আৰু ভৱিষ্যতেও হ'ব। আমি যদি ৫০ বছৰ আগৰ এই ৰাজ্যৰ অৱস্থা চাবলৈ যাওঁ বা ৮০ বছৰ বুঢ়া লোকক সেই সময়ৰ বানপানী কথা শুধো তেতিয়া তেখেত সকলে ক'ব, সেই সময়তো অসমত বানপানী হৈছিল। কিন্তু আজি আৰু তেতিয়াৰ মাজত বহুতো সাদৃশ্য আছে। সেই তেতিয়াৰ বানপানী আছিল অসমলৈ অহা বহাগ বিহুৰ নিচিনাহে বানপানী, খেতিয়ক ৰাইজে বানপানী অহাৰ লগে লগে আনন্দ পাইছিল। কাৰণ বানপানীৰ সময়ত মাছ ধৰিবলৈ পাইছিল,

★ Speech not Corrected

খেতি ভাল হৈছিল, মাটি পলস হ'ব ইত্যাদি। কিন্তু তেওঁলোকে এটা কথাতহে অলপ ভয় কৰিছিল যে বানপানী হৈ যোৱাৰ পিচত যি হাইজা, কলেৰা আদি হয় তাৰ পৰা কেনেকৈ ৰক্ষা পাব পাৰে তাৰ কথাহে চিন্তা কৰিছিল। তেওঁলোকে এই বানপানী আহ্বান কৰিছিল অসমলৈ অহা বহাগ বিহুৰ নিচিনাকৈ। কিন্তু আজি যি বানপানী তাক সকলোৱে ভয় কৰে। কোন সময়ত কাৰ ঘৰ-বাৰী লৈ যায়, কাৰ গৰু-ম'হ উটুৱাই নিয়ে একো ঠিক নাই। নদীয়ে কোন ফালে গতি কৰে ক'ত গড়া খহনীয়া হয় তাক কোনেও কব নোৱাৰে। যাৰ ফলত নেকি আজি আৰু তেতিয়াৰ বানপানীৰ মাজত এটা ডাঙৰ ব্যৱধান আছে। আৰু তেতিয়াৰ মানুহে খৰাং কালি চাপৰিলৈ গৈছিল খেৰ আদি কাটিবৰ কাৰণে আৰু সময় মতে তেওঁলোকে বাৰিষা হোৱাৰ আগে আগে নিজ ঘৰলৈ পুনৰ ঘূৰি আহিছিল। এইয়াই আছিল সময়ৰ অৱস্থা। ইমান এটা ব্যৱধান কিয় হ'ল তাক ভালদৰে পৰ্য্যবেক্ষণ কৰি চাব লগা হৈছে।

মাননীয় উপাধ্যক্ষ মহোদয়, এগৰাকী বিৰোধী পক্ষৰ সদস্যই কৈছে যে যিবিলাক মথাউৰি বন্ধা হৈছে সেই বিলাক মূল উদ্দেশ্য কি, ইয়াৰ লক্ষ্য কি? ই কেনেভাৱে মানুহক সহায় কৰিছে। এই মথাউৰি বিলাকে বানপানী ৰক্ষা কৰাত সহায় কৰিছে নেকি নে বানপানী হোৱাতহে সহায় কৰিছে। আজি বানপানীৰ যি সমস্যা এই সমস্যা আগতে নাছিল। বৰ্ত্তমান পৰিকল্পনা বিহীন হিচাপে এই মথাউৰি বিলাক কৰা হৈছে। চাইন্সত এটা কথা আছে (In every action there is an equal reaction) এই মথাউৰি বিলাকে জধে-মধে দিয়াৰ ফলত নদীয়ে সুত সলাই যিফালে সুবিধা হয় সেই ফালেই ভাঙিবলৈ সক্ষম হৈছে। আমি দেখিছো যে কলিয়াৰ 'ভোমোৰাগুৰি' দলং দিয়াৰ ফলত যি মথাউৰি বা 'পাৰ' দিব লগীয়া হৈছিল তাৰ ফলত নদীয়ে গতি সলোৱাত মথাউৰি ভাঙি দিব লগীয়া হৈছিল নহলে গোটেই নগাওঁ চহৰ খনেই বানপানীত ঢুব গ'লহেঁতেন? তেনেকুৱা বিলাক ঘটনাও হোৱা আমি দেখিছো। কিন্তু মথাউৰি দিয়াৰ বাবে ৰাইজৰ পৰা 'ডিমাণ্ড' আদি আহিব পাৰে কিন্তু তাৰ পৰা উপকাৰ আৰু অপকাৰ দুয়োটাৰে প্ৰতি গুৰুত্ব দিব লাগিব। কিয়নো এই মথাউৰি বিলাক বন্ধাৰ ফলত যেনেকৈ এটা অঞ্চলত অপকাৰ হ'ব পাৰে সেইদৰে কোনোৱা অঞ্চলত উপকাৰো হ'ব পাৰে। আমি যি আঁচনিয়েই নকৰো কিয় এইটোৰ প্ৰতি বিশেষ ভাৱে লক্ষ্য ৰাখিব লাগিব।

মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৩৮ টা বছৰে কি পৰিকল্পনা কৰিছিল যিসকলে আগৰ চৰকাৰৰ দিনত শাসনৰ গাদিত আছিল। বান নিয়ন্ত্ৰণ 'পৰটফলিঅ' বিভাগটোৰ যাৰ হাতত আছিল তাত আমাৰ সন্দেহ থাকি গ'ল. সন্দেহ হোৱাটো স্বাভাৱিক। যিবিলাক

মথাউৰি গঢ় লৈ উঠিছিল সেইবিলাকে বানপানী নিয়ন্ত্ৰণ কৰিছিল বুলি আমাৰ মনে নধৰে। সেই কাৰণে বৰ্ত্তমান চ ৰকাৰক অনুৰোধ কৰিছো যাতে মথাউৰি বিলাকে যাতে ৰাইজৰ উপকাৰ সাধন কৰিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখিব; অৱশ্যে বিভিন্ন জন মাননীয় সদস্যই এই বিভাগৰ ওপৰত দুৰ্নীতি হোৱা কথাটো উল্লেখ কৰিছে, ই সত্য। দুৰ্নীতি আছে। সেয়েহে মাননীয় মন্ত্ৰী মহোদয়ক ইয়াৰ বাবে বিশেষভাৱে চকু দিবলৈ অনুৰোধ জনালো। আমাৰ বান নিয়ন্ত্ৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত বিভিন্ন ধৰণৰ আঁচনি দাঙি ধৰিব লাগে— এই বিলাকে কেনেকৈ সমাধা কৰিব পাৰি। এই ক্ষেত্ৰত বিভাগৰ ফালৰ পৰা 'পেচাৰ' দিবলৈ অনুৰোধ জনালোঁ। দুৰ্নীতি কেতিয়াও নিৰ্মূল কৰিব নোৱাৰি। যদিহে মানুহৰ নৈতিক জ্ঞান নেথাকে। আজি মানুহৰ মাজত এটা অভাব দেখা গৈছে সেইটো হৈছে নৈতিক চৰিত্ৰৰ অভাৱ, জাতীয় চেতনাৰ অভাৱ। আজি আমাৰ আহি থকা 'নেকষ্ট জেনেৰেচনৰ' কথা আমি চিন্তা কৰিব লাগিব। আমি আহিছো ৰাইজৰ প্ৰতিনিধি হিচাপে, সেই হিচাপে আমাৰ এটা দায়িত্ব আছে, কৰ্ত্তব্য আছে। এই জাতীয় চেতনা লৈ যদি আমি কাম কৰো তেন্তে আমি ভাবো আমাৰ দেশ বহুতো উন্নতিৰ পথত আগবাঢ়ি যাব।

মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ চমু বক্তব্য ইমানতে সামৰণি মাৰিব বিচাৰিছো। যিসকল মাননীয় বিৰোধী পক্ষৰ সদস্যই এই কৰ্ত্তন প্ৰস্তাৱ মানিছে তাক উঠাই লব কিয়নো ৫০ কোটি টকা অসমৰ বান নিয়ন্ত্ৰণৰ নামত একোৱেই নহয়, ৬/৭ শ কোটি দৰকাৰ হ'ব। সেয়েহে তেখেতসকলে নিশ্চয় এই কৰ্ত্তন প্ৰস্তাৱটো উঠাই লব আৰু মাননীয় বান নিয়ন্ত্ৰণ মন্ত্ৰী মহোদয়ে যি পৰিমাণৰ টকা অনুমোদন বিচাৰিছে তাক সমৰ্থন কৰি মোৰ বক্তব্য ইমানতে সামৰণি মাৰিলো।

★ **শ্ৰীপদ্মনাথ কৈৰী ঃ—** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ বান নিয়ন্ত্ৰণ মাননীয় মন্ত্ৰী মহোদয়ে অসমত বানপানী নিয়ন্ত্ৰণৰ কাৰণে যি বাজেট উত্থাপন কৰিছে তাৰ সমৰ্থনত মই কেইটামান কথা ক'বলৈ আগবাঢ়িছো।

মাননীয় উপাধ্যক্ষ মহোদয়, অসমত বিভিন্ন প্ৰাকৃতিক সমস্যা আছে তাৰ ভিতৰত আটাইতকৈ ডাঙৰ সমস্যা হৈছে বানপানীৰ সমস্যাটো। অসমত এই বানপানীত বছৰে বছৰে যিমান বিলাক ক্ষয়-ক্ষতি হৈ আছে সেইটো অকল অসম তথা ভাৰতবৰ্ষৰ মানুহৰে নহয়, গোটেই পৃথিৱীৰ বিভিন্ন দেশৰ মানুহে ই জানে। এই বান নিয়ন্ত্ৰণৰ কাৰণে চৰকাৰৰ ফালৰ পৰা আজি যি টকা বিছৰা হৈছে অসমৰ ভয়াবহ বান পানীৰ তুলনাত সি তেনেই নগণ্য, আৰু অধিক পৰিমাণৰ টকা লাগেহে। যা-হওঁক, কমকৈ হলেও যি টকা আজি এই

---

★ Speech not Corrected

বিভাগে পাইছে সেই টকা খিনি যাতে বিজ্ঞানসন্মত উপায়েৰে সদ ব্যৱহাৰ কৰি খৰছ কৰিব পাৰি তাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, বিশ্বনাথ সমষ্টিৰ বানপানী নিয়ন্ত্ৰণৰ কাৰণে যি বিলাক মঠাউৰি আছে সেই মঠাউৰি প্ৰত্যেক বছৰে ভাঙি যায় আৰু তাৰ কাৰণে যি টকা ধাৰ্য্য কৰা হয় সেই টকাটো তাকৰ হলেও তাক যাতে বিজ্ঞান সন্মত উপায়েৰে খৰছ কৰিব পাৰি তাৰ উপায় উদ্ভাৱন কৰিব লাগে। বানপানীৰ সমস্যাটো অসমৰ কাৰণে এটা উৎসৱ নিছিনা নহৈ ইয়াৰ এটা স্থায়ী সমাধানহে হ'ব লাগে। আমি জনমতে বিশ্বনাথ সমষ্টিৰ যি ঠাইত আগতে মঠাউৰি আছিল সেইটো ভাগি যোৱাৰ পিছত এতিয়া ১৬ লাখ টকাৰ এটা আঁচনি লৈছে বুলি আমি জানিব পাৰি বৰ ভাল পাইছো। আমি আশা কৰিছো, এই বান্ধটোৰ কাৰণে ধাৰ্য্য কৰা টকা সৎ-ব্যৱহাৰ কৰি বিজ্ঞানসন্মত উপায়েৰে কাম বিলাক কৰিব লাগে। শিল আদি পেলাবৰ কাৰণে যি বিলাক লাখ লাখ টকা খৰছ কৰিছে তাৰ উপৰিও মঠাউৰি বিলাকৰ কিনাৰে কিনাৰে গছ পুলি আদি ৰোৱাৰ ব্যৱস্থাও কৰিব লাগে। তাৰোপৰি, সেই মঠাউৰি বিলাকৰ ওপৰেদি যান বাহন আদি যাব পৰাৰ ব্যৱস্থা কৰিব পাৰিলে ভাল। যি অংশ যি বিভাগৰ লগত জড়িত যেনে গড়কাপ্তানী বিভাগৰ লগত জড়িত অংশটো তেখেত সকলক চমজাই দিব লাগে আৰু সেই দৰে অন্যান্য বিভাগো জড়িত হ'লে সেই দায়িত্ব সেই বিলাক বিভাগক দিব লাগে। ইয়াৰ ওপৰিও অসমৰ বানপানীৰ স্থায়ী সমাধানৰ কাৰণে অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰক অধিক টকা মঞ্জুৰী কৰিবৰ কাৰণে ধৰিব লাগে এই সমস্যাটোৰ স্থায়ী সমাধানৰ বাবে তেওঁলোকক দায়িত্ব দিব লাগে। যদি তেখেত সকলে দায়িত্ব নলয় তেতিয়া হ'লে, কেন্দ্ৰীয় চৰকাৰৰ পৰা যথেষ্ট পুঁজি আনি এই দায়িত্ব অসম চৰকাৰে নিজেই ল'ব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, অসমত বানপানী হোৱাৰ একমাত্ৰ কাৰণ হৈছে ব্ৰহ্মপুত্ৰৰ ওপৰিও বাৰিষা উপনদী বিলাক ফেনে-ফুটুকাৰে উফন্দিপৰাৰ কাৰণেই অসমত বানপানী হয়। আজি স্বাধীনতাৰ ৪০ বছৰৰে পৰা কেন্দ্ৰীয় চৰকাৰে এই বানপানীৰ সসম্যাটো কেৱল দূৰৰ পৰাই চাই আছে। উপনদী বিলাকক সংযম কৰিব নোৱাৰিলে ব্ৰহ্মাপুত্ৰ নদীক যিমানেই কন্ট্ৰল কৰা নহওঁক কিয়, অসমৰ বানপানীৰ সমস্যাৰ স্থায়ী সমাধান কেতিয়াও সম্ভৱপৰ নহয়। মাননীয় চৰণ নাৰ্জাৰী ডাঙৰীয়াই কোৱা কথাটোৰ লগত মইওঁ একমত। বানপানী নিয়ন্ত্ৰণৰ কাৰণে ধাৰ্য্য কৰা টকা বিলাক কামত লাগেনে নেলাগে সেইটো বিচাৰ কৰি চাব লাগে। আমাৰ থলুৱা যিসকল শিক্ষিত যুৱক আছে সেইসকলে থিকা থকুলি বিলাক কৰিবলৈ নেপায়। তাৰোপৰি, থিক সময়ত থলুৱা থিকাদাৰ

সকলে টকা নোপোৱাটোও এটা বৰ ডাঙৰ কথাষাৰৰ কাৰণে তেওঁলোক আগবাঢ়ি আহিবলৈ সাহস নকৰে।

মাননীয় উপাধ্যক্ষ মহোদয়, বানপানীৰ সময়ত 'ৰাণিং গাৰ্ড হিচাবে বা মঠাউৰিবোৰ চোৱা মেলা কৰাৰ কাৰণে যি বিলাক ষ্টাফ আছে সেই ষ্টাফ বিলাকৰ চাকৰি স্থায়ী ভাৱে মকৰল কৰিবলৈ মই চৰকাৰক অনুৰোধ কৰিছো। কিয়নো এই লোক সকলে যোৱা ১৫/২০ বছৰে এই বিলাক কাম কৰি আহিছে।

মাননীয় উপাধ্যক্ষ মহোদয়, যি বিলাক মঠাউৰি কৰা হয় সেই বিলাক সুৰক্ষিত কৰি ৰাখিবৰ কাৰণে ব্যৱস্থা কৰিব লাগে। বানপানীৰ সময়ত পোক পৰুৱা আদি মাৰিবৰ কাৰণে কিছুমান ঔষধ পাতি আদিৰ যোগান ধৰা হয়। সেই বিলাক ঠিক মতে প্ৰয়োগ কৰা হৈছেনে নাই সেইটো চাব লাগে। টকা সকলোকে লাগে। সেই বুলি কাম নকৰাকৈ বা অন্যায় কৰি টকা ঘটিবলৈ দিব নেলাগে। যি সকল চৰকাৰী বিষয়াই দুৰ্নীতিক প্ৰশ্ৰয় দিয়ে সেই সকলৰ ক্ষেত্ৰত অলপ দৃঢ়তা প্ৰকাশ কৰিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, মই কেইটামান পৰামৰ্শ আগবঢ়ালো। যদি মাননীয় মন্ত্ৰী মহোদয়ে গ্ৰহণযোগ্য বুলি ভাবে গ্ৰহণ কৰিব আৰু কাম কৰিব। শেষত কেন্দ্ৰীয় চৰকাৰক এই বানপানীৰ সমস্যাটো একেবাৰেই সমাধান কৰিবৰ কাৰণে অনুৰোধ জনাই দাবী মঞ্জুৰীটোৰ সমৰ্থন কৰিছো আৰু বিৰোধী দলৰ মাননীয় সদস্য সকলে অনা কৰ্ত্তন প্ৰস্তাৱটোৰ বিৰোধীতা কৰি মই মোৰ বক্তব্য ইমানতে সামৰণি মাৰিছো।

★ **শ্ৰীকিৰণ কুমাৰ গগৈ ঃ**— মাননীয় উপাধ্যক্ষ মহোদয়, বান নিয়ন্ত্ৰণ বিভাগৰ মাননীয় মন্ত্ৰী মহোদয়ে অসমৰ বানপানী নিয়ন্ত্ৰণৰ কাৰণে ৫০ কোটিৰো অধিক যি টকাৰ দাবী মঞ্জুৰী আনিছে সেই দাবি মঞ্জুৰীৰ সমৰ্থন কৰি আৰু বিৰোধী দলৰ মাননীয় সদস্য সকলে অনা কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি কেইটামান কথা ক'বলৈ বিছাৰিছো।

মাননীয় উপাধ্যক্ষ মহোদয়, মই আগতে শিক্ষকতা কৰি অহা মানুহ। শিক্ষকতাৰ কালছোৱাত ল'ৰা-ছোৱালী বিলাকক বানপানীৰ বিষয়ে ৰচনা লিখিবলৈ দিয়াত তেওঁলোকে লিখিছিল যে, বানপানী অসমৰ এটা বৰ ডাঙৰ উৎসৱ। তেতিয়া আমাৰ এটা ধাৰণা হৈছিল যে, ল'ৰা-ছোৱালী বিলাকে একেবাৰেই পঢ়া-শুনা নকৰে নেকি? কিন্তু এতিয়াহে কথাটো অলপ উপলব্ধি কৰিব পাৰিছো যে, সেইল'ৰা-ছোৱালী বিলাকে লিখা কথাটো অমূলক নাছিল। বানপানী সঁচাকৈয়ে অসমৰ এটা ডাঙৰ জাতীয় উৎসৱৰ নিচিনাই হৈছে। এইটো কিয় হ'বলৈ পাইছে? অসমত যেতিয়ালৈকে ব্ৰহ্মপুত্ৰক স্থায়ী ভাৱে নিয়ন্ত্ৰণ কৰিব নোৱাৰিব তেতিয়ালৈকে অসমত বানপানী এটা ডাঙৰ উৎসৱৰ

নিচিনাই হৈ থাকিব। ব্ৰহ্মপুত্ৰ নদীক স্থায়ী ভাৱে সমাধান কৰাত কেন্দ্ৰীয় চৰকাৰে হেমাহি কৰিছে। অসম চৰকাৰে হেমাহি কৰিলে নহ'ব। অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈকে বানপানী হোৱাৰ মূল উৎস ব্ৰহ্মপুত্ৰ আৰু উপনদী। গতিকে যেতিয়ালৈকে এই ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনদী বিলাক নিয়ন্ত্ৰণ কৰিব পৰা নেযায় তেতিয়ালৈকে এই বানপানীৰ সমস্যাটো চলিয়েই থাকিব।

মাননীয় উপাধ্যক্ষ মহোদয়, ডিব্ৰুগড় জিলাৰ মৰাণ সমষ্টিত এটা মৌজা আছে নাম হৈছে— মৰুৱা। এই মৰুৱা মৌজাৰ জনসাধাৰণে কি পাপ কৰিলে নাজানো, গোটেই ডিব্ৰুগড় জিলাৰ বানপানী আহি এই মৌজাটো ডুবাই ৰাখে। ব্ৰহ্মপুত্ৰৰ বান নিয়ন্ত্ৰণৰ ক্ষেত্ৰত বিজ্ঞানসন্মত ব্যৱস্থাৱলী গ্ৰহণ নকৰাৰ ফলতেই আজি মৰুৱা মৌজাৰ এনে দুৰ্দশা হৈছে বুলি ক'ব পাৰি। এই মৌজাৰ জনসাধাৰণে বহু বছৰৰ পৰা বগী বিল চাউল খোৱা মথাউৰিটো সম্পূৰ্ণকৈ নিৰ্ম্মাণ কৰাৰ বাবে চৰকাৰৰ ওচৰত আবেদন নিবেদন কৰি আহিছে যদিও হৈ উঠা নাই। পূৰ্বৰ চৰকাৰ সমূহৰ দিনত এই সমষ্টিটোত বান নিয়ন্ত্ৰণৰ নামত একো কামেই হোৱা নাই— কৰা নহল। যাৰ কাৰণে এই মৰাণ সমষ্টিটো সদায় বানপানীৰ তলত থাকিব লগা হয়। জামিয়া মাৰুৱা ড্ৰেইনটো খন্দা হল যদিও কামতনাহিল। মুঠতে যোৱা চৰকাৰৰ দিনত তাত একো কাম নহল। মাননীয় সদস্য শ্ৰীচৰণ নাৰ্জাৰী ডাঙৰীয়াই কোৱাৰ দৰে আমাৰ তাতো এজন নিগাজী এচ, ডি, অ' আছে আৰু আছে এজন নিগাজী ঠিকাদাৰ। খৰালি সময়ত ৰাইজে সেই ড্ৰেইনত মেটেকা চালি মাছ মাৰি মেটেকাবোৰ পাৰলৈ উঠাই দিয়ে আৰু তাৰ পিচতেই ঠিকাদাৰ আৰু এচ, ডি. অ'ই নলাৰ মেটেকা চাফা কৰা হ'ল বুলি বিল দি দি ঠিকাদাৰ আৰু বিষয়াই টকা আত্মসাত কৰি আহিছে। অসম মেডিকেল কলেজৰ আৰ্বজনা বৈ অনা নলাটো মাৰুৱা নলাত পৰিছে আৰু এই নলাটো চেচা নৈত পৰিছে। কিন্তু নলাটোৰ মাজখিনি দ আৰু পৰা ঠাইখিনি ওখ হোৱাৰ কাৰণে লেতেৰা পানী বন্ধ হৈ থাকে আৰু অচলটো অট'মেটিক বানপানীৰ সৃষ্টি হয়। মই বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ক মৰাণ সমষ্টিৰ এই সমস্যাটোৰ প্ৰতি দৃষ্টি দিবলৈ অনুৰোধ জনাইছো। উপাধ্যক্ষ মহোদয়, মই এটা কথাত ভাল পাইছো যে আজি আমাৰ এ, জি, পি চৰকাৰে দিহিঙৰ শেষ অংশত য'ত মথাউৰি নাছিল তাত মথাউৰি দিয়াৰ কাৰণে আঁচনি লৈছে। অথচ যোৱা ৪০ বছৰে কোনো চৰকাৰেই এই মথাউৰি ল'বলৈ সাহস কৰিব পৰা নাছিল। এই মথাউৰিৰ আঁচনিৰ কাৰণে মই মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। আমাৰ বান নিয়ন্ত্ৰণ বিভাগত যে আসোৱাহ নাই এনে নহয়। ইয়াত যেনেদৰে ভাল বিষয়া আছে

তেনেদৰে অসৎ বিষয়াও আছে। কিন্তু পৰ্য্যায়ক্ৰমে আমি এই বিভাগৰ আসোঁৱাহবোৰ দূৰ কৰাৰ চেষ্টা কৰিব লাগে। বানপানীৰ কাৰণে যিমান টকা ধাৰ্য্য কৰা হয় কাম কিন্তু সেই মতে হোৱা দেখা নাযায়। আমি দেখিবলৈ পাওঁ ৩১ মাৰ্চত ঠিকাদাৰে কাম নকৰাকৈয়ে ভুৱা বিল দি টকা লৈ যায়। এইবোৰ অৱশ্যে আগৰ চৰকাৰৰ দিনৰ ঠিকাদাৰ। যি উদ্দেশ্যত আমি যিমান টকা ধৰো সেই টকা যাতে সৎ ভাৱে আচল কামত বিষয়া আৰু ঠিকাদাৰে খৰছ কৰে তাঁলৈ সকলোৱে চকু ৰাখিব লাগে। এ, জি, পি চৰকাৰৰ দিনত সৰু সৰু ঠিকদাৰ সকলে ঠিকাৰ কামেই পোৱা নাই, আগৰ ডাঙৰ ডাঙৰ ঠিকাদাৰৰ প্ৰকোপত তেওঁলোক বঞ্চিত হৈ থাকিবলগা হৈছে। আজি গড় কাপ্তানি বিভাগত এচ, চি, আঁচনি আছে কিন্তু তাতো আমাৰ শিক্ষিত নিবনুৱা যুবক ঠিকাদাৰ সকলে কাম নাপায়। চৰকাৰে এই দিশটোৰ প্ৰতিও চকু দিব লাগে। মই শেষত এটা কথা কব বিচাৰিছো যে আমাৰ বি, এফ, চি বিভাগটোৱে কি কাম কৰিব বা নকৰিব আমি কব পৰা নাই। কিন্তু আমি ৰৈ থাকিব নোৱাৰে। ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰণৰ কাৰণে আমাৰ চৰকাৰেই স্থায়ী ব্যৱস্থা ল'ব লাগিব, স্থায়ী সমাধান কৰিব লাগিব। শেষত মই বিৰোধী পক্ষৰ মাননীয় সদস্য সকলে অনা কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধিতা কৰিছো আৰু যি দাবী মঞ্জুৰী সদনত উত্থাপন কৰিছে তাক সমৰ্থন কৰি মোৰ বক্তব্য সামৰিছোঁ।

**Shri Silvius Condpan :–** Mr Deputy Speaker Sir, in support of the cut Motion moved by our party, I would like to make some observations over the Department of Flood Control. Sir, it is a fact that the people of Assam are facing the problem created by the river, Brahmaputra and its tributaries, every year– the problem of floods, particularly the people living in villages. Every year, huge areas of cultivable land blonging to these village people are being washed away by the erosion caused in the rivers. It is a fact.

Now Sir, for controlling the floods for the years to come, ever since the inception of the Department, much has been done, but the problem remains where it was. It is also a fact that the amount of money Assam gets from the Centre is the highest in compared to other States in the country; but I do not say that the amount is sufficient because the problem of floods is such that it does not commensurate

with fund alloted. Now Sir, there must be no reason to tell that the Centre is not giving money and hence we not able to control floods. We are to do something within our capacity to control floods and I would suggest Sir certain steps. Sir I do not like to go to suggest any steps for controlling Brahmaputra, but the tributaries of Brahmaputra can be controlled by taking up schemes of training the rivers. Instead of constructing barrages on the river bank. If the rivers are trained with small schemes, then these rivers will atleast not cause erosion. Now, in the Flood Control Department there are two sides, one is to control the Flood and the other is to resist the erosion. Resisting the Erosion will be more important than controlling of the flood. Beacause by resisting the erosion we can protect the land from being washed away. By training of rivers, we have in our humble way, the experience from the BLCC, and it appears to be successful. We have engaged our villagers who are affected in such works. So we have this experience to tame these rivers. These people have done the work of dredging also. The course of the river is also changed as a result of which the village is also saved from so being eroded. So there should have some small schemes for the Department. Secondly. Sir, as my Hon'able. friend have already mentioned, I also like to refer to the same. This is a problem which has created problems for the Department of Flood Control. And this is a problem for the people also. Under no circumstances the Governement in the Forest Department should allow the Mahaldars to collect sand and gravels from the river banks. This is a very important point which I am suggesting both to the Flood Control Department and to the Forest Department. This will save the money and the problem for us. The Department of Flood Control should identify the areas where erosions are very much prone and should earmark money for it accordingly. In that way the affected

people will be equally benefited. At present the Department and the Government is concerned only with the floods of the rivers but not with the problems of erosion. But by the recurring erosions the lands are systematically washed away every year. If in this way lands are washed away and there be no land what will be the fate of the affected people. In our areas for the last 3 years the river panchnoi the river Dhansiri and the river Routa and also many other small rivers are systematically washing away its banks in erosions. This year I am apprehending, the river panchnoi in village Chapabari are flowing into the very hearts of Majbat. So my humble suggestion to the Government is to control the erosion first not only of the Brahmaputra, but to all its tributaries throughout its course in Assam. So my suggestion to the Department is to identify the two schemes of flood affected areas and the erosion affected areas. So concentration sould be given to the erosion affected areas also. My next point is about Darrang District. It is to be not in Nowgong district. Nowgong circle will have to supervise Darrang district areas. My suggestion is that Darrang district areas should be clubbed with the nearest circle– either Guwahati or at a place nearby, which I donot know. Nowgaon is far away from being supervised by a Superintending Engineer. My last point is that the Departmental officers should visit the areas affected by flood and erosion and while doing so they should make a spot survey. It should not be done by presurising the Flood Control Minister. Equal distribution facilities for flood control and erosion affected people should be made and proper survey of the affected areas should be made. With these, observation, Sir, I support the Cut Motion tabled by our party.

★ শ্ৰীমতী জ্যোস্না সোনোৱাল ঃ— মাননীয় উপাধ্যক্ষ মহোদয়, আজি বান নিয়ন্ত্ৰণ শিতানত যি দাবী মঞ্জুৰী আহিছে মই তাক সমৰ্থন জনাইছো। কেন্দ্ৰীয় চৰকাৰে যি পৰিমাণৰ আমাক টকা

★ Speech not Corrected

দিব লাগিছিল সেই পৰিমাণৰ টকা নিদিলেও বান নিয়ন্ত্ৰণ বিভাগে নিজাববীয়াকৈ যি প্ৰচেষ্টা হাতত লৈছে তাৰ কাৰণে মই ওলগ জনাইছো। এই বিভাগক যিমান টকা লাগিছিল সিমান টকা নাই। এই বিভাগটোক যিমান টকা লাগে আমাৰ যিমানবিলাক দপ্তৰ আছে আৰু সেই দপ্তৰ বিলাকত যিমান টকা ধৰা হৈছে সেই গোটেইখিনি টকা বান নিয়ন্ত্ৰণক দিলেও কিজানি সেই টকাৰে নোজোৰে। মই সদনত এটা কথা কব বিছাৰিছো আমাৰ ৰাজ্য চৰকাৰে এই সীমিত ধনেৰে বানপানী সমস্যাৰ এটা স্থায়ী সমাধান কৰিবলৈ সংগ্ৰামী প্ৰচেষ্টা চলাব লাগে। আঞ্চলিক চৰকাৰ এটাই অসমৰ সমগ্ৰ জনসাধাৰণৰ যি অৰ্থনৈতিক উন্নয়ন কামনা কৰিছে ঠিক তেনেকৈ বান নিয়ন্ত্ৰণৰ এটা স্থায়ী সমাধান কল্পে বিকল্প প্ৰচেষ্টা হাতত লোৱাটো আজি বিছাৰিছে। আমি আশা কৰো কেন্দ্ৰীয় চৰকাৰে কৰক বা নকৰক ৰাজ্য চৰকাৰে ইয়াৰ এটা স্থায়ী সমাধান কৰিব বুলি অসমৰ জনসাধাৰণে ভুয়সী আশা পালি আছে। উপাধ্যক্ষ মহোদয়, মাছ গেলিলে মূৰৰ পৰা গেলে। ঠিক তেনেকৈ সমগ্ৰ বানপানী সমস্যাৰ সৃষ্টি হৈছে শদিয়াৰ পৰা। মই নিজে সেই সমস্যাত জৰ্জৰিত। মই নিজে পানীৰ এম-এল-এ পানীতে মোৰ জন্ম, খহনীয়া আৰু বানপানীৰে লগত মোৰ সম্পৰ্ক। মই ইয়াত বহি থকা অৱস্থাত আজি শদিয়াত চপৰাই চপৰাই খহনীয়া হৈ আছে, এই গৰাখহনীয়া কাৰণেই মই ঘৰলৈ যাব ওলাইছো। ইমান এটা ডাঙৰ সমস্যাৰ সমাধান কৰিবলৈ যাওঁতে ব্ৰহ্মপুত্ৰ কৰ পৰা উৎপত্তি হৈছে কেতিয়াবা কোনে ক'ত কি ব্যৱস্থা লৈছে ক'ৰ পৰা কেনেকৈ উপনৈ হৈছে এইবিলাক অধ্যয়ন কৰি চাব লাগিব। মই এটা কথা জানিব বিছাৰিছো এই সংক্ৰান্তত অসম চৰকাৰে সীমামূৰীয়া ৰাজ্য বিলাকৰ লগত ওতঃপ্ৰোতভাৱে সম্পৰ্ক ৰাখিছে নে নাই? আমি ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ কৰিব নোৱাৰিলেও ইয়াৰ যিবিলাক উপনৈ আছে এই উপনৈ বিলাকৰ নিয়ন্ত্ৰণৰ কাৰণে ৰাজ্যিক পৰিকল্পনাত সোমাই ল'ব লাগিব। আজি শনিয়া অঞ্চলত উপনৈ সমূহে কুন্দিল নদীয়ে বানপানীৰ ভয়াবহ সৃষ্টি কৰিছে। আমাৰ মাননীয় সদস্য শ্ৰীকিৰণ গগৈ ডাঙৰীয়াই কৈছে ডিব্ৰুগড়ত কি অৱস্থাৰ সৃষ্টি কৰিছে কিন্তু এই ভয়াবহতাৰ আৰম্ভণী হৈছে শদিয়াৰ পৰা। এই বানপানী সমস্যাৰ স্থায়ী সমাধানৰ কাৰণে ৰাজ্য চৰকাৰে ৰিচাৰ্চ কৰিব লাগে, হাতে কামে লাগক, পাহাৰলৈ যাওঁক কেনেকৈ তাৰ পৰা বাগৰি আহি কেনেকৈ অৰুণাচলৰ পৰা বাগৰি আহি পানীয়ে তাণ্ডবলীলাৰ সৃষ্টি কৰিছে। কেন্দ্ৰীয় চৰকাৰে সেই ৰাজ্য বিলাকৰ লগতো সম্পৰ্ক ৰাখিব লাগিব। মই ভাবো পূৰ্বৰ চৰকাৰৰ দিনৰ পৰা এই বানপানী সমস্যাটোৰ ওপৰত দূৰদৰ্শিতাৰ অভাৱ হৈছে।

উপাধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰৰ আচল সমস্যা হৈছে ইয়াৰ উপনৈ সমূহ। সমস্যা

থাকিলে সমাধানো নিশ্চয় থাকিব। সেয়ে মই ক'ব খোজো যে আমাৰ ৰাজ্য চৰকাৰে এইটো এবাৰ পৰ্য্যালোচনা কৰি চাওক। ইয়াৰ উপনৈবোৰ ক'ৰ পৰা আৰিৰ্ভাব হৈছে, তাৰ উৎপত্তি স্থল আৰু দুই পাৰত গছ-গছনি আদি আছে নে নাই এই বিলাক পৰ্য্যবেক্ষণ কৰক। তেতিয়াহে আচল সমস্যাৰ সমাধান ওলাব। এই খিনিতে মই এটা কথা ক'ব খুজিছো যে আমাৰ ৰাজ্য চৰকাৰে বানপানীৰ সমস্যাটো সমাধান কৰিলেই বিদেশী সমস্যাটোৰো আপোনা আপুনি সমাধান হ'ব। নদীৰ পাৰত গছ-গছনি থাকিব লাগে কিন্তু আজি নদী বিলাকৰ দুয়োপাৰে যি মান মানুহৰ বসবাস আৰম্ভ হৈছে যে তাত গছ এদালো থাকিব নোৱাৰো অৱস্থা হৈছে। সেয়ে নদীৰ পাৰে অন্ততঃ দুই মাইল মানলৈকে যদি গছ ৰুই দিয়াৰ ব্যৱস্থা কৰা হয় তেতিয়া হ'লে বিদেশী সমস্যাটোও ইয়াৰ দ্বাৰাই সমাধান হৈ যাব বুলি মই ভাবো। সেয়ে বান নিয়ন্ত্ৰণৰ স্থায়ী সমাধানৰ কাৰণে কেন্দ্ৰীয় চৰকাৰক আমাৰ চৰকাৰে জোৰ দি কওক। মই মোৰ শদিয়াৰ অভিজ্ঞতাৰ পৰা কওঁ, আপোনালোকে আজি উৰা জাহাজ বা গাড়ীৰে ঘৰলৈ বা সমষ্টিলৈ যাব পাৰে কিন্তু মই নোৱাৰো। মই নাওত উঠিয়েই ঘৰলৈ যাব পাৰিম। নাওৰে নদী পাৰ হবই লাগিব। সেয়ে কওঁ আমাৰ এক্সপাৰ্ট সকল শদিয়ালৈ যাওক তাত চাওকগৈ কেনেকৈ নদীয়ে গৰা খহনীয়া কৰিছে। আমি নাজানো নদীয়ে কেনেকৈ ক'ত কেতিয়া ভাঙিব কিন্তু তেখেতে সকলো জানিব। আমাৰ মানুহে জনা হলে ইমান দিনে নদী কাটি দিলেহেঁতেন। সেয়ে আমাৰ শদিয়াত আজি ইমান দিনে কিয় চাব ডিভিজন এটা বান নিয়ন্ত্ৰণ বিভাগৰ পৰা কৰা নহল ক'ব নোৱাৰো। এতিয়া অৱশ্যে এই চৰকাৰে এইটো কৰিবলৈ লৈছে। বানপানী বেছি হলে ডিব্ৰুগড় উটিবই। সেয়ে আমাৰ এটা সুবিধা থাকিলে কলিং বেলৰ দৰে শদিয়াৰ পৰা জনাই দিব পাৰিলোহেঁতেন কেনে ধৰণৰ বানপানী হ'ব বা তেতিয়া হ'ব। অসমৰ ৰাইজে এই চৰকাৰৰ ওপৰত গভীৰ আস্থা ৰাখিছে। এই চৰকাৰে বানপানীৰ সমস্যা সমাধান কৰিব নোৱাৰিলে আৰু কোনো চৰকাৰেই কৰিব নোৱাৰিব বুলি আমাৰ ৰাইজে বিশ্বাস কৰে। সেয়ে মই আমাৰ বিৰোধী দলৰ সদস্য সকলক কৰ্ত্তন প্ৰস্তাৱটো উঠাই লবলৈ অনুৰোধ কৰিলোঁ। তেখেতসকলে পৰামৰ্শ দি প্ৰয়োজন হ'লে দিল্লীক কওঁকগৈ।

**Shri Binai Khungur Basumatary :–** A point of order Sir, The request to withdraw the cut motion can only come from the Minister and not from any member of the Treasury Bench. You make it a point sir, that such request should not come from the members of the Treasury Bench (interruption).

**শ্ৰীমতী জ্যোত্মা সোনোৱাল ঃ—** উপাধ্যক্ষ মহোদয়, মই এইটো কৈছো যে মই এই ধৰণৰ দৃষ্টিভঙ্গী সদনত প্ৰকাশ হোৱা দেখি মই আশ্চৰ্য্য প্ৰকাশ কৰিছোঁ। মই কৈছো যে বৰ্ত্তন প্ৰস্তাৱৰে সমস্যাৰ সমাধান নহয়। এইখিনিকে কৈ মই দাবী মঞ্জুৰীৰ প্ৰতি সমৰ্থন জনাই মোৰ বক্তব্য সামৰণী মাৰিলোঁ।

**শ্ৰীআফজালুৰ ৰহমান ঃ—** মাননীয় উপাধ্যক্ষ মহোদয়, বান নিয়ন্ত্ৰণৰ দাবী মঞ্জুৰীৰ ওপৰত আমাৰ সদস্য শ্ৰীমোক্তাৰ হুছেইনে যি কৰ্ত্তন প্ৰস্তাৱ আনিছে সেই প্ৰস্তাৱটোৰ ওপৰত সমৰ্থন জনাই মই দুষাৰমান ক'ব বিচাৰিছোঁ। উপাধ্যক্ষ মহোদয়, আমি শুনিছো ৪০ বছৰ বয়স হলে মানুহে ক্ষমতা পায়। কিন্তু স্বাধীনতা লাভ কৰাৰ ৪০ বছৰৰ পাৰ হৈ যোৱাৰ পিচতো ব্ৰহ্মপুত্ৰৰ বাননিয়ন্ত্ৰণ ব্যৱস্থাৰ স্থায়ী সমাধান কৰিব পৰা নাই। এইটো অসমৰ এটা জলন্ত সমস্যা। আচৰিত কথা অসমৰ বিভিন্ন দলে, বিভিন্ন গোষ্ঠীয়ে অসমত প্ৰশাসন চলাইছে। বিভন্ন ক্ষমতাৱলী মানুহে ৰাজনৈতিক দল কৰি বিভিন্ন আদৰ্শ অসমৰ মানুহক জনাইছে। কিন্তু এটা কথা গোটেই অসমৰ মানুহে এটাই চেন্ট্ৰেল পইন্ট পাইছে সেইটো হল ব্ৰহ্মপুত্ৰৰ গড়াখনহনীয়া আৰু বানপানী নিয়ন্ত্ৰণ। শদিয়াৰ পৰা মানকাছাৰলৈ অসমৰ প্ৰত্যেকটো মানুহৰ কাৰণেই এইটো এটা জলন্ত সমস্যা হৈছে, সকলোৰে জীয়াতু ভুগিব লগীয়া হৈছে।

উপাধ্যক্ষ মহোদয়, গোটেই ভাৰতবৰ্ষৰ পানী সম্পদৰ এক তৃতীয়াংশ ব্ৰহ্মপুত্ৰৰ (Coming from its tributeries) ৩৭০০০ মিটাৰ ডিচ্চাৰ্জ কৰি দিয়ে। ১৯৮০ চনৰ ষ্টেটিচটিক মতে এতিয়া আৰু বাঢ়িছে। জাতীয় সম্পদৰ এনে অপচয় কৰাটো আচৰিত কথা। মই এতিয়ালৈকে তিনিবাৰ বিধান সভালৈ নিৰ্বাচিত হৈ আহিছো। প্ৰতি বিধান সভাতেই দেখিছো বাননিয়ন্ত্ৰণৰ ক্ষেত্ৰত বিৰোধী দল বা শাসকীয় দলৰ ইয়াৰ এটা আশু সমাধান বা বাস্তৱ সমাধান হ'ব লাগে বুলি কৈ অহা শুনি আহিছো। কিন্তু সদনৰ বাহিৰত আমাৰ সাধাৰণ মানুহে এই সমস্যাটো জাতীয় সমস্যা হিচাপে তুলি ধৰিবলৈ সাজু হৈ আছে। কিন্তু দুৰ্ভাগ্যৰ কথা এয়ে যে আমি ইয়াত এতিয়ালৈ বহিব পৰা নাই আৰু এই জাতীয় সমস্যাটো কেনেকৈ সমাধান কৰিব পৰা যায় তাৰ চিন্তা-চৰ্চা কৰি সমস্যাটো এটা জাতীয় সমস্যা হিচাপে তুলি ধৰিব পৰা নাই। ইয়াৰ আগতে অসমত কংগ্ৰেছ আছিল বা

---

★ Speech not Corrected

জনতা দল আছিল, তেওঁলোকে দিল্লীৰ বহু কথাই শুনিব লগীয়া বা মানিবলগীয়া হৈছিল। কিন্তু অসমত এইবাৰ আঞ্চলিক দল শাসনত আছে, তেওঁলোকে বাৰে বাৰে দোহাৰিছে যে তেওঁলোক দিল্লীৰ আজ্ঞাবাহী নহয়। আৰু আমিও সেইটো নিবিচাৰো। অসমত এইবাৰ এটা সুযোগ আহিছে।

মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ এক তৃতীয়াংশ সম্পদ ওৱাটাৰ ৰিৰ্চোচৰ পৰা আহিব পাৰে। ভাৰতবৰ্ষৰ এক তৃতীয়াংশ বিজুলী শক্তি এই অসমৰ ওৱাটাৰ ৰিৰ্চোচে দিব পাৰে আৰু সেইদৰে উদ্যোগ গঢ়াৰ ক্ষেত্ৰত সহায় কৰিব পাৰে। মোৰ এই ধাৰণা এই কোনো নেশ্যনেল গভৰ্ণমেন্টে আৰু ৰাজ্যিক চৰকাৰে এই কামৰ কাৰণে নুই কৰিব নোৱাৰে। আজি বানপানী নিয়ন্ত্ৰণ কৰাৰ কথা উঠিলেই আমাৰ বুকুখন কপি উঠে কেলেই? আগৰ চৰকাৰে কিছুমান ভুল কাম কৰি গৈছে, মই ৰিভাৰাইন এৰিয়াৰ মানুহ নদীৰ কাষত থাকো, সৰুতে মই কাগজৰ নাওঁ সাজি আৰু বালিৰ বান্ধ বান্ধি পানীত কাগজৰ নাও উটুৱাই দি খেলা কৰিছিলো। মোৰ ধাৰণা আগৰ চৰকাৰেও এই ধৰণেই বালিৰ বান্ধ বান্ধি এটা ভয়াবহ কাণ্ডৰ সৃষ্টি কৰি গৈছে। যিটো প্ৰতি বছৰে অসমৰ ৰাইজৰ কাৰণে এটা দুখৰ কাৰণ হৈ পৰে। মাননীয় উপাধ্যক্ষ মহোদয় আপুনি জানে যে এইবাৰ ৯৩ টা ঠাইত মঠাউৰি ভাঙিছে। মঠাউৰি ভাঙি যোৱাৰ ফলত যি বিভতস্য কাহিনী সৃষ্টি হয় তাক যি সকলে দেখিছে তেওঁলোকেহে এই পৰিস্থিতিৰ উপলব্ধি কৰিব পাৰিব। ব্ৰহ্মপুত্ৰৰ পানী যেতিয়া ৮ ফুট ওখ হৈ বৈ যায় আৰু আনহাতেদি ইয়াৰ তলি আঠ ফুট তলত থাকে তেতিয়া কোনখন গাওঁ কোনটো আলিবাট বাঢ়ি যাব পাৰিম। যদি বানপানী নিয়ন্ত্ৰণ কৰাৰ কাৰণে পৰিকল্পনা অনুযায়ী আঁচনি নলহেঁতেন বা মঠাউৰি নাবান্ধি বেচিন তৈয়াৰ কৰিলেহেঁতেন তেতিয়াহলে বেছি সুবিধা হ'লহেঁতেন। আজি গাওঁ বিলাকত ব্ৰহ্মপুত্ৰ নদীয়ে ভাঙি চিঙি এনেকুৱা অৱস্থাৰ সৃষ্টি কৰিছে তাত বিজুলী বাতি লবলগা হলেও বহুত ধৰণৰ অসুবিধাৰ সন্মুখীন হ'বলগীয়া হয়। ব্ৰহ্মপুত্ৰ নদীয়ে এখন গাওঁ ভঙাৰ পিচত তাৰে মানুহ গৈ ওচৰতে আন এঠাইত ঠুপ খাই বাস কৰিলে আৰু তালৈ লাইট নিব লগীয়া হ'লে বিদ্যুত বিভাগে তালৈ লাইন নিদিয়ে। কিয়নো বিদ্যুত বিভাগৰ এটা নিয়ম আছে এখন গাৱত এঘৰত লাইট জ্বলিলেই গোটেই গাওঁখন বৈদ্যুতিকৰণ হোৱা বুলি ধৰে। কৰবাত যদি এক কিলোমিটাৰ ইলেকট্ৰিফিকেশ্যন হৈছে গোটেই গাৱখনতেই বিজুলী

যোগান ধৰা হোৱা বুলি তেওঁলোকে ধৰে। এই সকলোবোৰ সমস্যা ব্ৰহ্মপুত্ৰ নদীয়ে আনি দিছে। ব্ৰহ্মপুত্ৰ নদীৰ এই সমস্যা সমাধানৰ কাৰণে যি দলেই নহওক কিয় কোনেও ইয়াৰ বিৰোধিতা কৰা নাই। অসমৰ ওৱাটাৰ ৰিচোৰ্চে ভাৰতবৰ্ষৰ বিজুলীৰ এক তৃতীয়াংশ কভাৰ কৰিব পাৰে। যিখিনি টকা আমাক দিয়ে এই সম্পৰ্কত মই কেইটামান কথা কৈয়েই মোৰ বক্তব্যৰ সামৰণি মাৰিম। যিখিনি টকা দিয়া হয় সেই মতে ইঞ্জিনিয়াৰ সকলেও থিকেই প্ৰকল্প লয়, আচলতে কেৰোণটো ক'ত লাগে। মই গোৱালপাৰাত দেখিছো যেতিয়া ঠিকা দিব লগীয়া হয় তেতিয়া সেই কামবিলাকৰ একো একোটা অংশ অফিচৰ সহায়ক বৰ্গৰ ককায়েক ভায়েক অঙহী বঙহীৰ নামত একোটা অংশ বেনামী ভাবে দিয়ে, আৰু একোটা অংশ এনেয়ে ৰাখি থয় আৰু একোটা একোটা অংশ থলুৱা মানুহক দিয়ে। মন্ত্ৰী মহোদয়ে এই সম্পৰ্কত কাজি পতাৰ ঠাইৰ কথাটো নিশ্চয় জানো তেতিয়াৰ তাৰ উপায়ুক্ত বৰ কান্ত বৰুৱাই ই এণ্ড ডি বিভাগৰ কৰ্ম্মচাৰী সকলৰ লগত লগ লাগি দিনে ৰাতিয়ে কষ্ট কৰি এই কাজিপতা গাওঁখন ৰক্ষা কৰি হাজাৰ হাজাৰ মানুহক বিপদৰ পৰা ৰক্ষা কৰিলে। তাত গৈ দেখা পালো যে ঠিকাদাৰৰ নাম নাই। এনেয়ে শুনি আছিলো ৫৬.৬৫ লাখ টকা দিয়া আছে। এইখিনিতে মই এটা পৰমাৰ্শ দিব বিচাৰিছো যে বান নিয়ন্ত্ৰণ বিভাগৰ যিটো প্ৰকল্পৰ কাম আৰম্ভ হ'ব তাত কিমান টকাৰ কাম কৰা হ'ব আৰু কোনে কোন থিকাদাৰক কিমান টকাৰ কাম দিয়া হৈছে আৰু ডাঙৰ ডাঙৰ ঠিকাদাৰক কিমান টকাৰ কাম দিয়া হৈছে, স্থানীয় থলুৱা ঠিকাদাৰক কিমান টকাৰ কাম দিয়া হৈছে আৰু তাত কেনেধৰণে কাম বিলাক কৰিব তাৰ এখন চাইন বোৰ্ড দিব লাগে। তেতিয়া আমাৰ থলুৱা ৰাইজে কনচিয়াচ হ'ব পাৰে। সেইদিনাখন দেখিছো নতুন নাম্বাৰৰ কেবাখনো এম্বেচেডৰ আৰু ফিয়েট গাড়ী গোৱালপাৰালৈ আহিছে। মই ভাবিছিলো কোনোবা মন্ত্ৰীয়েই আহিল নেকি, মোৰ সমষ্টিৰ অলপ কামকে কৰি লও। গতিকে মই চাবলৈ গলো। ইমানবোৰ ফিয়েট গাড়ী, পিছত গৈ ই এণ্ড ডি বিভাগৰ অফিচত গৈ সোমাল বুলি জানিলো। এইটো এটা ৰেৱাজ (চিচটেম) হৈ পৰিছে, অভিযন্তা জন যদি যোৰহাটৰ পৰা গোৱালপাৰালৈ বদলি হৈ আহে তেতিয়াহলে ঠিকাদাৰ জনেও তাৰ পৰা বদলি হৈ আহে। গতিকে ওপৰত কৰা ধৰণে কোন প্ৰকল্পৰ কাৰণে কিমান টকা দিয়া হৈছে আৰু কোন ডাঙৰ ঠিকাদাৰক কামটো দিয়া হৈছে আৰু থলুৱা ঠিকাদাৰক কিমান টকাৰ কাম দিয়া

হৈছে আৰু কাম বিলাক কেনে ভাবে কৰিব ইত্যাদি সকলো বিলাক কথা সন্নিবিষ্ট কৰি চাইন বোৰ্ডত আৰি দিলে স্থানীয় ৰাইজ আৰু থলুৱা লোক সকলে প্ৰকল্পটোৰ বিষয়ে কিছু বুজি পাব আৰু তেওঁলোকৰ মাজত কনচিয়াচ সৃষ্টি হ'ব। মোৰ ধাৰণা ৰাইজৰ মাজত যথেষ্ট বুজাবুজি হ'ব আৰু কামটো অগ্ৰগতি লাভ কৰিব আৰু কাম বিলাক ভাল হ'ব। এইখিনি কৈ কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

★ **শ্ৰীদিলীপ কুমাৰ শইকীয়া সোনোৱাল ঃ—** মাননীয় উপাধ্যক্ষ মহোদয়, বান নিয়ন্ত্ৰণ বিভাগৰ শিতানত যিটো মঞ্জুৰী উত্থাপন কৰিছে সেইটো পূৰ্ণ সমৰ্থন জনাইছো। বান নিয়ন্ত্ৰণৰ শিতানত যিখিনি টকা বিচাৰিছে সেই খিনি বহুল সমস্যা অসমৰ কাৰণে তেনেই নগণ্য। সেই কাৰণে মই এই মঞ্জুৰীটোৰ পূৰ্ণ সমৰ্থন জনাইছো আৰু বিৰোধী পক্ষ্যই যি কৰ্ত্তন প্ৰস্তাৱ আনিছে তাৰ তিব্ৰ বিৰোধীতা কৰিছো। যি কি নহওক অসমত যি বানপানী নিয়ন্ত্ৰণ, সেইটোক আচলতে বানপানী নিয়ন্ত্ৰণ বুলি নকৈ বানপানী আমন্ত্ৰণ বুলি কলেই ভাল হব। আৰু এই বানপানী অসমৰ কাৰণে এটা অভিশাপ। আগতে কিন্তু আৰ্শীবাদ আছিল। অসমৰ সমূহ জনসাধাৰণৰ কাৰণে এই অভিশাপটো কেনে ধৰণে মোচন কৰিব পৰা যায় এই ক্ষেত্ৰত আমাৰ চৰকাৰে আগভাগ লব লাগিব। অকল চৰকাৰেই নহয় আমাৰ মাননীয় সদস্য সকলোৱে এক কোট হৈ কেন্দ্ৰীয় চৰকাৰক হেঁচা দি হলেও অসমৰ স্থানীয় সমস্যা বানপানী নিয়ন্ত্ৰণৰ সমাধান কৰিব লাগিব। কিন্তু আমি দেখিবলৈ পাইছো আমাৰ বিৰোধী পক্ষ্যৰ সদস্য সকলে, অৱশ্যে মই সকলোকে কব বিচৰা নাই, বিশেষকৈ কংগ্ৰেছ আইৰ সদস্য সকলে যোৱা বাৰ অসমত তিনিটা মাহত ৫ টা বানপানী হৈ যোৱা স্বত্বেও আমাৰ লগত সহযোগিতা কৰাৰ পৰিবৰ্তে আইন-শৃংখলা ভঙ্গ কৰা হৈছে বুলি ১২ আগষ্ট তাৰিখে জনতা ভৱনৰ সন্মুখত ধৰ্ণা দিছিল। এইটো সঁচাকৈয়ে পৰিতাপৰ বিষয়। সেই কাৰণে মই আগতিয়াকৈ আহ্বান জনাইছো আৰু অনুৰোধ জনাইছো যাতে তেখেত সকলে কোনো ধৰণৰ কাৰ্য্যসূচী এই বছৰৰ বাৰিষাত নলয়। ভাৰতবৰ্ষৰ প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধীক অসমৰ বান নিয়ন্ত্ৰণৰ যিখিনি সমস্যা এই সমস্যা খিনি সমাধান কৰাৰ কাৰণে যিখিনি টকাৰ আৱশ্যক সেই টকা খিনি দিয়াৰ ব্যৱস্থা কৰিবলৈ দাবী জনাবলৈ আগবাঢ়ি আহিব। সেই কাৰণে মই এইবাৰ আগতিয়াকৈয়ে কৈ থৈছো। বিশেষকৈ আমাৰ এই সমস্যাটোৰ কাৰণে হ্ৰস্ৱ আৰু দৈৰ্ঘ ম্যাদী আঁচনি লব লাগে। অসমৰ ব্ৰহ্মপুত্ৰৰ জল ৰাশিৰ শতকৰা ৪০ ভাগ দিহীং নদীয়ে শতকৰা ১০ ভাগ শোৱনশিৰী নদীয়ে আৰু

★ Speech not Corrected

শতকৰা ৫০ ভাগ অন্যান্য উপনৈ সমূহে বহন কৰে। গতিকে এই নৈৰ যি পানী, এই পানী বিলাক ৰিৰ্জাভিয়ৰ কৰি ধৰি ৰখাৰ ব্যৱস্থা কৰিব লাগে। এই ৰিজাৰভিয়ৰ চিচটেমটো দীৰ্ঘ ম্যাদী আঁচনি হ'ব আৰু ইয়াৰ কাৰণে প্ৰচুৰ ধন লাগিব। হ্ৰস্য ম্যাদী আঁচনি বিলাকত সাধাৰণতে মঠাউৰি নিৰ্ম্মাণ কৰা আৰু ৰিপিয়াৰ ইত্যাদি কৰা কাম বিলাক পৰে। মঠাউৰিবিলাক বান্ধোতে বালিৰে বান্ধে। সেয়েহে মঠাউৰিৰ কাষত শিল দিলে ভাল হয় আৰু ইয়াৰ কাৰণে মই অনুৰোধ জনাইছো। চৰকাৰে মঠাউৰি বন্ধাৰ ক্ষেত্ৰত ২৫ ডিচেম্বৰৰ পৰা কাম কৰিছে আৰু ইতিমধ্যে কিছুমান হৈ উঠা আমি দেখিবলৈ পাইছো। তাৰ পাচত মাননীয় সদস্য কন্দপান ডাঙৰীয়াই গড়াখহনীয়া প্ৰতিৰোধ কৰাৰ কথা কৈছে আৰু মাননীয় সদস্য আমিনুল ইছলাম ডাঙৰীয়ায়ো কৈ গৈছে। এইটো বিশেষ ভাবে প্লেন আৰু কাৰ্য্যসূচী লৈ কৰিব লাগে। ঢকুৱাখানাৰ মাহমৰা গাওঁখন গড়াখহনীয়াৰ ফলত এই বাৰ বানত জাহ যাব। সেয়েহে এই কথাটো মই মন্ত্ৰী মহোদয়ক আগতিয়াকৈ অবগত কৰিছো। এই গড়া খহনীয়া প্ৰতিৰোধ কৰাৰ কাৰণে নলা-নৰ্দমা আৰু শ্লুইচ গেটৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ জৰীয়তে ৰাইজ উপকৃত হ'ব বুলি আশা কৰিছো। ৩১.৫ লাখ হেক্টৰৰ ভিতৰত ৯৪ হেক্টৰ মাটিৰ অঞ্চলত বানপানী নিয়ন্ত্ৰণ কৰিব পাৰিছে। এইটো সঁচাকৈয়ে গৌৰৱৰ কথা। মাষ্টাৰ প্লেন আচনিবোৰ আমাৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰিছে কিন্তু কেন্দ্ৰীয় চৰকাৰে এই মাষ্টাৰ প্লেনবিলাকৰ ক্ষেত্ৰত কিমান টকা দিব এই বিষয়ে এতিয়াও জনোৱা নাই। তেওঁলোকে কিমান টকা ধাৰ্য্য কৰিছে আৰু আমাৰ মাষ্টাৰ প্লেন আঁচনিত কিমান টকা দেখুৱাইছে এই সকলোবিলাক ক্ষেত্ৰতেই আগভাগ লৈ কাম বিলাক সুচাৰুৰূপে কৰিবলৈ মই অনুৰোধ জনাইছো। আজি আমি বিভিন্ন সময়ত দেখিবলৈ পাইছো অসমত যেতিয়াই বানপানী হয় তেতিয়াই এই বানপানীৰ পাৰ ৰাইজক উদ্ধাৰ কৰাৰ কাৰণে বাহিৰৰ পৰা বিশেষকৈ পশ্চিমবঙ্গ কলিকতাৰ পৰা নাওঁ অনা হয়। কলিকতাৰ নাৱৰীয়া বিলাকে অসমৰ বানপানীৰ তাণ্ডৱলীলা দেখি চাৰকুইট হাউচত বহি থাকে। গতিকে আমাৰ স্থানীয় মানুহক ইয়াৰ ট্ৰেইনিং দি উপযুক্ত কৰি তুলিব লাগে আৰু এই নাও বিলাক অসমৰ পৰাই ক্ৰয় কৰিব লাগে নহলে কলিকতাৰ পৰা আনোতে বহুত টকা খৰচ হয় আৰু কামতো নাহে। কেতিয়াৱা যেতিয়া বেছি ভয়ানক হয় তেতিয়া মিলিটাৰীক জনোৱা হয়।

গতিকে অহা বাৰ বাহিৰৰ ৰাজ্যৰ পৰা নাও ব্যৱস্থা নকৰি আমাৰ ইয়াৰ নাৱেৰেই

ৰেচকিউৰ ব্যৱস্থা কৰিব লাগে। তাৰ পাচত আমাৰ নদীৰ কাষত নো মেনচ লেণ্ড এৰিয়া কৰিব লাগে। কিয়নো এই নদীৰ পাৰ বিলাকত বহুতো মানুহে বস বাস কৰিবলৈ লয় আৰু তেওঁলোকে নদীৰ পাৰ বিলাক ভাঙি ভাঙি মাটি নিয়াৰ কাৰণে তাত সঘনাই খহনীয়া হৈ থাকে আৰু মঠাউৰিৰ কাষত ঘৰ বন্ধোৱাৰ কাৰণে সৰু ল'ৰা বিলাকে মাটি খান্দি খান্দি থকাত মঠাউৰি বিলাক ভাঙি যায়। গতিকে মঠাউৰিৰ কাষত যিবিলাক মানুহে বসবাস কৰিছে তেওঁলোকক তাৰ পৰা উচ্চেদ কৰিব লাগে। কমুতীয়া নদীৰ মঠাউৰিতো এনেকুৱা হৈছে। তাৰ পৰা মানুহ বিলাক আতৰ কৰিব লাগে। তাৰ পাচত দুৰ্নীতি দূৰ কৰাৰ কথা সকলোৱে কৈছে। দুৰ্নীতি দূৰ কৰাৰ কাৰণে আমাৰ চৰকাৰে চেষ্টা কৰিছে। কিন্তু ধেমাজী মহকুমাত যোৱাবাৰ বানপানী আহোতে বহুতো ঠিকাদাৰে তাত ফলচ্ বিল দাখিল কৰিলে। তাৰ পাচত মাননীয় মন্ত্ৰী মহোদয়ে ফ্লাড কন্ট্ৰোল বিভাগৰ কুৱালিটি কন্ট্ৰোল শাখাৰ দ্বাৰা তদন্ত কৰিলে। কুৱালিটি কন্ট্ৰোলেও তালৈ গৈ ধেমাজীৰ কাগজ পত্ৰ বিলাক চিঁইজ কৰিলে যদিও এওঁলোকে আহোতে ডাঙৰ ডাঙৰ ধনৰ টোপোলা হৈ আহিল। মই আশা ৰাখিছো আমাৰ চৰকাৰে এই ক্ষেত্ৰত কোনো দিনেই যাতে পলিটিকেল চেল্টাৰ নিদিয়ে তাৰ কাৰণে অনুৰোধ জনাইছো। কোনো কোনো ক্ষেত্ৰত পলিটিকেল চেল্টাৰ দিয়াৰ কাৰণে এই দুৰ্নীতি পৰায়ণ লোকসকল শাস্তিৰ পৰা বাচি যায়। গতিকে এই ঠিকাদাৰ সকলক ব্লেক লিষ্টেত কৰিব লাগে যাতে ভৱিষ্যতে কোনো ডিপাৰ্টমেন্টতে পি, ডব্লিউ, ডিয়েই হওক বা বাননিয়ন্ত্ৰণ বিভাগতেই হওক কোনো ঠাইতেই কাম দিয়া নহয়। এইখিনি এ, জি, পি চৰকাৰে কৰিব লাগিব, তেতিয়াহে বাঁহ বাঁহ পাব। তাৰ পাচত মই আন এটা কথা কব বিচাৰিছো যে আমাৰ এ, চি, ই ডিব্ৰুগড়ত থাকে আৰু তাত থকাৰ কাৰণে কাম কাজ বিলাক কৰাৰ কাৰণে অসুবিধা হৈছে। ধেমাজী, জোনাই যাবলৈ ব্ৰহ্মপুত্ৰ পাৰ হৈ যাব লাগে। গতিকে পৰিদৰ্শন কৰাত অবহেলা হৈছে। আমাৰ এজন মন্ত্ৰী মহোদয় তাত আছেই। যাতে বাৰিষাৰ আগে আগে তালৈ কেবিনেট মন্ত্ৰী ডাঙৰীয়াই গৈ মঠাউৰি বিলাক ভালদৰে নিৰক্ষণ আৰু পৰিদৰ্শন কৰি আহে। লগতে যাতে এডিচনেল চীফ ইঞ্জিনীয়াৰক সেই ঠাই পৰিদৰ্শন কৰিবলৈ নিৰ্দ্দেশ দিব লাগে। বৰদলনী অঞ্চলৰ বগী নদী সোৱাণশিৰী, জীয়াধল, কুমতীয়া, বাটকৈ ইত্যাতি ঠাইত পৰিদৰ্শন কৰিব বুলি মন্ত্ৰী মহোদয়ে আশ্বাস দিব লাগে। এইখিনিকে কৈ আমাৰ বানপানী নিয়ন্ত্ৰণৰ ওপৰত যি মঞ্জুৰী আনিছে তাক পূৰ্ণ সমৰ্থনজনাই আৰু বিৰোধী পক্ষই অনা কৰ্তন প্ৰস্তাৱটোৰ বিৰোধীতা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

★ শ্ৰীজগত হাজৰিকা ঃ— মাননীয় উপাধ্যক্ষ মহোদয়, বাননিয়ন্ত্ৰণ বিভাগৰ শিতানত যি মঞ্জুৰী আনিছে সেই মঞ্জুৰীটোৰ সপক্ষে ক'ব বিচাৰিছো যে পৃথিৱীৰ ভিতৰতেই বহু ক্ষেত্ৰত আগশাৰীত স্থান পোৱা ব্ৰহ্মপুত্ৰ নদীখন অসমকে ধৰি উপমহাদেশখনৰ মাজেদি বৈ গৈছে। অসম ব্ৰহ্মপুত্ৰৰ দান। ব্ৰহ্মপুত্ৰক বাদ দি অসম বা অসমক বাদ দি ব্ৰহ্মপুত্ৰৰ কল্পনা কৰিব পৰা ভৌগলিক পৰিবেশ নাই। এই অঞ্চলত মৌচুমী বায়ুৰ প্ৰভাব পৃথিৱীৰ ভিতৰতেই সৰ্বাধিক। ব্ৰহ্মপুত্ৰ উপত্যাকা হিমালয় প্ৰদেশত এতিয়াও এনেকুৱা দুৰ্গম আৰু বিস্তৃৰ্ণ অঞ্চল আছে য'ত এতিয়ালৈকে বৃষ্টিপাতৰ সম্যক অধ্যয়নৰ বাবে কোনো যন্ত্ৰপাতি বহুওৱাব পৰা নাই। জুন মাহৰ পৰা ছেপ্তেম্বৰ মাহলৈকে মাত্ৰ ৪ মাহৰ বৃষ্টিপাতৰ ফলত হোৱা বানপানীৰ বাবে ব্ৰহ্মপুত্ৰ উপত্যাকাৰ অৰ্থনীতিৰ বিপদগ্ৰস্ত হৈ আহিছে। অসমক বাদ দি ভাৰতবৰ্ষৰ বাকী অঞ্চল সমূহত যিমান নদ নদী আছে অকল অসমত প্ৰায় সিমান নদ নদী আছে। যিহেতু ব্ৰহ্মপুত্ৰ নদী প্ৰায় ২ হেজাৰ ৯ শ কিলোমিটাৰ দৈৰ্ঘ্যৰ ১৬ হাজাৰ কিলোমিটাৰ তিৰ্ব্বতৰ মাজেদি ভাৰতৰ মাজেদি ৯০০ কিলোমিটাৰ আৰু বাকী প্ৰায় ৪০০ কিলোমিটাৰ বাঙ্গলাদেশৰ মাজেদি বৈ গৈছে। এই পৰিপ্ৰেক্ষিতত অকল অসম চৰকাৰে ব্ৰহ্মপুত্ৰক নিয়ন্ত্ৰণ কৰা সম্ভৱ নহয়। অসমৰ কৃষ্টিৰ উপযোগিতা তথা সাৰুৱা ঠাইত বনাঞ্চল আৰু চাহ বাগিছা সমূহ বিদ্যমান। বাকী মাটিত মানুহে বসবাস কৰাৰ ওপৰিও খেতি বাতি কৰিব লাগে। তাকৰীয়া মাটিত বানপানীৰ স্থায়ী প্ৰতিৰোধৰ বিজ্ঞান সন্মত ব্যৱস্থা নললে তাক কাৰ্যকৰী নকৰিলে এই উপত্যাকাৰ জনগোষ্ঠী সমূহৰ অৰ্থনৈতিক উন্নতি আশা কৰিব নোৱাৰি। ভাৰতবৰ্ষ স্বাধীন হোৱা আগৰে পৰা বৃটিশ চৰকাৰে এই উপত্যাকাৰ বানপানী প্ৰতিৰোধৰ কোনো বিশেষ ব্যৱস্থা লোৱা নাছিল। ভাৰত স্বাধীন হোৱাৰ পাচত ১৯৫৪ চনৰ প্ৰলয়ঙ্কৰী বানপানীৰ পিচত ভাৰত চৰকাৰে বানপানী প্ৰতিৰোধৰ বাবে ৰাষ্ট্ৰীয় নীতি ঘোষণা কৰে। এই নীতিৰ ফলশ্ৰুতি হিচাবে এতিয়ালৈ অসমত প্ৰায় ৪ হাজাৰ ৬ শ কিলোমিটাৰ মঠাউৰি, ৮০০ কিলোমিটাৰ নলা নৰ্দমা, প্ৰায় ৩০০ টা নগৰ প্ৰতিৰক্ষা বা খহনীয়া প্ৰতিৰোধ আঁচনি আৰু সপ্তম পৰিকল্পনাত যোৱা দুটা বছৰত প্ৰায় ৪০ কিলোমিটাৰ মঠাউৰি, প্ৰায় ৫০ কিলোমিটাৰ নলা নৰ্দমা, আৰু ৯০ টা খহনীয়া প্ৰতিৰোধ আঁচনি আদি সম্পূৰ্ণ কৰা হয়। ইয়াৰ জৰিয়তে প্ৰায় ১৫ লাখ হেক্টৰ মাটিত তুলনামূলক সুৰক্ষা দিয়া হয়। অসম গণ পৰিষদ চৰকাৰ ক্ষমতালৈ আহিয়েই অসমৰ এই জলন্ত সমস্যাৰ প্ৰতি গুৰুত্ব সহকাৰে বিবেচনা কৰে। অসমৰ সংসদী বুৰঞ্জীত পোন প্ৰথমবাৰৰ বাবে সৰ্বদলীয় বিষয়া মণ্ডলীৰ প্ৰতিনিধি দল এটা বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰীৰ নেতৃত্বত দিল্লীলৈ গৈ ভাৰতৰ জল সম্পদ ৰাশিৰ মন্ত্ৰী আৰু যোজনা আয়োগৰ

★ Speech not Corrected

উপসভাপতিক লগ ধৰি অসমলৈ সচৰাচৰ দি অহা বানপানী প্ৰতিৰোধৰ বাবে দি অহা ঋণ সাহাৰ্য্য বঢ়াবলৈ আৰু বান নিয়ন্ত্ৰণৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰে সম্পূৰ্ণকৈ বহন কৰিবলৈ আহ্বান জনায়। ১৯৮৬-৮৭ চনত প্ৰলংকৰী বানপানীয়ে অসমলৈ বিস্তৰ ক্ষতি সাধনেৰে দুৰ্য্যোগ কঢ়িয়াই আনে আৰু তাৰ পৰিপ্ৰেক্ষিতত অসম চৰকাৰে ভাৰতৰ প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধীলৈ যোৱা আগষ্ট মাহত এখন স্মাৰক পত্ৰ প্ৰদান কৰে আৰু তলত উল্লেখ কৰা দাবী সমূহ সন্নিবিষ্ট কৰে।

উপাধ্যক্ষ মহোদয়, বান সাহায্যৰ খৰছ পুনৰ সংস্থাপন আৰু বান ক্ষতি মেৰামতিৰ খৰছ সম্পূৰ্ণকৈ কেন্দ্ৰীয় সাহাৰ্য্যত হ'ব লাগে। অস্থায়ী বান প্ৰতিৰোধ ব্যৱস্থাৰ বাবে ইতিপূৰ্বে দি অহা ঋণ সাহাৰ্য্যটো অনুদান বা মঞ্জুৰী হিচাবে আগ বঢ়াব লাগে আৰু মূলধন বৰ্দ্ধিত কৰিব লাগে। অসমৰ প্ৰচুৰ জল সম্পদক উত্তৰ পূৰ্বাঞ্চলৰ ৰাইজৰ কামত অহাকৈ উন্নতিৰ হকে আঁচনি গ্ৰহণ কৰিব লাগে। ব্ৰহ্মপুত্ৰ বোৰ্ডে প্ৰস্তুত কৰা 'মাষ্টাৰ প্লেন' কাৰ্য্যকৰী কৰিব লাগে। শোৱনশিৰী নদীৰ বহুমুখী আঁচনি সমূহৰ লগত দিহাং টিপাইমুখ আদিৰ বহুমুখী আঁচনি সমূহৰ অনুমোদন আৰু কাৰ্য্যকৰীকৰণ কৰিব লাগে।

উপাধ্যক্ষ মহোদয়, এই সম্পৰ্কত ভাৰত চৰকাৰ এতিয়ালৈ নিমাত হৈ আছে। ইতিমধ্যে যোৱা চেপ্তেম্বৰ মাহত দ্বিতীয় বাৰৰ বাবে ৰাষ্ট্ৰীয় জল সম্পদ নীতি ঘোষণা কৰা হয়। এই নীতিৰে পানীক ৰাষ্ট্ৰীয় সম্পদ বুলি ঘোষণা কৰে। এই নীতিৰেই যোজনা সম্পৰ্কীয় নিৰ্দেশ দিয়া হয়। এই নিৰ্দেশ মৰ্মে বেছিন চাব বেছিন আৰু ইনটাৰ বে[illegible] হিচাবে ভাগ ভাগকৈ আচনি গ্ৰহণ কৰিবলৈ কোৱা হয় আৰু এটা উপত্যাকাৰ পৰা আন এটা উপত্যাকালৈ জল সম্পদৰ স্থানান্তৰকৰণ আদিৰ প্ৰস্তাৱ দিয়া হয়। কিন্তু অসমৰ বেলিকা এখন চুবুৰীয়া ৰাজ্যৰ আপত্তিত সুযোগ লৈ কেন্দ্ৰীয় চৰকাৰে নিজেই ঘোষণা কৰা নীতিৰ উলঙ্ঘা কৰে। লগতে সোৱণশিৰীৰ দৰে এটা সুন্দৰ প্ৰকল্প কাৰ্য্যকৰী কৰণৰ পৰা আঁতৰত থাকে।

উপাধ্যক্ষ মহোদয়, বৰ্ত্তমানে ভেকো ভাওনা হৈ থকা ভাৰত চৰকাৰৰ এটা সংস্থা ব্ৰহ্মপুত্ৰ বোৰ্ডক অধিক শক্তিশালী আৰু কাৰ্য্যক্ৰম নকৰিলে তেওঁলোকে কৰা জল নীতিৰ পৰিপ্ৰেক্ষিতত অসমকে ধৰি উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য সমূহত কোনো মাষ্টাৰ প্লেন হোৱাৰ সম্ভৱনা নাই। অতি সীমিত ধনেৰে জোৰা টাপলি মাৰি বান পানীৰ সমস্যাৰে জৰ্জৰিত অসমক অসম গণ পৰিষদ চৰকাৰে বচাবলৈ কৰা চেষ্টাৰ বাবে অসম চৰকাৰ ধন্যবাদৰ পাত্ৰ। এই জলন্ত সমস্যা সমাধানৰ বাবে ৰাইজৰ সহায় সহয়োগ একান্ত বাঞ্চনীয়।

উপাধ্যক্ষ মহোদয়, এই ক্ষেত্রত যি দাবী মঞ্জুৰী উৎথাপন হৈছে এই ক্ষেত্রত মই এটা কথাত অনুৰোধ কৰিব বিচাৰিছো যে সমস্যা সমূহৰ আসু সমাধান নহ'লে অৰ্থনৈতিক আৰু সামাজিক সমস্যা মিলি ভীষণ অসুবিধাৰ সন্মুখীন হ'ব লাগিব। গতিকে ব্ৰহ্মপুত্ৰ বোৰ্ডক নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত আগবাঢ়ি নাহি অসম চৰকাৰক সমালেচনা কৰি থাকিলে সুফল নহ'ব। সেয়েহে সমালোচনা নকৰি বাস্তৱ আঁচনি কেনেকৈ ল'ব পাৰি তাৰ কাৰণে অনুৰোধ জনাই দাবী মঞ্জুৰীৰ সমৰ্থনত মোৰ বক্তব্য সামৰণি মাৰিছোঁ।

**Shri Altaf Hussain Mazumdar :–** Hon'ble Mr. Dy, Speaker, sir, this cut-motion is a contrivance which gives us an opportunity for discussion both in the position and opposition. Whatever if may be, but the fact is that the amount which is sought by the Hon'ble Minister in-charge of Flood Control Deptt. is not enough for the purpose of controlling the floods in the State. Sir, the flood problem is a gigantic one and it needs enormous help from the centre. It needs continuous flow of finance-probably which will be an astronomical figure. Whatever it may be, sir, so far as the Cong (I) is concerned we are always endeavouring for getting special attention the Govt. of India for solving this problem, this gigantic problem. But, sir, in this connection I would like to mention that it will be all blatant life if we go on saying that we are deprived by the Govt. India in providing financial assistance. Sir, this sort of political propaganda will not serve the purpose. Govt. of India is liberal in this respect and Govt. of India has given the highest amount to meet the flood control problems. It is unfair to say that Govt. of India has discriminated this State Govt. But, sir the fact is that the State Govt. is discriminating to our people. Whatever money they get from the Govt. of India is not properly distributed. They are discriminating even in F.D.R. grants also. In every matter, sir, this Govt. is discriminating. Sir, in this way we cannot sort out our big problems. We cannot meet anything if we go on discriminating in this way. We always accuse the Govt. of India. but the real fact is that Govt. of

India is extending its hand for help in all matters to the State Govt. But the State Govt. on the contrary is discriminating in all matters amount amongst different sections. This is unfair Sir, Hon'ble Member Shri Ramendra De, has stated that Prime Minister's Private Secretary has rang up for the posting of one S.D.O. of Flood Control Deptt. Here, sir, I would like to set the records right in saying that this is absolutely incorrect. It is nothing but outside lie. It is a canard. It is untrue. It is found that one cheat impersonating himself as Rajiv Gandhi (before he became Prime Minister) Private Secretary rang up the Flood Control Minister and this cheat who was identified and had to pass the night in Dispur Police Station. the Hon'ble Member has also stated that former Union Minister Shri Sankaran and had also written a letter for an officer of the Flood Control Deptt. to the Minister Flood Control. Sir, this is also not correct. Sir, I will require sometime more time as I would like to point out two important matters of my area. The condition of Borkhola Ph II embarkment is very bad. Similarly, the condition of the embarkment of right bank Harang is also very bad. Which are used as road I would, therefore, request the Hon'ble Minister kindly to take up the matters with the P.W.D. for taking over these embarkment. It is not possible to maintain the same by the Flood Control Deptt. With these words, sir, I conclude my speech.

★ **শ্ৰীদেবেশ্বৰ বৰা ঃ—** মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ যি জলন্ত সমস্যা এই ক্ষেত্ৰত বান নিয়ন্ত্ৰণ মন্ত্ৰী মহোদয়ে যি টকা বিচাৰিছে সেই খিনি মই পূৰ্ণ সমৰ্থন জনাইছো। প্ৰথমতে মই কব বিচাৰিছো যে বান নিয়ন্ত্ৰণ বিভাগটোক বান নিয়ন্ত্ৰণ নকৰি ফ্লাড মেনেজমেন্ট বা ওৱাটাৰ ৰিৰ্ছোজ কৰিব লাগে। ফ্লাড কন্ট্ৰল কৰিব নোৱাৰি কাৰণে মই এইদৰে কৈছো। দ্বিতীয়তে মই ক'ব বিচাৰিছো যে আমাৰ ফ্লাড কন্ট্ৰল বাজেট প্ৰছেজ কৰিব লাগে। যোৱা বছৰ কি কৰা হৈছে কব নোৱাৰো। গতিকে আমাৰ ষ্টেট প্লেনৰ ব্যৱস্থা কৰিব লাগে।

উপাধ্যক্ষ মহোদয়, এই বাজেটত দেখা পাইছো যে ফ্লাড কন্ট্ৰলৰ নামত নন প্লেন

---

★ Speech not Corrected

২২ কোটি ২১ লাখ ১৩ হেজাৰ, ষ্টেট প্লেনত ধৰা হৈছে ৫৫ হেজাৰ টকা কনটিনজেনছি আউটলেট ফ্লাড কন্টল প্লেনত ২৭ কোটি ৮৯ লাখ টকা ইত্যাদি ধৰা হৈছে। গোটেইখিনি মিলি দাবী মঞ্জুৰীৰ পৰিমাণ হৈছে ৫০,৮২,৬৮,০০০ টকা। এই খিনিত দেখা পাইছো— under Supense accounts একাউন্টত বেছি হৈছে। এই ক্ষেত্ৰত লক্ষ্য কৰিব লাগে। চিভিল ওৱৰ্কৰ কম টকা ধৰিছে। অৱশ্যে আমি বান নিয়ন্ত্ৰণ বিভাগৰ দুটা এটা কথাত ধন্যবাদ জনাব লাগিব। যোৱা বছৰ কিছু কাম কৰিছে। অসমৰ ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষনৰ ওপৰত এই শিতানত যি মন্তব্য ৰাখিছিল তাত দুটামান কথাত উল্লেখ কৰিছে। তেখেতে উল্লেখ কৰিছে যে নলা নৰ্দমা নিৰ্মাণ প্ৰধান প্ৰধান শ্লুইচ গেট আঁচনি আদি লোৱা হৈছে। ৰাজ্যখনৰ ৩১.০৫ লাখ বান প্ৰীড়িত অঞ্চল আছে। ১৯৮৭-৮৮ চনৰ ভিতৰত ১২.৯৪ কোটি টকাৰ ব্যয়ত পলাশবাৰী/গুমি/কন্দলীপাৰা খহনীয়া প্ৰতিৰোধৰ আঁচনিৰ কাম সম্পূৰ্ণ হয়। বাজেটত ১৩ কোটি টকাৰ কাম কৰা হৈছে। মুঠ ৪২ খন আঁচনি লোৱা হৈছে আৰু ব্ৰহ্মপুত্ৰৰ ৰিটায়াৰমেন্ট বান্ধৰ কাম কৰা হৈছে। অসমৰ জনগণৰ জীৱন ধাৰণৰ যি সমস্যা ইয়াৰ প্ৰতিৰোধৰ কাৰণে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত হেচা দিব লাগে।

আমি আশা কৰিছো অসমৰ যিটো জলন্ত সমস্যা বানপানীৰ সমস্যা সেইটো সমাধান কৰাৰ কাৰণে অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰক হেচা দিব। যোৱা কালি আমি পেপাৰত দেখিবলৈ পাইছো যে অসমৰ মুখ্যমন্ত্ৰীয়ে প্ৰধান মন্ত্ৰীক অসমৰ বান নিয়ন্ত্ৰণৰ নামত যি টকা ঋণ হিচাবে দিয়ে সেইটো মঞ্জুৰী হিচাবে দিবলৈ দাবী জনাইছে। আমিও ভাবো যে অসমৰ বাননিয়ন্ত্ৰণৰ কাৰণে কেন্দ্ৰৰ পৰা যি টকা দিয়ে সেই টকা ঋণ হিচাবে নিদি সেইটো মঞ্জুৰী হিচাবে দিব লাগে।

ইয়াৰ পিচত মই গোলাঘাটৰ কথা ক'ব বিচাৰিছো। গোলাঘাট জিলাৰ মৰিয়াহোলাৰ যি গৰাখহনীয়া, কাকদোঙাৰ যি গৰাখহনীয়া সেইটো ভয়াবহ হৈ পৰিছে। দয়াঙৰ পৰা কাকদোঙলৈকে আৰম্ভ কৰি এই গোটেই অঞ্চলতে গৰাখহনীয়া হৈআছে। এই গৰাখহনীয়াৰ পৰা যিটো সমস্যাৰ সৃষ্টি হৈছে সেইটো কৰই লাগিব। আমাৰ বাননিয়ন্ত্ৰণৰ নামত বহুত কোটি টকা দি আহিছে। ১৯৮৪-৮৬ চনত ১৫ কোটি টকা দিয়া হৈছিল, খৰচ হৈছে ১৫ কোটি, ১৯৮৬-৮৭ চনত দিয়া হৈছিল ১৩.৫০ কোটি আৰু খৰচ হৈছে ১৪.২৫ কোটি, ১৯৮৭-৮৮ চনত দিয়া হৈছিল ২১ কোটি, ১৯৮৮-৮৯ চনত দিয়া হৈছে ২১ কোটি টকা। এই ২১ কোটি টকা খৰচ হ'ব বুলি আমি আশা কৰিছো। আমি আশা কৰিছো যে আমাৰ পৰিকল্পনাত যি খিনি টকা দিছে সেই খিনি খৰচ কৰিব।

ইয়াৰ পিচত আমাৰ মাননীয় সদস্য সকলে পৰামৰ্শ আগবঢ়াইছে যে ব্ৰহ্মপুত্ৰ আৰু বৰাক এই দুয়োখন অসমৰ ডাঙৰ নদীকে নিয়ন্ত্ৰণ কৰিব লাগে। আমি ইতিমধ্যে জানিব পাৰিছো যে ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণৰ কাৰণে মাষ্টাৰ প্লেন তৈয়াৰ কৰি থকা হৈছে। সেই দৰে বৰাকৰ কাৰণেও মাষ্টাৰ প্লেন তৈয়াৰ কৰিব লাগে। ইয়াৰ উপৰিও যি বিলাক উপনদী আছে সেই বিলাক নিয়ন্ত্ৰণ কৰাটো গুৰুত্ব দিব লাগে। মন্ত্ৰী মহোদয়ক এটা কথাৰ প্ৰতি অনুৰোধ জনাইছো যে বৰ্ত্তমান গোলাঘাট চহৰ খনৰ যি অৱস্থা হৈছে গৰাখহনীয়াত এই দৰে গৰাখহনীয়া হৈ থাকিবলৈ হলে আৰু কেইবছৰ মানৰ পিচতে গোলাঘাট চহৰখন নাইকীয়া হৈ যাব। ইয়াৰ প্ৰতিৰোধৰ কাৰণে ব্যৱস্থা লব লাগে। ইয়াৰ ওপৰিও বৰদোঙাৰ যি মঠাউৰি আছে সেই মঠাউৰি শক্তিশালী কৰিব লাগে। যি বিলাক ঠাইত গৰাখহনীয়া হৈ আছে সেই বিলাক ঠাইক অগ্ৰাধিকাৰ দিব লাগে।

(সময়ৰ সংকেট)

ইয়াৰ লগতে আৰু এটা কথাৰ প্ৰতি অনুৰোধ কৰিব বিচাৰিছো যে কাকদোঙা নদিয়াৰ কাৰণে যি হাইড্ৰলজিকেল চাৰভে কৰি দাটা লৈছে ইয়াৰ কাৰণে ৫.২ লাখ টকা লাগে বুলি কৈছে। এই কথাটো মঞ্জুৰী দিবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

(দীঘলীয়া সময়ৰ সংকেট)

মই ইয়াকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলো।

**শ্ৰীছামসিং হাঞ্চে (মন্ত্ৰী বান নিয়ন্ত্ৰণ) ঃ—** মাননীয় অধ্যক্ষ মহোদয়, আজি এই সদনত চলিত বছৰৰ কাৰণে বান নিয়ন্ত্ৰণ শিতানত খৰচ বিচাৰি যি মঞ্জুৰী উত্থাপন কৰা হৈছে উক্ত মঞ্জুৰীৰ ওপৰত মাননীয় কেইবাজনো সদস্যই কৰ্ত্তন প্ৰস্তাৱ দাঙি ধৰিছে আৰু কিছুমান সদস্যই মঞ্জুৰীটো সমৰ্থন কৰিছে। মই এই সম্পৰ্কত মাননীয় সদস্য সকলৰ বক্তব্য শুনিলো আৰু বক্তব্য শুনি মোৰ মনত এনেকুৱা এটা সিদ্ধান্ত আহিছে যে বানপানীৰ সমস্যাটো যে এটা অতি গুৰুত্বপূৰ্ণ সমস্যা সেইটো সকলোৱে আন্তৰিকতাৰে স্বীকাৰ কৰি লৈছে আৰু ইয়াৰ নিৰাময়ৰ কাৰণে বিভিন্ন পৰামৰ্শ আগবঢ়াইছে। কিছুমানে অবশ্যে মিঠা কথাৰে সমালোচনা কৰিছে আৰু কিছুমানে চোকা ভাষাৰে সমালোচনা কৰিছে। চোকা ভাষাৰে সমালোচনা কৰাৰ কাৰণে মই বেয়া পোৱা নাই। মই জানো যে তেওঁলোকে অন্তৰৰ পৰা বেয়া পাই সমালোচনা কৰা নাই। এই বিভাগটো এটা গুৰুত্বপূৰ্ণ বিভাগ হিচাবে মানি লৈ সমস্যা সমাধানৰ কাৰণে যি বিলাক পৰামৰ্শ আগবঢ়াইছে মই তাৰ কাৰণে তেওঁলোকক ধন্যবাদ দিছো। এই দাবী মঞ্জুৰীৰ ওপৰত বিভিন্ন সদস্যই যি বিলাক প্ৰশ্ন কৰিছে মই সেই বিলাকৰ উত্তৰ দিবলৈ ওলাইছো। মই আশা কৰিছো যে মই দিয়া উত্তৰত তেখেত সকল সন্তুষ্ট হৈ

তেখেত সকলে যি কৰ্ত্তন প্ৰস্তাৱ আনিছে সেইটো উঠাইলে মূল দাবী মঞ্জুৰীটোত সমৰ্থন দিব।

মাননীয় অধ্যক্ষ মহোদয় শ্ৰীআমিনুল ইছ্লাম ডাঙৰীয়াই যি পৰমাৰ্শ আগবঢ়াইছে, তেখেতে পৰামৰ্শ আগবঢ়োৱাৰ চলেৰে কব বিচাৰিছে যে বান নিয়ন্ত্ৰণৰ কাৰণে যি বিলাক কাম কাজ কৰা হৈছে তাত চৰকাৰৰ নিজস্য কোনো বাস্তৱিক দৃষ্টিভংগী লোৱা নাই। মই ক'ব বিচাৰিছো যে আমি যি বিলাক পৰিকল্পনা লৈছো সেই বিলাকত সফল হৈছো। নদী বা পানী ওপৰে ওপৰে চালে বৰ শান্ত, নম্ৰ যেন লাগে। কিন্তু যেতিয়া কাল ৰূপ ধাৰণ কৰে তেতিয়া তাক ভেটা দি ৰখাৰ কাৰো সাধ্য নাথাকে। আমাৰ প্ৰত্যেক বিলাক আঁচনি বাস্তৱমুখী কৰিবলৈ চেষ্টা কৰি আহিছো। আমাৰ যিমান পৰিমানৰ টকাৰ প্ৰয়োজন আমি সেই মতে দিব পৰা নাই। আজি আমাৰ টকাৰ কাৰণে এনেকুৱা অৱস্থা হৈছে যে আমি হাহিয়াতৰ পাত্ৰহে হৈছো। যিটো কামৰ কাৰণে আমাক ১ কোটি টকা লাগে তাৰ কাৰণে আমাক ১ লাখ টকাহে দিয়ে। ১ কোটি টকাৰ কামটো ১ লাখ টকাৰে কি হ'ব? টকা বিলাকো অপচয় হয় আৰু আমি হাহিয়াতৰ পাত্ৰ হওঁ, বিভাগৰো বদনাম হয়। ইয়াৰ ফলত আমাৰ যি বিলাক বিষয়াই আন্তৰিকতাৰে দিনে ৰাতিয়ে কাম কৰিছে তেওঁলোকেও জব চেটিচফেকচন নাপায়। আমাৰ বান নিয়ন্ত্ৰণ বিভাগে টকা হিচাবেহে আচনি মঞ্জুৰ কৰিছে। আচনি হিচাবে টকা মঞ্জুৰ কৰিব পৰা নাই। তথাপি আমি কেনেকৈ সফল হ'ব পাৰো তাৰ কাৰণে চেষ্টা কৰি আহিছো। আজিৰ আলোচনাৰ পৰা মোৰ এইটো ধাৰণা হৈছে যে আচলতে বিৰোধী দলৰ সদস্য সকলে সকলোকে ভাল পায়। মাত্ৰ তেখেত সকলে দুটা বস্তু বেয়া পায়, এটা হৈছে বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰীক আৰু বান নিয়ন্ত্ৰণ বিভাগটোক।

গতিকে তেনে আচনি সমূহ কেনেদৰে সুফল হ'ব পাৰে সেইটো মাননীয় সদস্যসকলে নিশ্চয় অনুভৱ কৰিছে। আজিৰ আলোচনাত মই এনে ধৰণে অনুভৱ কৰিছো যে অসমৰ নদী বিলাক ভাল আৰু অসমৰ নদী নিয়ন্ত্ৰণ কৰা বানমন্ত্ৰী আৰু বান বিভাগৰ বিষয়া বিলাকেহে বেয়া। অসমৰ বান বিভাগৰ মন্ত্ৰী আৰু বিষয়া এই দুয়োটা খুব ভাল কাৰণেহে নদীবিলাক ৰাখি থোৱা হৈছে। নহলে দিগদাৰীয়েই হলহেঁতেন। মই ভাবো অসমৰ নদী বিলাকতকৈ মানুহ বিলাক ভাল। বিনয় খুংগুৰ বসুমতাৰী ডাঙৰীয়াই আৰু অন্যান্য সদস্য সকলে আগৰ ড্ৰেজাৰৰ কথা প্ৰশ্ন কৰিছে। কিন্তু আগৰ যি দুই তিনি খন ড্ৰেজাৰ আছিল সেই কিখনেৰে ব্ৰহ্মপুত্ৰৰ বুকু খান্দিব নোৱাৰি। কাৰণ ব্ৰহ্মপুত্ৰৰ বুকু খান্দিবলৈ হলে সেই ডেজাৰ কেইখন হিচাবত সৰু হয় আৰু উপৰৈ

বিলাক খান্দিবলৈ হলে পৰিমাণত ডাঙৰ হয়। তাৰোপৰি এই ড্রেজাৰেৰে খন্দা কামটো অকন অকন কৈ কৰি থাকিলে এটা নেভাৰ এনডিং বিজনেচ হ'ব। তাৰোপৰি টকাৰ পৰিমাণ যথেষ্ট খৰছ হ'ব, য'ত কোনো ধৰণৰ আয় নাই। গতিকে সকলো বিলাক চাই চিতি এই ড্রেজাৰ কেইখন বিক্রি কৰি দিয়া হৈছে। ভৱিষ্যতে তেনে ধৰণৰ আঁচনি ললে চাই চিতি কৰিলে ভাল হ'ব বুলি মই ভাবো। সেইখিনি মই চিন্তা কৰি আছো। ইয়াৰ পাচত বসুমতাৰী ডাঙৰীয়াই আৰু অন্যান্য সদস্য সকলে চাচপেঞ্চ একাউন্ট সম্পৰ্কত বিভিন্ন মত প্ৰকাশ কৰিছে। যোৱা বছৰ যিমান টকা আছিল অহা বছৰো সিমান টকাই তাত থাকিব। স্কীম বিলাকত টকা পোৱাত দেৰী হলে এই চাচপেঞ্চ একাউন্টৰ পৰা টকাটো দিয়া হয় আৰু পাচত স্কীমৰ টকা আহিলে সেই একাউন্টৰ পৰা জমা ৰখা হয়। জৰুৰী অৱস্থাৰ কাৰণে এই টকাটো ৰখা হয়। মই ভাবো মাননীয় সদস্য সকল নিশ্চয় মোৰ কথা খিনিত সন্তুষ্ট হ'ব পাৰিছে। মছিৰুদ্দিন শ্বেখ ডাঙৰীয়াই কৈছে বান নিয়ন্ত্ৰণ বিভাগে আচলতে বানপানী নিয়ন্ত্ৰণ কৰে। অৱশ্যে এটা ফুট দিলে নামটো একেই হয়। বাৰিষা হলেই বানপানী আহিব এনেকৈ কৈ মাননীয় সদস্য সকলে নিৰাসা প্ৰকাশ কৰিব। ইমান খিনি নিৰুৎসাহিত কৰাৰ পাচতো আমাৰ বিভাগৰ বিষয়া সকলে কিমান সাহসেৰে বাননিয়ন্ত্ৰণৰ কামত আগবাঢ়ি গৈ আছে সেইটো নিশ্চয় উপলব্ধি কৰিছে। এই সম্পৰ্কত ফৰেষ্ট বিভাগৰ সৈতে যোগাযোগ কৰি নদী নলাৰ কাৰণে যি বিপদ হ'ব পাৰে তাৰ নিশ্চয় ব্যৱস্থা লম। শ্ৰীশ্বেখ ডাঙৰীয়াই কৈছে যে অহা বছৰ গড়াখহনীয়া হ'ব পৰা ঠাইত আগতীয়াকৈ ব্যৱস্থা লোৱা নহয়। কিন্তু অহা বছৰ ক'ত গড়াখহনীয়া হ'ব ক'ত নদীৰ পানী বাগৰীব বিভাগে নাজানে বুলি কৈছে। আচল কথা হ'ল বিভিন্ন উপনদীৰ পানীৰ ওপৰত নিৰ্ভৰ কৰে ব্ৰহ্মপুত্ৰৰ চৰিত্ৰ। এই বছৰ য'ত গড়াখহনীয়া হৈছে অহা বছৰ নহ'বও পাৰে। আন্দাজত যদি প্ৰতিৰোধৰ ব্যৱস্থা কৰো তেতিয়াহলে আমাৰ বিভাগৰ বিপদ। আপোনালোকে আলোচনা কৰিব যে য'ত খহনীয়া হৈছে তাত প্ৰতিৰোধ কৰা নাই য'ত খহনীয়া হোৱা নাই তাত প্ৰতিৰোধ কৰিছে। অহা বছৰ খহনীয়া হ'ব বুলি আমি খৰালি কাম কৰিব নোৱাৰো। জৰুৰী ভাবে আমি কিছুমান কৰিব লগা হয়। উদাহৰণ স্বৰূপে গাখীৰ খাইতীৰ দলঙৰ কথা ক'ব বিচাৰিছো। কলীয়া ভোমোৰা দলঙৰ আপষ্ট্ৰীমত প্ৰতিৰোধ ব্যৱস্থা নোলোৱা হ'লে গোটেই নগাওঁ খনেই খতিগ্ৰস্ত হলহেঁতেন। ২১/২৫ লাখ টকা অনৰ্থক খৰছ কৰিছে বুলি আপত্তি কৰিছে কিন্তু কি সুবিধা হৈছে ৰাইজেহে গম পাইছে। এন, ই, চিৰ কাম খিনি অসম চৰকাৰে কৰিব লগা হৈছে। ২৫ লাখ টকা পেমেন্ট কৰিবলৈ লৈছো। আজি এনেধৰণে কাম বিলাক কৰিব লগা হৈছে। গতিকে অমূলক ভাবে খৰছ কৰা নাই। আমি

আগতীয়াকৈ কাম বিলাক নকৰো। খহনীয়া হলে তাত কাম আৰম্ভ কৰো। গতিকে মোৰ উত্তৰত সন্তুষ্ট হৈছে বুলি ভাবিছো। আমাৰ মাননীয় সদস্য সকলে ভালেই পৰামৰ্শ দিছে। কিন্তু আমাক টকা পইছা লাগে। সেই কাৰণে কৰিব পৰা অৱস্থাত নাই। আচনি ললে আপোনালোকৰ লগত আলোচনা কৰি ল'ব লাগিব। শ্ৰীমুক্তাৰ হুছেইনে আমাক পৰামৰ্শ আগবঢ়াইছে। কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰক মাহী আইৰ চকুৰে চাইছে। সেইখিনি অস্বীকাৰ কৰিব পৰা নহয়। বান নিয়ন্ত্ৰণৰ ক্ষেত্ৰত ভাৰত চৰকাৰে যেনে উদাৰ ভাৱ লব লাগিছিল তেনে ভাব লোৱা নাই। আমাক আশা দিয়াৰ পাচতো কাম বিলাক কৰি নিদিয়ে। এই সদনৰ পৰাই সকলো মিলি এটা প্ৰতিনিধি দল গৈছিল। তেতিয়া আমাক জল সম্পদ মন্ত্ৰীয়ে কথাও দিছিল। সাধাৰণ বাজেটৰ পৰা টকা দিব পৰা নাযায় বুলি কৈছিল। যদি ১৫ আগষ্টৰ ভিতৰত টি, এচ, পি স্কীম আনিব পাৰে দিবলৈ সহজ হ'ব বুলি কৈছিল। কিন্তু এতিয়া বহুত বছৰেই হ'ল আজিলৈকে কোনো ইতিবাচক উত্তৰ নাই। টকাতো পাম বুলি ভাবি থাকোতে কামটো কৰা নহল জেনেৰেলৰ পৰা কৰিব পৰা অৱস্থাত নাই। কংগ্ৰেছ আই সদস্য সকলে কৈ আছে যে ভাৰত চৰকাৰে বান নিয়ন্ত্ৰণৰ ক্ষেত্ৰত অসমক বেচি দিছে। মই সেইটো মানিছো। কিন্তু বাজেটত যিমান খিনি ধৰিছে তাৰ তুলনাত পৰবৰ্ত্তী বাজেটত কম। সপ্তম পৰিকল্পনাৰ ভিতৰত ভাৰত চৰকাৰে ১৫০ কোটি টকা ধাৰ্য্য কৰা আছে। তাৰে অসম চৰকাৰক ৭০ কোটি আৰু ব্ৰহ্মপুত্ৰ বোৰ্ডক ৩৫ কোটি দিছে। এই ৩৫ কোটি টকা আমাৰ হাতত নাই। এই ৭০ কোটি ৫ বছৰত দিছে আৰু বছৰি মাত্ৰ ১৩ কোটি টকাহে থাকিব। এই ১৩ কোটি টকাৰে ব্ৰহ্মপুত্ৰ নদীৰ ৯৪ টা উপনদী নিয়ন্ত্ৰণ কৰিবলৈ ধাৰ্য্য কৰাতো এপাচি শাকত এটা জালুকৰ নিচিনা হ'ব। ইয়াৰ দ্বাৰা কোনো কাম নহয়। গতিকে কংগ্ৰেছ আই সদস্য সকলে কোৱা কথাটো বৰ সংগতিপূৰ্ণ নহয়। অসমত যিমান নদী উপনদী আছে ভাৰতৰ আন ক'তো নাই। ব্ৰহ্মপুত্ৰ খন মতা নদী। ইয়াক নিয়ন্ত্ৰণ কৰিবলৈ বেছি পইচা লাগিব। ১৫০ কোটি টকাতকৈ বেছি ধৰিলে ভাল হয়।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীবামেন্দ্ৰ দে তেখেতে 'টেন্সপাৰ প'ষ্টিংৰ কথা কৈছে, টেন্সপাৰ প'ষ্টিং'ৰ কথাটো অৱশ্যে নুই কৰিব নোৱাৰি। বিভিন্ন সময়ত বিভিন্ন লোকে, তেওঁলোকৰ অনুৰোধ ক্ৰমে এইবিলাক কৰা হয়, এম, এল, এ য়েই হওঁক, মিনিষ্টাৰেই হওঁক বা চেন্ট্ৰেলৰ কোনোবাই হওঁক তেওঁলোকৰ অনুৰোধ ক্ৰমে 'টেন্সপাৰ প'ষ্টিং' বিলাক কৰা হয়। অৱশ্যে কাক ক'ত দিয়া যায় অসম চৰকাৰে নিজা ৱবীয়াকৈও কিছু সিদ্ধান্ত লোৱা হয়। যিকিনহওঁক বদৰপুৰত যিটো আমাৰ বিভাগৰ পৰা 'স্কীম' লোৱা হৈছে তাত তেওঁলোকে মাটি নাই বুলি বিভাগক জনাইছে, য'ত নেকি মাত্ৰ

৭০/৮০ মিটাৰ মানহে হ'ব, বেচি নহয়। গতিকে বিধায়ক ডাঙৰিয়াই মাটিখিনি উলিয়াই দিলে তাত আমি 'স্কীম'টো দি দিম। (ভইচ- মাটি দিম) তেনেহ'লে স্কীমটো দিয়া হ'ব।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্রীচৰণ নাজৰী ডাঙৰীয়াই কৈছে যে আগৰ চৰকাৰৰ দিনত ইটো কৰা হ'ল সিটো কৰা হ'ল বুলি কৈছে। তেখেতে নিজেই স্বীকাৰ কৰিছে যে প্ৰকৃতাৰ্থত এই বিভাগটোৱে পূৰ্বৰ চৰকাৰৰ দিনত একো কামেই নকৰিলে। সেয়েহে অধ্যক্ষ মহোদয়, আমি অসম গণ পৰিষদ চৰকাৰ শাসনলৈ অহাৰ পৰা এইটো স্পষ্টভাবে ক'ব পাৰো যে আমি যি কাম কৰিম ৰাইজৰ মঙ্গলৰ কাৰণেই কৰিম। অৱশ্যে এটা ঠিক যে বানপানী নোহোৱা সময়ত এই বিভাগটোৱে কাম কৰি দিব নোৱাৰে। কিয়নো কোনো সময়ত কোন অঞ্চলত মথাউৰি ভাঙ্গে বা গড়া খহনীয়া হয় তাক আগতীয়াকৈ নিৰ্ণয় কৰিব নোৱাৰি। বানপানী আক্ৰান্ত অঞ্চলত ৰাইজক কেনেকৈ কি প্ৰকাৰে সহায় কৰিব পাৰে, সেই সময়ত ৰাইজৰ বয়-বস্তু যাতে নষ্ট হ'ব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি সহায় কৰাৰ উদ্দেশ্য আমাৰ বিভাগটো সদায়েই আগ্ৰহী। আৰু সেই অনুপাতে কাম কৰি আহিছে।

মাননীয় অধ্যক্ষ মহোদয়, আজি বিভাগত যিটো দূৰ্নীতি হোৱা বুলি যিটো অভিযোগ আহিছে তাত মই প্ৰতিবাদ কৰি ক'ব পাৰো যে অন্ততঃ অসম গণ পৰিষদ চৰকাৰ শাসনলৈ অহাৰ দিনৰ পৰা এই দূৰ্নীতি হোৱা নাই। এই ক্ষেত্ৰত মই সদায়েই সচেষ্ট হৈ আহিছো, দূৰ্নীতি হোৱাটো মোৰ চকুত পৰা নাই। যদি কৰবাত দূৰ্নীতি হোৱা বুলি গম পাওঁ মই অতি শীঘ্ৰেই ব্যৱস্থা গ্ৰহণ কৰিম। অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মই এটা উদাহৰণ দিব বিচাৰো যে— এজন ডাক্তৰে টোপনি খতি কৰি যদি এজন ৰোগীক ভাল কৰে তেতিয়াহলে মানুহে কয় ভগবানেহে বচালে আৰু যদি বেমাৰী মৰি যায় তেতিয়াহলে ক'ব ডাক্তৰজন ভাল নহয়, আচল এম, বি, বি, এচ, নহয় কিবা চাৰ্টিফিকেট লৈহে পাচ কৰিছে। ঠিক তেনেকৈয়ে গড়া-খহনীয়াৰ পৰা যদি বাচি যায় তেন্তে ক'ব বাবা ব্ৰহ্মপুত্ৰইহে বচালে, যদিহে কেনেবাকৈ মথাউৰিটো ভাঙে তেতিয়া ক'ব অফিচাৰজন বেয়া। দূৰ্নীতি কৰে, ভালদৰে কাম নকৰে ইত্যাদি ইত্যাদি। যদি আজি এই অফিচাৰসকলক সমালোচনাই কৰা হয় তেনেহ'লে তেওঁলোক যি আন্তৰিকতাৰে কাম কৰিবলৈ আগবাঢ়ি আহিছে, সাহসেৰে আগবাঢ়ি আহিছে সেই আন্তৰিকতা আৰু সাহস নাইকিয়া হৈ যাব। পচা মৰাশ'ৰ পৰা দুগন্ধ ওলায়। তেনে দুগন্ধপূৰ্ণ মৰাশ উক্ত ঠাইৰ কৰা আতৰাই কিম্বা পুতি পেলালেও কিছুদিনলৈকে সেই ঠাইত দুগন্ধটো থাকি যায়। ঠিক তেনেকৈয়ে বান নিয়ন্ত্ৰণ বিভাগটো আগতে হয়তু দুৰ্নীতি আছিল যদিও এতিয়া সম্পূৰ্ণৰূপে তাক নিৰ্মূল কৰা

হৈছে। এতিয়া আগেয়ে হৈ যোৱা দুৰ্নীতিৰ গোন্ধহে আছে আৰু এইটোও কেইদিনমানৰ পিচত নাইকিয়া হৈ যাব।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীপ্ৰফুল্ল গোস্বামী দেৱে টি, এছ, পিৰ কথা কৈছে, এই টি, এছ পিৰ টকা আহে তেনেহ'লে এই বিভাগত বহুতো কাম কৰিব পৰা যাব। মাননীয় সদস্য শ্ৰীপদ্মনাথ কৈৰী ডাঙৰীয়াই তেখেতে 'ফাণ্ড' বা অনুদান যিখিনি পোৱা হয় সেইখিনি যাতে ভাল কামত খৰচ কৰা হয়, ৰাইজৰ মঙ্গলৰ কাৰণেই যাতে সদব্যৱহাৰত খৰচ কৰা হয় তাৰ প্ৰতি দৃষ্টি গোচৰ কৰিছে। এই ক্ষেত্ৰত মই আগতেই কৈছো যে এই টকাখিনি সঠিক ভাৱে যাতে খৰচ হ'ব পাৰে তাৰ প্ৰতি চকু দিম।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীকিৰণ গগৈ প্ৰমুখ্যে চিলভিয়াচ কৰ্দপান ডাঙৰীয়া, মাননীয় সদস্যা শ্ৰীমতী জ্যোৎস্না সোনোৱাল বাইদেউ, মাননীয় সদস্য আৱজলিউৰ ৰহমান, দিলীপ শইকীয়া সোনোৱাল, জগত হাজৰীকা, মাননীয় প্ৰাক্তন মন্ত্ৰী শ্ৰীআলতাফ হুছেইন মজুমদাৰ প্ৰমুখ্যে দেৱ বৰা ডাঙৰীয়া তেখেতসকলে এই বিভাগৰ প্ৰতি লব লগা যি গঠনমূলক পৰামৰ্শ আগবঢ়াইছে সেইখিনি মই নিশ্চয় মনত ৰাখিছো, আৰু তেখেত সকলক ইয়াৰ বাবে ধন্যবাদ জনাইছো। আজি সদনক মই প্ৰতিশ্ৰুতি দিছো যে সেইখিনি কাৰ্য্যকৰী কৰিবৰ কাৰণে মই যতন কৰিম। আজি আমাৰ এই 'ফলাদ কন্টল' বিভাগৰ নামটো বদলি কৰিবৰ কাৰণে প্ৰস্তাৱ উৎথাপন কৰা হৈছে এই প্ৰস্তাৱটোৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে আপত্তি কৰা নাই। অৱশ্যে মই আমাৰ অসম চৰকাৰক এই বিষয়ে একো জনোৱা হোৱা নাই, আৰু আলোচনাও চৰকাৰৰ লগত কৰা হোৱা নাই। আলোচনা পিচত কৰা হ'ব লগতে কি নতুন নামাকৰণ দিয়া হয় সদনক পিচত জনোৱা হ'ব।

ভূপৃষ্ঠৰ অন্যান্য প্ৰকৃতি, দক্ষিণ পশ্চিম মৌচুৰী বায়ুৰ প্ৰভাব, সঘনে হৈ থকা ভূমিকম্প, ভূমিসঞ্চলন আৰু বৰ্দ্ধিত জন সংখ্যাৰ হেড়্কে নৈৰ প্লাৱন, অঞ্চলত হোৱা বেদখল কৰণ আদি বিভিন্ন কাৰণৰ সংযোগত অসমৰ ভৈয়াম অঞ্চলত প্ৰতি বছৰে বানপানী আৰু খহনীয়াৰ দুৰ্য্যোগৰ সৃষ্টি হয়। বিশেষকৈ ১৯৯৭ আৰু ১৯৫০ চনৰ প্ৰলয়ংকৰী ভূমিকম্পৰ ফলত হোৱা ভূ-পৃষ্ঠৰ পৰিবৰ্ত্তনে ইয়াৰ ভয়াবহতা অধিকতৰ কৰি তুলিছে। ৰাজ্য খনৰ সমগ্ৰ অৰ্থনীতিকে এই সমস্যাই জুৰুলা কৰিছে। যোৱা বছৰ (১৯৮৭) উপৰ্য্যুপৰি

হোৱা পাঁচোটা বানপানীয়ে কৰা বিভিন্ন ক্ষয়-ক্ষতিৰ সৰ্বমুঠ পৰিমাণৰ এহেজাৰ কোটি টকাতকৈও অধিক হ'ব বুলি অনুমান কৰা হৈছে। এই বানপানীত ৰাজ্যৰ মথাউৰি সমূহৰ বিস্তৰ ক্ষতি হয় আৰু বানপানীত ছিগা আৰু কাটি দিয়া অংশৰ মুঠ সংখ্যা হয়গৈ ১২৫ টা।

এই বানপানী সমস্যাটোৰ প্ৰধানকৈ দিশ দুটা এটা প্লাৱন আৰু আনটো গৰাখহনীয়া। বৰ্ত্তমানে খহনীয়া সমস্যাই অসমত ভয়াবহ ৰূপ লৈছে আৰু সেয়ে খহনীয়া প্ৰতিৰোধৰ ক্ষেত্ৰত অধিক গুৰুত্ব দিব লগা হৈছে।

আজিলৈকে অসমৰ এই সমস্যাটোৰ বহুতো দেশী বিদেশী বিশেষজ্ঞই অধ্যয়ন কৰিছে আৰু তেওঁলোকৰ মতামতো দাঙি ধৰিছে। এই সমস্যা সমাধানৰ অৰ্থে ইতিমধ্যে ভাৰত চৰকাৰে Master Plan তৈয়াৰ কৰিবলৈ ব্ৰহ্মপুত্ৰ বৰ্ড গঠন কৰি দিছে। এই বৰ্ডে মূল ব্ৰহ্মপুত্ৰৰ এখন Master Plan তৈয়াৰ কৰি কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰিছে যদিও এতিয়ালৈকে ই কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন পোৱা নাই।

ইয়াৰ ওপৰিও অলপতে উত্তৰ পূৰ্বাঞ্চলৰ বান নিয়ন্ত্ৰণ সমস্যাৰ সমাধান কল্পে কেন্দ্ৰীয় জল সম্পদ মন্ত্ৰালয়ৰ সচিবক সভাপতি ৰূপে লৈ এখন কমিটি কেন্দ্ৰীয় চৰকাৰে গঠন কৰি দিছে।

কিন্তু এই দৰে বিশেষজ্ঞ কমিটি, বৰ্ড আদি গঠন কৰি দি ইয়াৰ ৰিৰ্পট সমূহ লৈ থাকিলেই সমস্যাৰ সমাধান নহয়। যদিহে গুৰুত্ব সহকাৰে এই ৰিৰ্পটৰ ওপৰত কোনো কাৰ্য্যকৰী ব্যৱস্থা নহয়। আজি ইমান দিনে অসম চৰকাৰৰ নিজা ববীয়াকৈ বান নিয়ন্ত্ৰণৰ ওপৰত কোনো নিৰ্দিষ্ট নীতি (Concrete Policy) নাছিল। সেয়েহে যোৱা ৮/৯ ফেব্ৰুৱাৰীত গুৱাহাটীৰ জিলা পুথিভৰালত দুদিনীয়া কাৰ্য্যসূচীৰে এখনি আলোচনা চক্ৰ আয়োজন কৰে আৰু বিশেষজ্ঞ সকলে খহনীয়াৰ প্ৰতিৰোধৰ কামত অধিক গুৰুত্ব দিবলৈ পৰামৰ্শ দিয়ে।

উক্ত আলোচনা চক্ৰই যি ১২ টা পৰামৰ্শ আগবঢ়াইছে তাৰ আৰ্হিতেই আমি কামত আগবঢ়াৰ কথা ভাবিছো, আৰু সেই মতেই কাম কৰি যাব পাৰিলে অহা ২০/২৫ বছৰৰ ভিতৰত এই সমস্যাৰ পৰা সকাহ পোৱাৰ আশা আছে।

অৱশ্যে সমস্যাৰ গুৰুত্বলৈ চাই ৰাজ্যৰ বিত্তীয় অৱস্থাৰে এই সমস্যা সমাধান কৰাটো দুঃসাধ্য। ১৯৮৬-৮৭ চনলৈ বান নিয়ন্ত্ৰণ শিতানত ব্যয় হোৱা প্ৰায় ২৫৮.৮৪ কোটি টকাৰ ভিতৰত কেন্দ্ৰীয় ঋণ সাহাৰ্য্যৰ পৰিমাণ হ'ল ১৪১.০০ কোটি টকাৰ। ১৯৮৭-৮৮ চনত পোৱা হৈছে ২৮ কোটি টকা আৰু ইয়াৰে ২১ কোটি টকা কেন্দ্ৰীয় ঋণ সাহাৰ্য্যৰ। ১৯৮৮-৮৯ চনৰ বাবে ধৰা হৈছে মুঠ ২৮.৫ কোটি টকা আৰু ইয়াৰে ২১ কোটি টকা ধৰা

হৈছে কেন্দ্ৰীয় ঋণ সাহাৰ্য্যৰ পৰা। অৱশ্যে এই ঋণ সাহাৰ্য্য কেন্দ্ৰীয় বাজেটত গৃহীত হ'লেহে পোৱা হ'ব।

ব্ৰহ্মপুত্ৰ বৰ্ডৰ Master Plan অৰ ওপৰত ভিত্তি কৰি ১৯৮২-৮৩ চনৰ মূল্যসূচী অনুসৰি দীৰ্ঘম্যাদী ব্যৱস্থা সমূহৰ বাবে প্ৰয়োজনীয় টকাৰ পৰিমাণ ২০০০ চনলৈ হ'ব ৩,৬৯৫ কোটি টকা আৰু দুহাজাৰ চনৰ পাছত লাগিব ২০,২৯০ কোটি টকা। তাৰোপৰি হ্ৰস্বম্যাদি ব্যৱস্থা সমূহৰ বাবে দুহাজাৰ চনলৈকে লাগিব প্ৰায় ১৩০০ কোটি টকা। সেই অনুপাতে হ্ৰস্বম্যাদী ব্যৱস্থাসমূহৰ বাবে প্ৰয়োজনীয় টকাৰ পৰিমাণ বছৰি গড়ে ১০০ কোটি। কিন্তু ৭ম পৰিকল্পনাৰ কালচোৱাৰ বাবে বান নিয়ন্ত্ৰণ শিতানত ধাৰ্য্য কৰা টকাৰ পৰিমান হ'ল— কেন্দ্ৰীয় ঋণ সাহাৰ্য্যৰ ৭০ কোটি আৰু ৰাজ্যিক পৰিকল্পনাৰ পৰা ২৭ কোটি মাত্ৰ— অৰ্থাৎ বছৰি গড়ে ১৯.৪ কোটি টকা। এই বিত্তীয় নাটনিৰ বাবেই ৰাজ্যৰ অতি প্ৰয়োজনীয় কামবোৰ আমাৰ সদ্দীচ্ছা থকা স্বত্বেও লবলৈ সম্ভৱ হোৱা নাই। বিগত চৰকাৰৰ দিনত হাতত লোৱা কাম কিছুমানৰ বাকী টকাও এই সীমিত মঞ্জুৰীৰ পৰাই শোধ কৰিব লগীয়া হৈছে।

এইখিনিতে উল্লেখ কৰিব পাৰি যে আগতে উল্লেখ কৰা কেন্দ্ৰীয় ঋণ সাহাৰ্য্যৰ শতকৰা এশভাগেই ঋণ হোৱা বাবে ই ৰাজ্যৰ ঋণৰ বোজা বৃদ্ধি কৰিছে। ব্ৰহ্মপুত্ৰ উপত্যাকাৰ বান নিয়ন্ত্ৰণৰ আঁচনি সমূহ এই ঋণৰ টকাৰেহে কৰা হয়। বিগত চৰকাৰৰ দিনত এই নীতিয়েই লৈ থাকিব। আহিব লগীয়া বছৰটোৰ পৰা ৰাজ্যিক বাজেটতো ব্ৰহ্মপুত্ৰ উপত্যাকাৰ বান নিয়ন্ত্ৰণ কামসমূহৰ শিতান মুকলি হোৱাৰ ভাল আশা গৈছে। যিহেতু যোৱা ২৬/২/৮৮ তাৰিখৰ কেবিনেট মিটিঙত ব্ৰহ্মপুত্ৰ উপত্যাকাৰ বান নিয়ন্ত্ৰণ আঁচনিৰ একাংশ ব্যয় ৰাজ্যিক পৰিকল্পনাৰ পৰা বহন কৰা সিদ্ধান্ত লোৱা হৈছে। সেয়েহে কাম কাজত অলপ স্বচ্ছলতা আহিব বুলি আশা কৰা হৈছে। অৱশ্যে ১৯৮৮-৮৯ চনৰ বাজেটৰ সীমিত আৱন্টিত ঋণৰ ভিতৰত এই বছৰ দাখিল কৰা বাজেটত উক্ত ব্যয় ধাৰ্য্য হোৱা নাই।

আগতেই উল্লেখ কৰা হৈছে যে ৰাজ্যিক সীমিত বিত্তীয় পুঁজিৰে বান নিয়ন্ত্ৰণ আৰু গড়াখহনীয়াৰ সমস্যা সমাধান কৰাটো প্ৰায় অসম্ভৱ, এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে ৰাজ্যিক চৰকাৰক সহায় কৰিবই লাগিব।

ব্ৰহ্মপুত্ৰ বৰ্ডে দাখিল কৰা শোৱনশিৰি, দিহিং আৰু বৰাক বান্ধ প্ৰকল্প ৰূপায়িত কৰাৰ কোনো সিদ্ধান্ত এতিয়ালৈকে কেন্দ্ৰীয় চৰকাৰে লোৱা নাই। ৰাজ্যিক চৰকাৰৰ ফালৰ পৰা দাখিল কৰা মুকালমুৱা আৰু মৰিয়াহোলা অঞ্চলৰ খহনীয়া প্ৰতিৰোধ আঁচনি

দুখন পৰিকল্পনা আয়োগৰ ওচৰত বিবেচনাধীন হৈয়ে আছে। ইয়াৰ বাহিৰেও ডিব্ৰুগড়ৰ নাগাঘুলি মাইজান, মাতমৰা, বালিকুচি ফকিৰগঞ্জ আদিৰ প্ৰতিৰক্ষাৰ কাৰণে ভালে কেইখন আঁচনি কেন্দ্ৰীয় জল আয়োগৰ বিবেচনাধীন হৈ আছে। ৰাজ্যিক চৰকাৰৰ ফালৰ পৰা এই আঁচনি সমূহৰ অনুমোদন আৰু বিত্তীয় মঞ্জুৰীৰ বাবে দাবী জনাই থকা হৈছে। কলিয়া ভোমোৰা দলঙৰ বিপৰ্য্যস্ত কৰিব পৰা ইয়াৰ উজনিৰ খহনীয়া প্ৰতিৰোধৰ বাবে এখন আঁচনি উত্তৰ-পূৱ পৰিষদে ইতিমধ্যে অনুমোদন দিছে আৰু ইয়াৰ কাম বৰ্ত্তমানে চলি আছে।

আগতে উনুকিওৱা হৈছে যে যোৱা ১৯৮৫-৮৬ আৰু ১৯৮৬-৮৭ চনত কেন্দ্ৰীয় ঋণ সাহাৰ্য্য পোৱা হৈছিল ক্ৰমে ১৫.০০ কোটি আৰু ১৩.৫ কোটি টকা। কিন্তু বিভাগীয় মেমৰেণ্ডাম আৰু বিশেষকৈ যোৱা ১৯৮৬ চনত বিধানসভাৰ সৰ্বদলীয় সজাতি দলৰ মেমৰেণ্ডমৰ কাৰণেই বোধক ৰো এই চৰকাৰৰ দিনতেই ঋণ সাহাৰ্য্যৰ পৰিমাণ ১৯৮৭-৮৮ চনত ২১.০০ কোটিলৈ বৃদ্ধি হয়। ১৯৮৮-৮৯ চনৰ বাবেও একে পৰিমাণৰ ঋণ সাহাৰ্য্য মঞ্জুৰ কৰাৰ আশা আছে।

অৱশ্যে কেন্দ্ৰীয় চৰকাৰৰ পৰামৰ্শমতেই ১৯৮৬ চনতে ১১৭.৯৯ কোটি টকাৰ জনজাতি উপপৰিকল্পনা কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰা হৈছিল, তাৰ ধন পোৱাৰ আশা ক্ষীণ দেখা গৈছে, যিহেতু কেন্দ্ৰীয় চৰকাৰৰ পৰা কোনো ইতিবাচক সহাঁৰি আজিলৈকে পোৱা নাই। গতিকে এই ক্ষেত্ৰত আৰু হেচা দিয়াৰ প্ৰয়োজন হৈ পৰিছে।

বৰ্তমানলৈ লোৱা ব্যৱস্থাসমূহে অসমৰ বান অধ্যুষিত এলেকাৰ মুঠ ৩১.৫ লাখ হেক্টৰৰ ভিতৰত ১৪.৯৪ লাখ হেক্টৰলৈ যথাসম্ভৱ প্ৰতিৰক্ষা দিব পৰা হৈছে। যাঠি দশকৰ মাজভাগলৈকে নিৰ্মাণ কৰা মথাউৰি সমূহৰ ২/৩ অংশই আপেক্ষিকভাৱে দুৰ্বল হোৱা হেতুক এইবোৰ ওখ আৰু শক্তিশালী কৰা নিতান্ত দৰকাৰী হৈ পৰিছে। উল্লেখযোগ্য যে যোৱা বানপানীত এনে মথাউৰি বোৰতেই ছিগিছে। তথাপিও যোৱা বছৰ অসমৰ মুঠ ২৬.৭৭ লাখ হেক্টৰ বন্যা কৱলিত অঞ্চলৰ ভিতৰত মথাউৰি সমূহ ছিগাৰ সত্বেও মাত্ৰ ৩ লাখ হেক্টৰ মানহে প্লাৱিত হৈছে।

এইখিনিতে ক'ব পাৰি যে প্ৰাকৃতিক দুৰ্য্যোগৰ বিৰুদ্ধে কোনেও কেতিয়াও সম্পূৰ্ণ নিৰাপত্তা দিব নোৱাৰে। বান পানীও প্ৰাকৃতিক দুৰ্য্যোগ। ইয়াক সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণ কৰাটোও সম্ভৱ হব নোৱাৰে সেয়ে বিভাগীয় নামতো বান নিয়ন্ত্ৰণৰ পৰিবৰ্তে "বান ব্যৱস্থাপনা" (Flood Management) দিয়াৰ চিন্তা কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰেও এই কথাতো মানি লৈছে।

যোৱা বানপানীত হোৱা ক্ষয়-ক্ষতিসমূহৰ মেৰামতি কৰাৰ বাবে বিভাগে বিচৰা প্ৰায় ১২০ কোটি টকাৰ বিপৰীতে মাত্ৰ ২৭ কোটি টকাহে পায়। এইখিনি টকাৰে যথাসম্ভৱ

অতি বিপদগ্রস্ত কামখিনিৰ মেৰামতি কৰিবলৈ লোৱা হৈছে যাতে অহা বাৰিষাত যাতে ৰাইজে কিছু সকাহ পাব পাৰে।

এই খিনিতে উল্লেখ কৰিব পাৰি যে মেৰামতি শিতানত বাজেটত ধাৰ্য্য কৰা টকাৰ পৰিমান তাকৰীয়া হোৱা বাবে বান নিয়ন্ত্ৰণৰ গাঠনি সমূহ (E & D Structure) যথোপযুক্ত ভাবে ৰক্ষনা-বেক্ষণ দিব পৰা হোৱা নাই আৰু তাৰ বাবেই এই গাঠনিসমূহ ইমান দুৰ্বল যে প্ৰতিবছৰে বানপানীৰ সময়ত আতংকৰ সৃষ্টি হয় আৰু ৰাইজৰ লগতে কাৰ্য্যৰত কৰ্মচাৰীসকলো যথেষ্ট কষ্টৰ সন্মুখীন হয়।

ৰক্ষণা-বেক্ষণৰ বাবে ৰাজ্যসমূহে ধাৰ্য্য কৰা মান পৰীক্ষা কৰিবলৈ আৰু পথ-নিৰ্দ্দেশনা দিবৰ বাবে কেন্দ্ৰীয় জল আয়োগৰ সভ্যক অধক্ষ্য হিচাবে লৈ ১৯৮২ চনতে কেন্দ্ৰীয় চৰকাৰে বিশেষজ্ঞ কমিটি গঠন কৰি দিয়ে। এই কমিটিৰ পৰামৰ্শ অনুসৰি ৰক্ষণা-বেক্ষণৰ বাবে আৱশ্যকীয় ধনৰ পৰিমান আৰু তাৰ বিপৰীতে বাজেটত ধাৰ্য্য টকাৰ পৰিমান এনে ধৰণৰ—

| বছৰ বিশেষজ্ঞ | কমিটিৰ অনুমোদন | বাজেটত ধাৰ্য্য টকা |
|---|---|---|
| ১৯৮৬-৮৭ | ১৩৮০.৪০ লাখ | ৮৬৫.৫৫ টকা |
| ১৯৮৭-৮৮ | ১৫৪৫.৯৮ লাখ | ৯২৬.২৫ লাখ |
| ১৯৮৮-৮৯ | ১৭৯৭.৮৯ লাখ | ৯৪২.১৭ লাখ |

এই টকা ৮ ম বিত্তীয় আয়োগৰ অনুমোদন অনুসৰি ধাৰ্য্য হৈছে। যিহওঁক ৯ম বিত্তীয় আয়োগৰ ওচৰত এই সংক্ৰান্তত আন্তৰিক ধনৰ চুপাৰিচ কৰাৰ কাৰণে প্ৰতিবেদন দাখিল কৰা হৈছে।

আগতে উল্লেখ কৰা প্ৰাকৃতিক অৱস্থা আৰু সীমিত বিত্তীয় মঞ্জুৰীৰে ৰাজ্য চৰকাৰে সমস্যাটোৰ সমাধান কল্পে আন্তৰিকতাৰে চেষ্টা কৰিছে। বিভাগীয় বিষয়া কৰ্ম্মচাৰী সকলৰ কাম কাজতো উৎসাহ উদ্দীপনা পৰিলক্ষিত হৈছে। আগৰ কথা নাজানো, কিন্তু বৰ্ত্তমানে কৰ্ম্মচাৰী সকলে নিষ্ঠা আৰু সততাৰে কৰ্ত্তব্য পালন কৰি আছে। বিগত বছৰটোত তুলনামূলক ভাবে কাম-কাজবোৰ বেছি হৈছে আৰু আঁচনি সমূহৰ পৰাও আশানুৰূপ সফলতা লাভ কৰিব পৰা হৈছে বুলি ক'ব খোজা।

মাননীয় অধ্যক্ষ মহোদয়, এইখিনিকে কৈ মই মাননীয় বিৰোধী দলৰ সদস্য সকলক তেখেত সকলে উৎথাপন কৰা কৰ্ত্তন প্ৰস্তাৱ উঠাই লবলৈ অনুৰোধ কৰিছো আৰু মোৰ বিভাগৰ কাম কাজ নিয়াৰিকৈ কৰাত সহায়ক হবলৈ এই দাবী মঞ্জুৰীৰ প্ৰতি সমৰ্থন জনাবলৈ অনুৰোধ কৰি আৰু বিভাগৰ কাম কাজত তেখেত সকলৰ সহায় সহযোগ পাম বুলি আশা কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

মাননীয় অধ্যক্ষ ঃ— মাননীয় সদস্য শ্ৰীআমিনুল ইছলাম ডাঙৰীয়া উঠাই লব নেকি ?

শ্ৰীআমিনুল ইছলাম ঃ— মাননীয় অধ্যক্ষ মহোদয়, তাৰ আগতে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা দক্ষিণ শালমাৰা ডিভিজনটো যাতে ব্ৰহ্মপুত্ৰৰ বুকুত বিলুপ্ত হৈ নেযায় তাৰ এটা আশ্বাস বিছাৰিছো।

শ্ৰীছামসিং হান্সে (মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, সেইটো মই নিশ্চয় চাম।

শ্ৰীআমিনুল ইছলাম ঃ— মাননীয় অধ্যক্ষ মহোদয়, এই খিনি আশা কৰি মই কৰ্ত্তন প্ৰস্তাৱটো উঠাই লৈছো।

**Mr. Speaker** :– Hon'ble Member Shri Binai Khungar Basumatary will you willdrew your cut motion ?

**Shri Binai Khungur Basumatary** :– Hon'ble Speaker Sir, will the Minister give assurance that flood affected areas of Tribal Belt could be proctected form the T.S.P. fund ?

শ্ৰীছামসিং হান্সে (মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, টি, এচ পি'ৰ অধীনত যি খিনি টকা দিয়া হয় সেই টকাখিনি আঁচনি মতেহে দিয়া হয়। যদি আঁচনিয়ে সামৰি লয় তেতিয়াহলে, সেই মতে কাম আৰম্ভ কৰিব লাগিব।

**Shri Binai Khungur Basumatary** :– Mr. Speaker Sir, the assurance given by the Minister I beg withdraw the Cut Motion.

**Mr. Speaker :–** With the leave of the House the Cut Motion is withdrawn. Now Hon'ble Shri Mosiruddin Sheikh will you withdraw your cut motion ?

শ্ৰীমছিৰুদ্দিন শ্বেখ ঃ— মাননীয় অধ্যক্ষ মহোদয়, ধুবুৰী মেলাপুখুৰী বান্ধটো কৰাৰ আশ্বাস বিছাৰিছো আৰু ধুবুৰী ই, এণ্ড, ডি ডিভিজনটোৰ লগত দক্ষিণ শালমাৰা ডিভিজনটো সামৰি লোৱাৰ আশ্বাস দিবনে ?

শ্ৰীছামসিং হান্সে (মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত থকা সুবিধা অসুবিধা বিলাক আমি চাই লব লাগিব। টকা পইছাৰ অভাৱৰ কাৰণে আমি কাম বিলাক কৰা নাই কিন্তু আমাৰ কৰিবৰ কাৰণে সম্পূৰ্ণ আন্তৰিকতা আছে।

**Mr. Speaker :–** Hon'ble Shri Muktar Huassain will you withdraw your Cut Motion ?

শ্ৰীমোস্তাৰ হুছেইন ঃ— মাননীয় অধ্যক্ষ মহোদয়, যি বিলাক শ্লুইচ গেট আছে সেই বিলাক বহুত ওপৰত স্থাপন কৰাৰ কাৰণে নদীৰ পলসুৱা মাটিটো পাৰ হৈ নোযোৱাৰ কাৰণে খেতিয়ক সকল পলসুৱা মাটিৰ পৰা বঞ্চিত হৈছে। গতিকে এই পৰিপ্ৰেক্ষিততে শ্লুইচ গেট বিলাক

তলত বহুৰাবনে যাতে পলসুৱা মাটিটোও পানীৰ লগতে খেতিয়কে পাব পাৰে? লগতে মাননীয় মন্ত্ৰী মহোদয়ক শ্লুইচ গেট সংখ্যা বহাবৰ কাৰণেও অনুৰোধ কৰিছো।

**শ্ৰীছামসিং হান্সে (মন্ত্ৰী)** ঃ— মাননীয় অধ্যক্ষ মহোদয়, খেতিত মতে পানী নোসোমায় সেইটোহে আমি চাওঁ। পানী সোমোৱাৰ কাৰণে আন এটা বিভাগ আছে। গতিকে সেই বিলাক কাম তেওঁলোকেহে কৰিব।

**শ্ৰীমোক্তাৰ হুছেইন** ঃ— মাননীয় মহোদয়, নহলেও ইয়াৰ কাৰণে বাননিয়ন্ত্ৰণ বিভাগৰ সহযোগিতা আমি আশা কৰি মোৰ বক্তব্য প্ৰস্তাৱটো উঠাই লৈছো।

**Mr. Speaker** :– The Motion is that a sum of Rs. 38,12,01,000 be granted to the Minister-in-Charge to complete the sum of Rs. 50,82,68,000 necessary to defray the charges which will come in course of payment during the year ending on 31st March. 1989 for the Administration of Flood Control.

(The Grant has been passed on voice vote.) Now Grant No. 48.

**Shri Padmeswar Doley**, (Minister of State Agriculture) :– Sir, I beg to move that a sum of Rs. 57,01,72,000 be granted to the Minister-in-charge to complete the sum of Rs. 76,02,30,000 necessary to defray the charges which will come in course of payment during the year ending on 31st March, 1989 for the administration of Agriculture.

## REPORT OF THE BUSINESS ADVISORY COMMITTEE

**Mr. Speaker :** Now, the report of the Business Advisory Committee– under Rule 230 of the Rules of the Procedure and Conduct of Business in Assam Legislative Assembly, I called a meeting of the Bussiness Advisory Committee at 8.30 A.M. to-day the 21st April, 1988 in my Chamber at Dispur to discuss about the Voting on Demands for Grants.

The Business Advisory Committee considered the arrangement of various demands for grants for consideration in the house and felt

that it would be desirable to put the demand Nos. 49, 56, 57, 6, 41, 52, 53, 54, 9, 58, 43, 29, 65, 37, 30, 36, 61, 21, 3 pertaining to the departments of Irrigation, Rural Development (Panchayat). Rural Development. Land Revenue and Land Ceiling, Natural Calamities, Animal Husbandry, Diary Development, Fisheries, Transport Services, Industries, Co-operation, Medical and Public Health, Tourism, Food and Civil supplies, Water Supply and Sanitation, Labour and Employment, Mines and Minerals, Guest Houses, Government Hostels, etc. Administration of Justice on priority basis and accordingly proposed to put them immediately after demand for Grants No. 48 pertaining to Agriculture Department so that Hon. Members of the House may get opportunity to discuss the same earlier than other demands for Grants.

The revised time table is being circulated. I hope this has the approval of the House (The House accepted it)

## ARREST, CONVICTION AND RELEASE AFTER ADMONITION.

**Mr. Speaker** :– I hereby inform the House that I have received a wireless meassage from the Deputy Comissioner, Police. New Delhi which reads as follows :

"Servasree Abdul Jalil Ragibi, Rashidul Haque, Sheikh Saman Ali. Ratneswar Sarkar and Muktar Hussain Members Assam Legislative Assembly were arrested in case FIR No. 127 dated 12.4.88 U/S 188 IPS PS parliament Street, New Delhi from Raj path. Later on they were produced in the Court of Shri T.R. Naval, New Delhi. All accused pleaded guilty and were convicted as admonished by the Court and were released at about 4/5 P.M."

(The House adjourned to be resumed on 25.4.88 at 9 A.M.)

**Adjournment**

The House then rosed at 1.32 P.M. and stood adjourned till 9 A.M. on Monday the 25th April 1988.

Dispur
The 21th April, 1988

Dr. P.N. Hazarika
Secretary
Assam Legislative Assembly

## Annexure–I

*Name and Address of Registered Clubs/Libraries within the Mandia Development Blook.*

1. Mandia Anchalik Jubak Samaj, Vill & P.O.– Mandia.
2. Pragati Sangha Mandia, Vill & P.O.– Mandia.
3. Sonapur Chandrodaya Library, Vill– Sonapur, P.O.– Uadong,
4. Kadong Young Club Vill & P.O.– Kadong
5. Arunoday Library, Ramapara Vill & P.O.– Ramapara
6. B.K.T. Azad Club, Jetlital, P.O.– Bhatkuchi
7. Young Star Club, Banglipara, Vill– Banglipara, P.O.– Jania
8. Nabajagaran Club, Banglipara, Vill– Banglipara, P.O.– Jania.
9. Bangliparar Jubak Sangha, Vill– Banglipara P.O.– Jania.
10. Kadamtala Amar Puthibharal Vill & P.O.– Kadamtala.
11. Nabajagaran Library Vill & P.O.– Mowamari.
12. Polliprabhat Puthibharal, Alopati, Vill & P.O.– Alopati
13. Gajia Jubak Samaj Vill & P.O.– Gajia.
14. Sri Sri Purosottam Puthibharal Jonia Satra Vill– Jania Satra, P.O.– Jania.
15. 2 No. Chasra Goolia Puthibharal Vill– 2 No. Chasra P.O.– Satrakamara
16. Digirpam Jugarasmi Library Digirpam Vill– Digirpam P.O.– Digirpam
17. D.P.L. Azad Library, Vill & P.O. Digirpam.
18. Dhakhin Barpeta Netaji Club Vill– Nalirpar (Jail Road), P.O.– Bhatkuch.
19. Moamari Chapari Library, Vill– Mowamari Chapari, P.O.– Mowamari.
20. Hazi Md. Saheruddin Library Vill– Majar Char No. 3 P.O.– Kalardia.
21. Binapani Library Vill–Balikuri(Pachim Coloni) P.O.– Balikuri
22. Majar Char Community Centre Vill– Jetlital Vill– Majar Char, P.O.– Karardia.
23. Baghbar Sebak Puthibharal Vill & P.O.– Baghbar
24. Luit Club, Chasra No. 2 P.O.– Satrakanar.

*President/Chairman and Secretary of the Club/Libraries so Regd.*

1. Mandia Anchalik Jubak Samaj
   President Md. Sabed Ali
   Vill & P.O.– Mandia
   Secretary- Shamsul Hoque
   Vill & P.O.– Mandia
2. Pragati Sangha Mandia
   President Tozzamal Hussain
   Vill & P.O.– Mandia
   Secretary Ali Akbar
   Vill– Mourigaon
   P.O.– Mandia
3. Sonapur Chandrodaya Library
   President Record not available
   Secretary–
4. Kadong Young Club
   President Record not available
   Secretary–
5. Arunoday Library Ramapara
   President– Md. Billal Hussain
   Vill– Dolapathar
   P.O.– Ramapara
   Secretary– Md. Nazrul Islam
   Vill & P.O.– Ramapara
6. B.K.T. Azad Club Tetlital
   President Record not abailable
   Secretary–
7. Young Star Club, Banglipara
   President Jullas Ali
   Vill– Banglipara
   P.O.– Jania.
   Secretary -Sattar Khan,
   Vill- Banglipara
   P.O. Jania
8. Nabajagaran Club Banglipara
   President Record not available
   Secretary–
9. Banglipara Jubak Sangha
   President Record not available
   Secretary–
10. Kadamtala Amar Puthibharal
    President– Muktar Hussain
    Vill & P.O.– Kadamtala
    Secretary– Hamit Uddin
    Vill & P.O.– Kadamtala.
11. Nabajagaran Library
    President– Record not available
    Secretary–
12. Polliprabhat Puthibharal, Alopati
    President– Fayez Uddin
    Vill & P.O.– Alopati
    Secretary– Abdul Barik
    Vill & P.O.– Alopati
13. Gajia Jubak Samaj
    President– Record not available
    Secretary–
14. Sri Sri Purosottam Puthibharal
    Joina Satra,
    President– Junu Bayan
    Vill & P.O.– Jania
    Secretary– Sri Khanin Kakati
    Vill & P.O.– Jania
15. 2 No. Chasara Goolia Puthibharal
    President– Samaj Uddin, Ahmad,
    Vill– 2 No. Chasra
    P.O.– Satra Kanara
    Secretary– Fajil Uddin Ahmed
    Vill– 2 No. Chasra
16. Digirpam Jugarasmi Library
    Digirpam
    President– Record not available
    Secretary–
17. D. P. Lazad Library
    President– Shah Sultan Ahmed

Vill & P.O.– Digirpam.
Secretary– Haram Ali Ahmed
Vill & P.O.– Digirpam.

18. Dhakhin Barpeta Netaji Club
President– Sri Subal Sarkar
Vill– Nalirpar, P.O.- Bhatkuchi
Secretary– Ananta Ram Das
Vill– Nalirpar
P.O.– Bhatkuchi

19. Moamri Chapari Library
President– Amzad Ali
Vill & P.O.– Mowamari
Secretary– Md. Ab Razak Ali
Vill & P.O.– Mowamari

20. Hazi Md. Saheruddin Library
President– Jul Hoque
Vill– Majar Char
P.O.– Kalardia
Secretary– Khalibur Rahman
Vill– Majar Char
P.O.– Kalardia

21. Binapani Library
President– Sri Lakhan Ghose
Vill & P.O.– Balikuri
Secretary– Nikhil Ghose
Vill & P.O.– Balikuri

22. Majar Char Community Centre
President– Record not available
Secretary– Abul Kalam Azad
Vill– Majar Char
P.O.– Kalardia

23. Baghbar Sebak Puthibharal
President– Sri Bisnu Ram Das
Vill & P.O.– Baghbar
Secy.– Sri Anurudha Patowari
Vill & P.O.– Baghbar

24. Luit Club Chasra No. 2
President– A.B. Sidique
Vill– Chara No. 2,
P.O.– Satrakanara
Secy.– Sukur Ali
Vill– Chasra No. 2
P.O.– Satrakanara

# Annexure–II

*List of Veterinary Dispensaries*

1. Goalpara (LB)
2. Lakhipur (Jaleswar)
3. Rangapani
4. Boloma
5. Kahibari
6. Jarubandhiana
7. Bodahpur
8. Maleghar Parachania
9. Sadeelabari
10. Sukchar
11. Binnachera
12. Tipkai
13. Depsri
14. Gamaribil
15. Patgaon
16. Basugaon
17. Hahim
18. Hekera
19. Kahibari
20. Gamarimara
21. Sotemari
22. Niztapa
23. Pakribari
24. Joyramkuchi
25. Sorbhog
26. Sandortari
27. Lakhibazar
28. Nizaldah
29. Kampur
30. Jorapukhuri
31. Roha (Petboha)
32. Murajhar
33. Doboka
34. Kharikona
35. Magurgaon
36. Bhoiraguri
37. Sootia
38. Charduar
39. Bihmari
40. Chamdhora
41. Panpur
42. Bihubar
43. Rohdoipukhuri
44. Rajmawpukhuri
45. Barahibari
46. Nagabat
47. Galeky
48. Bengenakhowa
49. Kahora
50. Dhansiri
51. Pankagaon
52. Ratanpur
53. Jengraimukh
54. Nakhat
55. Dangari
56. Kujugaon
57. Kudil
58. Baginadi
59. Akajan
60. Phulbari
61. Matmora
62. Pipulguri
63. Bahgora
64. Bordoloni
65. Sisbargaon
66. Batghoria
67. Sonaibazar
68. Barjelenga
69. Palanghat
70. Kalain
71. Udarband
72. Thaligram

73. Barjatrapur
74. Gumrjatrapur
75. Salchapra
76. Phulbari
77. Karimganj
78. Patharkandi
79. Badarpur
80. Bazarghat
81. Nilambazar
82. Dorgarbond
83. Durlavchera
84. Siparsangan
85. Silonijan
86. Kheroni
87. Baithalangshu
88. Hamren
89. Hatikhuli
90. Gunjung
91. Harangajo

*Block Dispensaries*

1. Agomoni
2. Chapar Salkocha
3. Bijni Borbazar
4. Sidlichirang
5. Rangiya
6. Chamaria
7. Baska
8. Tamulpur
9. Tihu Barama
10. Panchim Nalbari
11. Jalah
12. Barpeta
13. Lanka
14. Kaliabor
15. Laharighat
16. Golaghat Central
17. Murkongselek
18. Naduar
19. Katigora
20. Nilip
21. Rongmongwa
22. Rongkhong
23. Sochong
24. Chingthong
25. Jatingavalley
26. Diyungvalley
27. Katlichera
28. Rajabazar
29. Lakhipur
30. Salchapra
31. Chapar Kalaigaon
32. Gabharu